# বিষয়

## *বিবিধ*

# বৰছলাৰ পৰা মায়ং ....

**ৰঞ্জন তিমচিনা**
*মূৰব্বী অধ্যাপক, ইংৰাজী বিভাগ*

সৰুতে শুনিছিলোঁ মায়ঙৰ কথা। শোণিতপুৰ জিলাৰ পশ্চিম সীমান্তত অৱস্থিত আমাৰ গাঁও বৰছলাৰ পৰা বৰলুইতখন তিনি কিলোমিটাৰ মান খোজকাঢ়ি গলেই পায়। লুইত পাৰ হ'লেই সিপাৰত মৰিগাঁও জিলাৰ মৈৰাবাৰী। কিন্তু মায়ংখন আকাশ মাৰ্গেদি হিচাপ কৰিলে ইমান ওচৰত বুলি কেতিয়াও ভাবিবই পৰা নাছিলো। কোনোবা সৰু-সুৰা যাদুকৰ গাঁওলৈ আহি যাদু প্ৰদৰ্শন কৰোঁতে সদায়েই কৈছিল যাদুবিদ্যা মায়ঙৰ পৰা শিকা বুলি। বিভিন্ন সময়ত অঘৰীৰ দল আহি বজাৰত ওচৰে-পাজৰে পযেক দুপযেকৰ বাবে থিতাপি লয়। তেওঁলোকে বিভিন্ন বেমাৰ আজাৰৰ জৰা-ফুকা কৰিব জানিছিল আৰু আমাৰ গাঁৱৰ লোকসকলেও তেওঁলোকক বিশ্বাস কৰিছিল। এদিন আমাৰ ওচৰৰ সম্বন্ধীয় খুৰী এজনীৰ বৰকৈ দাঁতৰ বিষ হয়। ঠিক সেই সময়তেই অঘৰীৰ দল এটাও আহি কেইদিনমানৰ বাবে থাকিব লৈছিল। খুৰাজনে গৈ মাতিলে মহিলা অঘৰী এগৰাকীক। দেখাতেই ভয় লগা সেই মহিলাগৰাকীৰ চুলি এনেকুৱা জঁট লগা আছিল যে সহজেই অনুমান কৰিব পাৰি জন্ম হোৱাৰ পাচত আজিলৈকে চুলিখিনিয়ে নাজানে ফণী বোলা বস্তুটোনো কি। মহিলাগৰাকীক চোতালতে পিৰা এখনত বহিবলৈ দিয়া হ'ল। অলপ সময়ৰ পিছত বাওঁহাতখন গালত দি আঃ উঃ কৰি খুৰী আহি অন্য এখন পিৰাত অঘৰী মানুহজনীৰ সন্মুখত বহিল। মানুহজনীয়ে সকলোকে মনে মনে থাকিবলৈ ক'লে। চোতালত কমেও চল্লিশজন মান মানুহ গোটে খাইছিল। নিজৰ লগত থকা জীৱনত চাবোন আৰু পানীৰ সংস্পৰ্শ নোপোৱা মোনাটোৰ পৰা এডাল দীঘল হাড় আৰু অন্য কেইটুকুৰামান হাড়ৰ টুকুৰা উলিয়াই মাটিতে থ'লে মানুহজনীয়ে।

তাৰ পিচত দীঘল দীঘল হাড়দাল খুৰীৰ গালত থৈ 'মায়ং, মায়ং, মায়ং, মায়ং' বুলি জাৰিব আৰম্ভ কৰিলে। প্ৰায় পোন্ধৰ মিনিট মান জাৰাৰ পিচত তাই পিচফালে থকা বাৰীলৈ গৈ কিবা কিবি বন কেইডাল মান আনি পিহিব দিলে। কোনেবাই ভিতৰলৈ গৈ পিহি আনি দিলে। সেইখিনি খুৰীৰ গালত বাহিৰৰ পৰাই প্ৰলেপ দি তাই ক'লে যে পোন্ধৰ মিনিট পিচত চব ঠিক হৈ যাব। ভৱা য'তেই কাম। ঠিক হৈ গ'ল। তাৰ পিচত বহু দিনলৈ খুৰীজনীৰ দাঁতৰ বিষ হোৱা নাছিল। এনেকুৱাই আছিল মায়ঙৰ প্ৰভাৱ। আমিও ভাবিছিলো যে মায়ঙত সঁচাকৈয়ে যাদু আছে এয়া এক অন্য কথা যে পিচলৈ মই তন্ত্ৰ মন্ত্ৰ বা তেনে বিধৰ কথা সমূলাঞ্চেই বিশ্বাস নকৰা হ'লোঁ। এনেকুৱাই আছিল আমাৰ মায়ঙৰ প্ৰতি ধাৰণা। পিছলৈ সৰজু বাইদেউৰ পৰা জানিছিলো মায়ং আঞ্চলিক কলেজৰ কথা য'ত তেওঁ কেইবাবছৰো শিক্ষকতা কৰিছিল। ১৯৯৯ চনৰ মাৰ্চ-এপ্ৰিল মানত বাতৰি-কাকতত বিজ্ঞাপন দেখা পালো ইংৰাজী বিভাগৰ প্ৰবক্তাৰ পদ এটা খালী আছে। আবেদন কৰো নকৰোঁ এনে মনঃস্থিতিৰ মাজতে ডাক যোগেদি পঠিয়ালো

আবেদন পত্ৰ। কিন্তু তাৰ পিচতে মোৰ শাৰীৰিক অসুস্থতাৰ বাবে সাক্ষাতকাৰৰ বাবে যাবলৈ অপাৰগ হ'লো। এনেকৈয়ে মায়ং অধ্যায় বাদ পৰিল বুলি ভাবিলো। কিন্তু মই ভাবিলে কি হ'ব? বিধাতাই ইতিমধ্যে ঠিক কৰি থৈছিল যে মই জীৱনৰ আটাইতকৈ মূল্যবান সময় আৰু উৎপাদনশীল সময়খিনি ভেঞ্চাৰ অনুষ্ঠানত খাটি এলেহুৱা হৈ পাৰ কৰিব লাগিব। এক ডেৰ মাহ মান পিচত ঘৰত থকা সময়তেই বাহিৰৰ পৰা কোনোবাই মাত দিলে 'ৰঞ্জন দা'। কোননো বুলি বাহিৰলৈ ওলাই আহি দেখিলো নৰবাহাদুৰ দৰ্জী। গাঁৱৰ ল'ৰা। ডাকঘৰত পিয়নৰ চাকৰি পাইছে। ক'লে, "চিঠি এখন আহিছে আপোনাৰ"। খুলি দেখিলোঁ মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰবক্তাৰ নিযুক্তি পত্ৰ। ইয়াৰ পিচতো মায়ঙলৈ যোৱা নহ'ল। কাৰণ হ'ল ডিমা-হাছাও জিলাৰ মাইবঙ কলেজৰ পৰা খবৰ পঠিয়াইছিল। মাইবং গ'লো ক'বৰ লবলৈ। অধ্যক্ষই কলে আপুনি টালি-টোপোলা লৈ আহক। নিযুক্তি পত্ৰ তেতিয়াই দিম। ইয়াৰ আগত বোলে বহুতক নিযুক্তি পত্ৰ দিছিল, কিন্তু ঘৰলৈ যোৱাৰ পাছত কোনো ঘূৰি নাহে। ঠাইডোখৰ পাহাৰীয়া আৰু উগ্ৰপন্থীৰ বৰ প্ৰভাৱ। ময়ো আন বিলাকৰ ৰাস্তাই অনুকৰণ কৰিলো। যি ঘৰলৈ আহিলো আৰু ঘূৰি নগলো। ভাগ্যৰ কি বিড়ম্বনাঙ্গ ২০০১ চনতেই মাইবং কলেজ প্ৰাদেশীকৃত হৈছিল। আমেৰিকান কবি ৰবাৰ্ট ফ্ৰষ্টৰ কবিতা The Road Not Taken ত কবিয়ে সঁচাকৈয়ে প্ৰত্যেক মানুহৰ জীৱন প্ৰতিফলিত কৰিছে। সন্মুখত দুটা ৰাস্তা থাকে। যিটো ৰাস্তাৰে আমি যাঁও সিয়েই জীৱনটো নিৰ্ধাৰণ কৰে। এৰি দিয়া ৰাস্তাটোত বা কি আছিল? ভাবিছো সেয়া ভাল আছিল বুলি। কিন্তু আগুৱাই গৈ থাকোতে বা কি হ'ল হয়। সেয়াতো সম্পূৰ্ণ অনিশ্চয়তাৰ গৰ্ভত আছিল। মাইবঙৰ পৰা আহি মায়ং যোৱাটোকেই থিৰাং কৰিলো। ৰাস্তাৰ কথা অকনমান অনুসন্ধান কৰোতে গম পালোঁ। দুটা ৰাস্তাৰে যাব পাৰি। এটা হ'ল সোণাপুৰৰ পৰা চামতা আৰু কলংপাৰ হৈ আৰু আনটো জাগীৰোড-ভকতগাঁও-মনহা হৈ। কলংপাৰ হৈ যোৱাটো চিন্তা কৰিলো। কিন্তু গুৱাহাটীৰ পল্টনবজাৰৰ পৰা 407 গাড়ীৰে কলংপাৰ পাওঁতে আবেলি চাৰিটা বাজিল। তাত গৈ গম পালো মায়ঙলৈ গাড়ী নাযায়। গোটেই ৰাস্তা বোকাময়। বাটত পৰিতৰা। গঁড়ো ওলায়। খোজকাঢ়ি গ'লে ৰাতি হ'ব। অচিনাকি ঠাই। গতিকে ঘূৰি অহাটোকেই থিৰাং কৰিলো। সেইদিনাখন ৰাতি গুৱাহাটীতেই থাকিলো। পিচদিনা পুৱাই ওলালো ভকতগাঁও হৈ যাম বুলি। কিন্তু ভকতগাঁও পাই গম পালো কোনো গাড়ী মায়ঙলৈ নাযায়। ইমান দূৰ আৰু খোজকাঢ়ি যোৱাৰ প্ৰশ্নই নুঠে। গতিকে ঘূৰি যোৱাই ভাল। একেবাৰে ঘৰেই পালো। মায়ং পাহৰি গ'লো। কিন্তু মায়ঙে মোক নেৰিলে। এয়াই নেকি মায়ঙৰ যাদু। আমাৰ গাঁৱৰে বোৱাৰী এগৰাকী বজাৰৰ পৰা ঘূৰি আহোতে আমাৰ ঘৰত এনেই সোমাই অকণমান কথা বতৰা পাতি আছিল। মানুহগৰাকীক আমি 'ভাউজু' (বৌ) বুলি মাতো। কথাৰ মাজতে মায়ং যোৱাৰ কাহিনী মোৰ মায়ে তেওঁক ক'লে। তাই লগে লগেই কৈ পেলালে, 'আমাৰ বৰঝাৰীৰ পৰা মায়ং যাব পাৰি নহয়। তেওঁৰ মাকৰ ঘৰ বৰঝাৰীত। মই এনেই হ'ব বুলি কৈ থলো। গাড়ী-মটৰ নচলা ঠাইলৈ যাব মন নাই। কেইদিনমান পিচত বৌজনীক আকৌ লগ পালোঁ। তেওঁ ক'লে যে, দুদিন পিচত তেওঁ আৰু তেওঁৰ উচ্চতৰ মাধ্যমিকত পঢ়ি থকা লৰাটো বৰঝাৰী লৈ যাব। বহুত সময় ভাবি অন্যমনস্ক ভাৱেই মই কৈ পেলালোঁ 'যাম দিয়ক আপোনালোকৰ লগতেই'। তেনেকৈয়ে ওলালো। বৰঝাৰীৰ পৰা জাগীৰোড-চামতা হৈ কলংপাৰ গলো। মোৰ সংগী আছিল বৌজনীৰ ভায়েক। কলংপাৰত তেওঁলোকৰ আত্মীয় এঘৰত ৰাতি থাকি পিচদিনা চাইকেলেৰে মায়ং পালো। কলেজখন পাওঁতে দিনৰ ডেৰটামান বাজিছিল। কলেজ বন্ধ আছিল। কলেজৰ চকীদাৰ মিহিৰ নাথে দুৱাৰ খিৰিকি বন্ধ কৰি হাতত কেটলী এটা লৈ ওলাই আহি আছিল। তেওঁক নিজৰ পৰিচয় দি ইয়ালৈ অহাৰ কাৰণ বৰ্ণোৱাৰ পিচত তেওঁ আমাক মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ লৈ গ'ল। সেইদিনাৰ তাৰিখ আছিল ১৯৯৯ চনৰ ২৩ আগষ্ট। বিদ্যালয়ৰ কিবা অনুষ্ঠান চলি থকাৰ বাবে কলেজৰ অধ্যক্ষ আৰু সম্পাদক দুয়ো তাতেই আছিল। মই গৈ পোৱাৰ কথা গম পোৱাৰ পিচত তেওঁলোক শিক্ষকৰ জিৰণী কোঠালৈ আহিল আৰু গোটেই কথাবোৰ আলোচনা কৰি মোৰ হাতত থকা নিযুক্তি পত্ৰ চাই সেই দিনাখনেই মোক কামত যোগদান কৰাৰ অনুমতি দিলে। এনেকৈয়েই আৰম্ভ হৈছিল মায়ং কলেজৰ প্ৰবক্তা হিচাপে মোৰ মায়ঙীয়া জীৱন।

**মহাবিদ্যালয়খন আৰু মই ঃ**

মহাবিদ্যালয়ত প্ৰথমৰ পৰাই বৰ ধুনীয়া আৰু ঘৰুৱা পৰিৱেশ এটা পাইছিলো। যাতায়তৰ অসুবিধা হেতুকে সকলো শিক্ষক মায়ঙতেই থাকিবলগীয়া হৈছিল কাৰণে সন্ধিয়া বজাৰলৈ

জ্বালেই সকলোকে লগ পোৱা গৈছিল। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ লগতো সকলোৰে পাৰিবাৰিক সম্পৰ্ক গঢ় লৈ উঠিছিল। কলেজৰ অধ্যক্ষ মহোদয়ো মায়ঙৰ স্থানীয় বাসিন্দা হোৱা বাবে তেওঁৰ নেতৃত্বত শিক্ষক-কৰ্মচাৰীসকল একেটা পৰিয়ালৰ নিচিনা হৈ পৰিছিল। তাৰোপৰি বেছিভাগ শিক্ষকৰেই বয়সৰ খুব পাৰ্থক্য নোহোৱা বাবে বন্ধুত্ব বেছিকৈ গঢ়ি উঠিছিল। মই কলেজত যোগদান কৰোঁতে ইংৰাজী বিভাগত আৰু দুজন শিক্ষকক পাইছিলো। কিন্তু কিবা কাৰণত দুয়োজনেই কলেজ এৰি যাবলগীয়া হোৱাত বিষয়টোৰ মই একমাত্ৰ শিক্ষক হৈ ৰলো প্ৰায় এবছৰৰ বাবে। পিচত সমীৰ নাথে যোগদান কৰাত দুজনেই বিভাগটো ২০১৬ লৈকে আগুৱাই লৈ আহিলো।

আমাৰ কলেজখনৰ স্থাপন কালৰ পৰাই সম্পাদকৰ দায়িত্ব পালন কৰি আহিছিল প্ৰয়াত দিপন চন্দ্ৰ নাথ দেৱে। মহাবিদ্যালয়ত প্ৰায় প্ৰতিদিনেই তেওঁ আহিছিল আৰু বিভিন্ন কামৰ তদাৰক কৰিছিল। কলেজখনৰ সকলো শিক্ষক-কৰ্মচাৰীৰ তেওঁ অভিভাৱকৰ দৰে আছিল। আমি পোৱা পাৰিতোষিক তেৰেঁই আহি কেৰাণী দিলীপ শইকীয়াক দিছিল আৰু শইকীয়াৰ পৰা আমি পাইছিলো। কেতিয়াবা অৰ্থৰ বাৰুকৈয়ে অভাৱ হ'লে আমি তেওঁৰ ঘৰলৈকে যাওঁ। এটা কথাৰ কাৰণে আমি সদায় কৃতজ্ঞতা স্বীকাৰ কৰিবই লাগিব যে কোনো দিনে তেওঁ খালী হাতে ঘূৰাই পঠিওৱা নাছিল। পকেটত যি থাকে তাকে দি পঠাইছিল। এবাৰ আমাৰ দুমাহ মানৰ পাৰিতোষিক তেওঁ যোগাৰ কৰিব পৰা নাছিল। আমি সকলোৱে তেওঁৰ ঘৰলৈ গ'লো। তেওঁ ক'লে যে মায়ং উন্নয়ন সমিতিয়ে কৰিবলগীয়া সহায়ৰ ধন কলেজৰ হাতত পৰাহি নাই। তেওঁৰ উপদেশ মৰ্মে উন্নয়ন সমিতিৰ সম্পাদক যোগেন ডেকাৰ ঘৰলৈ গ'লো। তেওঁক অনুৰোধ কৰি আহি দিপন ছাৰক আকৌ জনালো। তেনেকৈ পিছত দুমাহৰ পাৰিতোষিক লৈছিলো।

২০০৩ চনত কলেজত লটাৰী পতাৰ সিদ্ধান্ত হ'ল। দিপন ছাৰক সভাপতি আৰু অধ্যক্ষক সম্পাদকৰ দায়িত্ব দিয়া হ'ল। সহকাৰী সম্পাদক হিচাপে সমীৰ নাথ আৰু মোক দায়িত্ব দিছিল। লটাৰী পতাত আমি বৰ আগ্ৰহী আছিলো। কাৰণ আছিল আমাৰ কলেজখনৰ প্ৰশাসনীয় ভৱনটো প্লাষ্টাৰ কৰা। বেলেগ কলেজবোৰৰ ৰূপ দেখিলে আমাৰ বেয়াই লাগিছিল। ভাবিছিলো এই বিল্ডিংটো প্লাষ্টাৰ কৰিলে অলপ হ'লেও ভাল লাগিব। সেয়েহে গোটেই শিক্ষক-কৰ্মচাৰীবৃন্দই লটাৰীত দেহে কেহে খাটিছিল আৰু আমি সফলো হৈছিলো। এক লাখতকৈও অধিক লাভ হৈছিল। কিন্তু বিল্ডিং প্লাষ্টাৰ কৰিব পৰা নগ'ল। সেই সময়ত কলেজৰ আৰ্থিক অৱস্থা বেয়া হোৱা বাবে টকাখিনি অন্য কামত ব্যৱহৃত হ'ল।

লটাৰীৰ লাভ লোকচান পিছৰ কথা। কিন্তু এটা বৰ ডাঙৰ লাভ আমাৰ শিক্ষকসকলৰ হৈছিল। টিকট বিক্ৰী কৰিবলৈ আমি বহুতো ঠাইলৈ গৈছিলো। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল আমাৰ মায়ং অঞ্চলৰেই বহুতো গাঁও যিবোৰৰ যাতায়ত ব্যৱস্থা একেবাৰেই নাই বুলিব পাৰি। আমি বৰবৰী, ফলীয়ামাৰী, নেকেৰাহাবি, নলনি আদি ঠাইলৈ চাইকেল চলাই গৈছিলো। তেতিয়াহে জানিব পাৰিছিলো ইমান দুৰ্গম ঠাইৰ পৰা কিমান কষ্টৰে আমাৰ ছাত্ৰ-ছাত্ৰীসকল আহিছিল।

আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ফণীভূষণ নাথ ১৯৯২ চনত মহাবিদ্যালয় স্থাপন হোৱা কালৰে পৰাই অধ্যক্ষৰ দায়িত্ব খুবেই নিয়াৰিকৈ পালন কৰি আহিছে। তেওঁ মহাবিদ্যালয়ৰ পৰিচালনা সমিতি তথা ৰাইজ আৰু শিক্ষক-কৰ্মচাৰীৰ মাজৰ সমন্বয় বৰ সুন্দৰকৈ স্থাপন কৰি আহিছে। সকলো কৰ্মচাৰীয়ে তেওঁক সমীহ আৰু শ্ৰদ্ধা কৰে। মহাবিদ্যালয়ৰ প্ৰতিটো দিশেই তেওঁ সুন্দৰকৈ পৰিচালনা কৰি আহিছে। মহাবিদ্যালয়ৰ অনুশাসন ৰক্ষাৰ স্বাৰ্থত মাজে মাজে তেওঁক অলপ কঠোৰ যেন লাগিলেও এটা কথা স্বীকাৰ কৰিবই লাগিব যে আমাৰ মহাবিদ্যালয় পৰিয়ালৰ কাকোৰেই তেওঁ কেতিয়াও কোনো বিপদত পৰিবলৈ দিয়া নাই।

এনেকৈয়ে সুন্দৰভাৱে চলি গৈ থকা পৰিয়ালটিত ২০১৩ চনত প্ৰাদেশীকৃত হোৱাৰে পৰাই বিভাজন আৰম্ভ হ'ল। চৰকাৰেই বিভাজন আনি দিলে। কাৰ্যালয় কৰ্মচাৰীৰ প্ৰায় সকলোৰে চাকৰি হ'ল। কিন্তু শিক্ষকসকলৰ এক তৃতীয়াংশৰহে চাকৰি হ'ল আৰু দুই তৃতীয়াংশ শিক্ষক অপ্ৰাদেশিকৃত হৈয়েই ৰ'ল। এফালে সম্পূৰ্ণ চৰকাৰী দৰমহা পালে কিন্তু চৰকাৰে বাকী থকাখিনিক মাজে মাজে দি থকা আৰ্থিক সাহায্যখিনিও বন্ধ কৰি দিয়াত সেইখিনি শিক্ষকৰ আজিলৈকেও শোচনীয় অৱস্থা হৈ থাকিল। নিষ্ঠুৰ বাস্তৱতাৰ এনে পৰিস্থিতি অকল ভুক্তভোগীয়েহে উপলব্ধি, কৰিব পাৰে।

**মায়ঙৰ যাতায়াত ব্যৱস্থা ঃ**

মায়ঙৰ আজিৰ যাতায়াত ব্যৱস্থা দেখিলে কোনেও

অনুমানেই কৰিব নোৱাৰে আজিৰ পৰা দহ পোন্ধৰ বছৰৰ আগৰ কথা। ১৯৯৯ চনত মই আহোঁতে বাৰিষা আছিল কাৰণে গাড়ী মটৰ পোৱা নাছিলো। কিন্তু খৰালি মাহত গুৱাহাটী আৰু মৰিগাঁও দুয়োপিনেই গাড়ী চলিছিল। গুৱাহাটীলৈ যোৱা শ্ৰীমীনা আৰু মা-পাৰ্বতী গাড়ী দুখনৰ কথা আমি সবেই জানো। লক্ষ্মীপূজাৰ পিচদিনা দুৰ্ঘটনাত পতিত হৈ কেইবাজনৰো প্ৰাণ যোৱা মৰিগাঁও অভিমুখী গৃহলক্ষী নামৰ বাছখনকো আমি পাহৰিব নোৱাৰো। মই অহাৰ এবছৰ পিচতে মথাউৰি বিকল্প হিচাপে কাম কৰি থকা মায়ং ভকতগাঁও পথ বানপানীয়ে কেইবাঠাইতো ভাঙিলে। ইফালে কলংপাৰ যোৱা পথৰ গৰঙা বিলত ওপৰৰ দলংখনো পানীয়ে উটুৱাই নিলে। চন্দ্ৰপুৰৰ কলং নদীৰ ওপৰত দলঙৰ কাম নিৰ্মাণৰত অৱস্থাত আছিল। গতিকে সকলো ফালে যাতায়ত ৰুদ্ধ হৈ পৰাত মায়ং সম্পূৰ্ণ ৰূপে এটা দ্বীপত পৰিণত হৈছিল। কোনোবা ফালে ওলাবৰ বাবে চাইকেলেই একমাত্ৰ যাতায়াতৰ বাহক আছিল। আমি প্ৰত্যেকেই চাইকেল লৈ প্ৰথমে কলংপাৰলৈ যাওঁ। কলংপাৰত কোনোবা চাইকেল দোকানত চাইকেল থৈ গাড়ীত উঠি গুচি যাওঁ। আহোতে একেটা কথা। কলংপাৰৰ পৰা চাইকেল লৈ আহো, ৰাস্তাও বৰ বেয়া আছিল। ওখৰা-মোখৰা। মাজে মাজে বানপানীয়ে ভঙা। বাটত ডাঙৰ ডাঙৰ শিল। শিলৰ ওপৰত চাইকেলৰ আগচকা লাগি আমি প্ৰত্যেকেই কেতিয়াবা নহয় কেতিয়াবা পৰিছো। বানপানীৰ সময়ততো কথাই নাই। তামুলীডোবাত নাওত পাৰ হৈ আকৌ অকণমান গৈ গৰঙা বিলতো নাও পাৰ হ'ব লাগে। তাতেই যদি বৰষুণ দিলে, তেনেহ'লে যমৰ যন্ত্ৰণাও তাতকৈ ছাগে কম হয়। চাইকেলৰ চকাত আৰু মাডগাৰ্ডত মাটি লাগি চকা নুঘুৰা হয়। আগলৈ নাযায় পিছলৈও নাযায়। কি কৰিব? সঁচাকৈয়ে এনেকুৱাই আছিল মায়ঙৰ যাতায়ত।

মায়ঙৰ বোকাৰ কথা কবই নালাগে। কেতিয়াবা ফৰকাল বতৰত ক'ৰবাত ওলাই যাওঁ চাইকেল বা মটৰ-চাইকেল লৈ। কিন্তু ঘূৰি অহাৰ আগতে যদি বৰষুণ দিয়ে তেন্তে আমি চাইকেল বা মটৰ চাইকেলখন কলংপাৰতে বা বুঢ়াবুঢ়ীতে থৈ খোজা কাঢ়ি আহিব লগাত পৰিছিলো। বৰষুণৰ বতৰত চাইকেল ৰখাই গছৰ ডালেৰে বা কিবা লাঠিৰে বোকা গুচাই থকাতো সচৰাচৰ দেখা পোৱা দৃশ্য আছিল।

মোৰ বৰছলাৰ ঘৰৰ পৰা মায়ঙলৈ যোৱা অভিজ্ঞতাত অন্য এটা দিশ যদি উল্লেখ নকৰো তেনেহ'লে মোৰ অশান্তি লাগি থাকিব। আমাৰ কলেজৰ বুৰঞ্জী বিভাগৰ শিক্ষক শৰত শৰ্মাৰ লগ লাগি কেতিয়াবা আমি মণ্ডলদৈৰ পৰা ভুটভুটী নাওত উঠি চিধাই মায়ং পাওঁ। কিন্তু ডাঙৰ কথা হ'ল মই সাতুৰিব নাজানো। পানী দেখিলেই মোৰ ভয় লাগে। তাতে ব্ৰহ্মপুত্ৰ। মায়ং নোপোৱালৈকে সময় কেতিয়া যায় তেনে অনুভৱ হয়। এদিন তো ভয় লগা ঘটনাই হ'লগৈ। আমি মায়ং প্ৰায় পাওঁ পাওঁ। তেনেতে আহিল ধুমুহা। নাৱত থকা সকলো মানুহ চিঞৰিব আৰম্ভ কৰিলে। আজি আৰু ৰক্ষা নাই বুলি। নাৱৰীয়াইও ভয় খাই গৈছিল। প্ৰকাণ্ড ঢৌ উঠি নাওখন টুলুংভুটং কৰে। অৱশেষত যেনে তেনে আমি পাৰ পালো। পাৰ পাইহে মোৰ উশাহ ঘূৰি অহা যেন হৈছিল।

**পবিতৰা অভয়াৰণ্য আৰু গঁড়-ম'হ ঃ**

মায়ঙত মই আৰম্ভণিৰে পৰাই বজামায়ঙৰ মুৰবৰী চুবুৰীত বাস কৰি আছো। মায়ং বজাৰৰ পৰা কলেজ লৈ মুৰবৰী লৈ প্ৰায় ডেৰ কিলোমিটাৰ বাট। ১৯৯৯ চনত যেতিয়া মই প্ৰথম আহিছিলো, এই বাটছোৱাত ঘৰবোৰ খুবেই পাতল আছিল। সন্ধিয়া হ'লেই পবিতৰাৰ গঁড়বোৰ এই খিনি ৰাস্তাৰ কেইবাঠায়েদি পাৰ হৈছিল। এইবোৰ কথা মোৰ বাবে একেবাৰেই নতুন আছিল। প্ৰথম ভাগত খুবেই ভয় লাগিছিল। বজাৰৰ পৰা চাইকেলেৰে পৰাপক্ষত পোহৰ থাকোতেই ঘূৰি আহিছিলো লাহে লাহে ভয়ো কমি আহিল। মাজে মাজে বাটত গঁড় লগ পাইছিলো। খুব সাৱধানেৰে অহা যোৱা কৰিছিলো। গঁড় দেখিলে চাইকেল ৰখাই পাৰ হৈ যোৱালৈ অপেক্ষা কৰিছিলো। পিচলৈ যেতিয়া মটৰ-চাইকেল কিনিছিলো, গঁড়ৰ ভয় ভালেখিনি কমিছিল। কাৰণ হ'ল ইয়াৰ পোহৰত গঁড় দূৰৰ পৰাই দেখা পায়।

এদিন ৰাতি থিয়েটাৰ চাই ঘূৰি আহোঁতে ৰঙাডাঙৰীয়া থানৰ ভাঁজটোত সাংঘাতিক ধৰণেৰে গঁড়ৰ সৈতে মুখামুখি হৈছিলো। কেঁকুৰিটোত সিফালে ৰাস্তা একেবাৰেই দেখা পোৱা নগৈছিল। মই যেই ভাঁজটো ঘূৰিলো, সন্মুখত গঁড়। দূৰত্ব মাত্ৰ ছয়-সাত ফুট। মটৰ চাইকেল যেনে তেনেহে ৰখাব পাৰিলো। ইমান ওচৰৰ পৰা গঁড় কেতিয়াও দেখা নাছিলো। গঁড় যে ইমান প্ৰকাণ্ড আকাৰৰ হয় ভাবিবই পৰা নাছিলো। পবিতৰাত হাতীত উঠিও গঁড় চাইছিলো। কিন্তু ইমান ডাঙৰ বুলি অনুমান কৰিব পৰা নাছিলো। মোৰ বাইকখন হঠাত সন্মুখত পাই গঁড়টোৱে চাগে

ভয় খালে। এবাৰ ৰাস্তাৰ ইফালে এবাৰ আনফালে কেইবাবাৰো কৰি অলপ আঁতৰত গৈ সি মোৰ পিনে চালে। ভয়ত মোৰ অৱস্থা বেয়া হৈ আছিল। মই বাইকৰ হেডলাইট তাৰ চকুৰ পৰা আতৰ কৰা নাছিলো। ভয় খালেও ধৈৰ্য হেৰুওৱা নাছিলো। ভাবিলো গঁড়টোৱে যদি মোৰ পিনে চোচা লয়, বাইক এৰি দৌৰিম। কিন্তু অলপ সময় তেনেকৈ থাকি সি ৰাস্তাৰ পৰা নামি আতৰি গ'ল । মই তাৰ পিচত এক মিনিট মান অপেক্ষা কৰি আগবাঢ়ি গুচি গ'লো।

এদিনাখন মই কলেজৰ সমীৰ নাথ আৰু ৰফিকুল ইছলামৰ লগত গুৱাহাটীলৈ গৈছিলো। ভেঙ্কাৰ কলেজৰ শিক্ষকসকলৰ ৰিবা এখন সভাত যোগদান কৰি ঘূৰি আহোঁতে আমাৰ ৰাতি হৈ গ'ল। কলংপাৰৰ পৰা কমাৰপুৰলৈকে অটোত আহি তাৰ পৰা মায়ঙলৈ খোজ কাঢ়িব ল'লো। গৰঙা বিলত নাও পাৰ হৈ দেখিলো মায়ঙৰ ধানৰ ব্যৱসায়ী অমূল্য নাথ আৰু হৰনাথে (কল্পিত নাম) ট্ৰাক এখনৰ পৰা ধানৰ বস্তা নমাই আছে নাৰেদি ধান পাৰ কৰাই পুনৰ ট্ৰাকত তুলি ধান পঠিওৱাৰ বাদে অন্য উপায় তেওঁলোকৰ নাছিল। আমাক তেওঁলোকে ৰখাই দিলে একেলগে যাম বুলি। অলপ পিচত তেওঁলোকৰ কাম শেষ হোৱাত আমি বাট ল'লো। তেওঁলোকৰ হাতত টৰ্চ লাইট আছিল। নিজান ৰাতি। গঁড়ৰ চিঞৰবোৰ অলপ দূৰৰ পৰাই আহি আছে। আমাৰ ভয় বাঢ়িগৈ আছে। তামুলীডোবা পাওঁ পাওঁ। কিন্তু হঠাৎ ই কি। এটা গঁড়ে তোৰ তোৰ কৰি আমাৰ ফালে চোচা ল'লে। সেই ঢোৰঢোৰনি এনেকুৱা প্ৰচণ্ড আছিল যে মনত পৰিলে এতিয়াও কাণত বাজি উঠে। সবেই যেনেকৈ পাৰো তেনেকৈ দৌৰিলো। ৰফিকুল ইছলামে দৌৰ দিওঁতে শিলত খুন্দাখাই হামখুৰি খাই পৰি অলপ আগলৈকে চুচৰি গ'ল। হঠাৎ কি হ'ল আমাৰ সন্ত্ৰাসৰ আৰ্তনাদ শুনি গঁড়টোৱেও হয়তো ভয় খালে। অলপ আগুৱাই আহি সি ঘূৰি গ'ল। আমি ইছলামক তুলি অলপ আগুৱাই গৈহে তেওঁক ভালকৈ পৰ্যবেক্ষণ কৰিলো। চাৰ্টৰ বুকুৰ অংশ গোটেই ফালি গৈছিল। হাতৰ ছাল কেইঠাইতো উখহি গৈছিল. লংপেন্টৰ দুই ভৰিৰে আঁঠুৰ অংশ চিগি গৈছিল। হাত-ভৰি উভয়ে তেজ ওলাইছিল। তাৰ পাচতো আৰু যাত্ৰা আছিলেই। লাহে লাহে অতি সন্তৰ্পণে প্ৰশান্তি লজৰ ওচৰ পোৱাৰ পাছতহে আমাৰ তং আহিছিল।

২০০৭-০৮ চন মানৰ কথা। আমাৰ কলেজৰ অধ্যক্ষ মহোদয় আৰু মই বাইকেৰে গুৱাহাটীৰ পৰা কলংপাৰ হৈ আহি আছিলো। গুৱাহাটীতেই আমাৰ সন্ধিয়া হৈ গৈছিল। কলংপাৰ পাৰ হৈ গৰঙা বিল পাওঁ মানে চাৰে-সাতটা মান বাজিছিল। গৰঙাত বাইকসহ আমি নাৰেদি পাৰ হৈ তামুলীডোবাৰ ৰাস্তাৰে গৈ আছিলো। সেই বছৰ বানপানী কমকৈ হোৱা বাবে ৰাস্তাৰ দুয়োকাষে বৰকৈ বিৰিণা গজি উঠিছিল। মই বাইক চলাইছিলো আৰু প্ৰিঞ্চিপাল ছাৰ পিছফালে আছিল। এনেতে দেখিলো আমাৰ আগত বনৰীয়া ম'হৰ এটা জাক লাহে লাহে আগবাঢ়ি গৈ আছে। মই বাইকৰ গতিবেগ কমাই দিলো। কিন্তু ই কি? আমাৰ সমান্তৰালকৈ বাটৰ কাষৰ বিৰিণাৰ মাজে মাজে এটা প্ৰকাণ্ড ম'হ দৌৰি আছে। এতিয়া কি কৰো। গতিবেগ বেছিকৈ কমালে এই ম'হটোৱে পাব আৰু বঢ়ালে আগত গৈ থকা দলটোক গৈ খুন্দিয়াম গৈ। এনে অৱস্থাত গৈ থাকোঁতেই হঠাৎ আমাৰ লগে লগে দৌৰি থকা ম'হটো বাটৰ পৰা তললৈ নামি গ'ল। অলপ পাচত আগৰ দলটোও নামি যোৱাত আমি আগুৱাই যাব পাৰিলো। গঁড়ৰ সৈতে হোৱা এনে মুখামুখিৰ আৰু বহুতো ঘটনাই আছে যিবোৰ লিখিবলৈ ইয়াত সম্ভৱ নহয়।

উপসংহাৰ ঃ মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ শিক্ষক হিচাপে এই ওঠৰটা বছৰত বহু অভিজ্ঞতাই হ'ল তথাপি এটা দুখ এতিয়াও থাকি গ'ল যে নিজে বিচৰা ধৰণেৰে ছাত্ৰ আজিও গঢ় দিব নোৱাৰিলো। নিজৰ বিভাগৰ পৰা উচ্চ মান সম্পন্ন ফলাফল লৈ কোনো ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হ'ব পৰা নাই। ইয়াৰ অন্য কাৰণ নথকাও নহয়। ভাল বুনিয়াদ থকা ছাত্ৰ-ছাত্ৰীয়ে ভাল কলেজ বিচাৰি বাহিৰলৈ গুচি যায়। মায়ং অঞ্চলৰ ৰাইজৰ বিষয়ে এষাৰ কথা নিলিখিলে এই লেখা অসম্পূৰ্ণ হৈ ৰ'ব। মায়ঙৰ লোকসকল সঁচাকৈয়ে বৰ মৰমিয়াল, আদৰ-চেনেহ অতি বেছি। এয়াই নে কি মায়ঙৰ যাদু। ♦♦

# বাতৰি কাকতৰ বোকোছাত উঠি জগত সভালৈ মায়ং

নজৰুল ইছলাম

সাংবাদিক
অসমীয়া প্ৰতিদিন আৰু প্ৰতিদিন টাইম

অধ্যাপক হহেনবাৰ্গৰ মতে এজন সাংবাদিক এখন মুক্ত সমাজত এটা প্ৰধান শক্তি। সাংবাদিকজনৰ মত প্ৰকাশৰ স্বাধীনতা যিমানেই বেছি হয়, তেওঁৰ দায়িত্বও সিমানেই বেছি হয়। কিয়নো তেওঁ নিজৰ প্ৰবৃতি অনুসৰিয়েই সামাজিক পৰিবৰ্তনত, ৰাজহুৱা কাম-কাজত আৰু এটা সুস্থ জীৱনৰ বাবে কৰা সংগ্ৰামত গভীৰভাৱে জড়িত হৈ পৰে। সাংবাদিকে কোনো কথাকে সহজভাৱে ধৰিব নালাগিব। অন্যান্য বৃত্তিধাৰী মানুহতকৈ এজন সাংবাদিকে প্ৰতিষ্ঠিত মূল্যবোধ আৰু চিৰাচৰিত জ্ঞানৰ ওপৰত বেছিকৈ সন্দেহ প্ৰকাশ কৰে। সন্দেহেই হ'ল সাংবাদিকৰ আদি পাঠ। কোনো সাংবাদিকেই সাংবাদিক হিচাপে বেছিদিন জীয়াই থাকিব নোৱাৰে, যদি তেওঁ সমাজখনৰ লগত সন্তোষেৰে সহবস্থান কৰে বা যদি তেওঁ সমাজখনৰ দোষ-ক্ৰটিবোৰৰ প্ৰতি চকু নিদিয়ে। তেওঁ ঘটনাৰাজিৰ গভীৰত মনোনিবেশ কৰিব লাগিব। বহল অৰ্থৎ সাংবাদিকতাই সমাজ পৰিৱৰ্তনতে উৎসাহ যোগায়। হহেনবাৰ্গৰ কথাৰ আঁত ধৰি আমি ক'ব পাৰো যে এখন সমাজ গঢ়াৰ ক্ষেত্ৰত সাংবাদিকসকলৰ এক সুদূৰপ্ৰসাৰী প্ৰভাৱ থাকে। চমুৱেল ব'লচৰ ভাষাত 'আজিৰ দিনত সাংবাদিকতা সমাজৰ প্ৰথম শক্তি হিচাপে পৰিগণিত হৈছে।'

মুঠ কথা, সাংবাদিক হ'ব লাগে জনগণৰ সদা জাগ্ৰত প্ৰহৰী। সিবিলাকৰ আশা-আকাঙ্খা, অভাৱ-অভিযোগ, পৰিষ্কাৰভাৱে উপস্থাপিত কৰিব লাগে। চৰকাৰৰ অবিবেচক কামৰ সমালোচনা কৰিব লগা হয়, সেইবাবেও সাংবাদিক সাহসী আৰু সংকল্পবদ্ধ হ'ব লাগে। কোনোবাই বেয়া পোৱাটো স্বাভাৱিক।

অৱশ্যে এইটোও নহয় যে সাংবাদিকে সকলো সময়তে চৰকাৰৰ বিৰুদ্ধাচৰণ কৰিব। চৰকাৰৰ কাম-কাজ বা পুলিচৰ কোনো ভূমিকা যথোপযুক্তভাৱে জনসাধাৰণৰ বাবে মংগলজনক হ'লে সেয়া অৱশ্যেই শলাগিব লাগিব, অন্যথা জনবিৰোধী কাম-কাজক বিদ্ৰূপ কৰি জনগণক সজাগ কৰাটো হ'ল সাংবাদিকৰ বিশেষ কৰ্তব্য আৰু দায়িত্ব।

তেনে এক বিশেষ কৰ্তব্য আৰু দায়িত্ব পালন কৰিবলৈ ২০০১ চনত হাতত কলম তুলি লৈছিলো। যিটো সময়ত মায়ং আছিল এটা পাণ্ডৱবৰ্জিত অঞ্চল। যাতায়াত-যোগাযোগ, শিক্ষা, স্বাস্থ্য, বিদ্যুৎ, বিশুদ্ধ খোৱাপানী, কৃষি, বানপানী, গৰাখহনীয়া আদি এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত আছিল মায়ং অঞ্চল। চৰকাৰ তথা প্ৰশাসনে সদায় মাহীআইৰ দৃষ্টিৰে চাই আহিছিল। ৰাইজৰ আবেদন-নিবেদনকো বহু সময়ত ভ্ৰূক্ষেপ কৰা নাছিল। সংবাদ মাধ্যমতো আমাৰ এই অঞ্চলৰ সমস্যা, অভাৱ-অভিযোগৰ বাতৰিবোৰে ঠাই পোৱা নাছিল। বছৰৰ কোনোবা এটা দিনতহে তাকো মৰিগাঁও বা গুৱাহাটীৰ সাংবাদিকে বিশেষ আকস্মিক ঘটনাৰ বাতৰি তাকো এদিন-দুদিন পলমকৈ প্ৰকাশ কৰিছিল। যিসময়ত নিজে হাতত কলম তুলি লৈছিলো সংবাদ মাধ্যমত বাতৰি পৰিৱেশন কৰিবলৈ সেই সময়ৰ পৰা প্ৰকাশ পোৱা কেইটামান বাতৰি এই গ্ৰন্থখনত প্ৰকাশ কৰাৰ চেষ্টা কৰিলো। যিটো পৰামৰ্শ এই স্মৃতিগ্ৰন্থৰ সম্পাদক বন্ধুবৰ ড° উৎপল নাথে আগবঢ়ালে। নাজানো, আমি কিমানদূৰ সফল হ'ব পাৰিছো সাংবাদিকতাৰ ক্ষেত্ৰখনত। ৰাইজৰ সমস্যাৰাজিৰ লগতে বহু দুৰ্নীতি, কেলেংকাৰী আৰু ৰাজনৈতিক তথ্যসমৃদ্ধ বা-বাতৰিও যিমানদূৰ পাৰো নিষ্ঠাসহকাৰে প্ৰকাশ কৰিছো যদিও আমাৰ এই স্মৃতিগ্ৰন্থখনত দুৰ্নীতি, কেলেংকাৰী আৰু ৰাজনীতিৰ বাতৰি প্ৰকাশ কৰাৰ পৰা বিৰত থাকিলো। এনে অনেক সমস্যা-অভাৱ, অভিযোগ সম্পৰ্কীয় বাতৰি 'অসমীয়া প্ৰতিদিন'ত প্ৰকাশ হৈছিল যদিও সকলোবোৰ দিব পৰা নগ'ল আৰু সংৰক্ষিত অৱস্থাত নাই। পৰৱৰ্তী সময়ত অনগ্ৰসৰ অঞ্চলটোলৈ কি ধৰণৰ পৰিৱৰ্তন আহিল তাৰে এক চমু আভাস দাঙি ধৰাৰ সামান্য প্ৰয়াস কৰিলো।

**একনায়কত্ববাদী দেশত সংবাদ প্ৰকাশৰ অৱস্থা ভীতিপ্ৰদ, তথাপিও গণতান্ত্ৰিক দেশতো চৰকাৰৰ মনোমত সংবাদ প্ৰচাৰ নকৰাৰ ফলত বহুতো সময়ত দুখ-কষ্ট ভোগ কৰিবলগীয়া হয়।**



...ত জাহ যোৱাৰ উপক্ৰম

...লুং, ...মাটি, ঔগুৰি, হিলৈখুন্দা গাঁও

■ ... ...ম নজৰুল ইছলাম

মা... ...., ১৯ মে' : মৰিগাঁও জিলাৰ একেবাৰে ...শৰ সীমাত অৱস্থিত মায়ঙৰ লুনমাটি, ঔগুৰি, কালচিলা আৰু হিলৈখুন্দা গাঁও। এই চাৰিখন গাঁৱৰ বাহিৰেও অঞ্চলটোৰ বহিভূৰ্ক্ত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই ৰাইজকৈয়ো শংকিত কৰি তুলিছে। ইতিমধ্যে ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াত পকৰীয়া, গোহাইডুবি আৰু 'হাঁহচৰা তিনিখন নদী-বিল সম্পূৰ্ণ বিলীন হৈ গৈছে। প্ৰায় হেজাৰ বিঘা কুঁহিয়াৰ খেতি, পাঁচশ বিঘামান মাহ-সৰিয়হ আৰু আন আন ৰবিশস্যৰ খেতিপথাৰ, আটকধুনীয়া ঘৰ-বাৰী ধ্বংস হ'ল ব্ৰহ্মপুত্ৰৰ বুকুত। লুনমাটি গাঁওখনৰ পৰা ১ কিলোমিটাৰ উত্তৰে অৱস্থিত ৭০/৮০ ঘৰমান বড়ালী সম্প্ৰদায়ৰ লোকৰ ঘৰ-বাৰী সম্পূৰ্ণ বিধ্বস্ত হোৱাত গাঁওখনৰ মানুহবোৰে বৰ্তমান কাৰোবাৰ ঘৰত আশ্ৰয় লৈছে, কোনোবাই মধাউৰিত, আন কোনোবাই অন্যান্য ঠাইত গৈ হাজিৰা কৰি দিন অতিবাহিত কৰি আছে। উল্লিখিত ... চাৰিখন আজি এবছৰমান আগত ব্ৰহ্মপুত্ৰৰ পৰা ২ কিলোমিটাৰ দূৰত আছিল। বৰ্তমান গাঁওকেইখনৰ একেবাৰে কাষত ব্ৰহ্মপুত্ৰৰ ভয়াবহ খহনীয়া। ৰাতি হ'লে খহনীয়াৰ শব্দ প্ৰায় ২/৩ কিলোমিটাৰ আঁতৰৰ পৰা শুনা যায় বুলি জনালে দাতিকাষৰীয়া গাঁৱৰ ৰাইজে। ফলত ঔগুৰি, লুনমাটি, কালচিলা আৰু হিলৈখুন্দা গাঁৱৰ ৰাইজৰ খহনীয়াৰ কবলত পৰাৰ আশংকাত চকুৰ টোপনি হৰিছে। ইফালে লুনমাটিৰ পৰা হিলৈখুন্দাৰ পূৰ্বদিশলৈ যোৱা গড়কাপ্তানি পথটোৰ আধা অংশ ইতিমধ্যে জাহ গৈছে। শিলত কটা শিৱ মন্দিৰ, গণেশ মন্দিৰ দুয়োটাৰে অৱস্থা তথৈবচ। ঔগুৰি গাঁৱৰ জৰাজীৰ্ণ প্ৰাথমিক বিদ্যালয়খন আৰু কাঠৰ দলংখন আৰু কেইটামান দিন পিছতে জাহ যাব বুলি অনুমান কৰিব পৰা গৈছে যদিহে চৰকাৰে ইয়াৰ নিয়ন্ত্ৰণৰ কোনো ব্যৱস্থা হাতত নলয়। প্ৰতি বছৰে হোৱা প্ৰবল গৰাখহনীয়াই মায়ঙৰ বহু অঞ্চল ব্ৰহ্মপুত্ৰৰ গৰ্ভত বিলীন কৰিছে। কেইবাহেজাৰ বিঘা খেতি মাটি খহাই অঞ্চলবিশেষে নিৰ্ভীমিকাৰ সৃষ্টি কৰিছে। ফলত ৯০% কৃষিজীৱী ৰাইজে বৰ্তমান খেতি কৰা মাটি নথকাত চিন্তাত জুৰুলা হৈ পৰিছে। কিন্তু আজিপৰ্যন্ত অঞ্চলটোৰ ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ পৰা কোনোধৰণৰ সঁহাৰি লাভ কৰা নাই বুলি গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। সম্প্ৰতি ৰাইজৰ মনত প্ৰশ্ন —ব্ৰহ্মপুত্ৰৰ প্ৰবল গৰাখহনীয়া প্ৰতিৰোধৰ প্ৰতি কংগ্ৰেছ চৰকাৰখনে চকু দিবনে? এই সংবাদদাতাই ৰাইজক মন্ত্ৰী-বিধায়ক কোনোবা গৈছেনে নাই সোধাত যোৱা বছৰ ডিচেম্বৰ মাহত মৰিগাঁও জিলাৰ উপায়ুক্ত আৰু সমষ্টিৰ বিধায়ক বুবুল দাসে এবাৰ পৰিদৰ্শন কৰি যোৱা বুলি কয়। তাৰ পিছত আজিলৈ আৰু কোনো যোৱা নাই। ...দিশে অনগ্ৰসৰ হৈ থকা এই মায়ং... ...জনশাসন্যা... চোৰা-চিত্ৰা কৰিব... ...নাইকী... ক্ষতিগ্ৰস্ত লো... ...ৰাই... বিষয়টো ম... ...আঁধাৰ ...

সেয়া ২০০২ চনৰ কথা। তেতিয়া জৰাজীৰ্ণ পথেৰে চাইকেল চলাই গৈ এই বাতৰি সংগ্ৰহ কৰিছিলো। এতিয়াও গাঁওকেইখনৰ আতংক দূৰ হোৱা নাই, যদিও খহনীয়া বন্ধ হৈ আছে।

**প্ৰতিদিন সেৱা, মায়ং ঃ ২৬ জুন**

# মায়ঙৰ বাতৰি

## বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন

■ সমগ্ৰ দেশৰ লগতে ঐতিহাসিক মায়ঙতো এইবাৰ দিনজোৰা কাৰ্যসূচীৰে বিশ্ব পৰিবেশ দিৱস উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। ইয়াৰ বৰদেয়া লোকপ্ৰিয় গোপীনাথ বৰদলৈ হাইস্কুলত 'পবিতৰা কনজাৰভেচন ছ'চাইটি' নামৰ এটা স্থানীয় সংগঠনৰ উদ্যোগত পবিতৰা অভয়াৰণ্য আৰু ইয়াৰ কেউদিশৰ জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ উদ্দেশে উক্ত দিৱসৰ লগত সংগতি ৰাখি বিশেষ প্ৰকৃতি সজাগতা শিবিৰ এটাও আয়োজন কৰা হয়। পুৱাৰ ভাগত বৃক্ষৰোপণ কাৰ্যসূচী লোৱা হয়। অঞ্চলটোৰ বিভিন্ন বিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা, ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ পিচত এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। মুকলি সভাত সভাপতিত্ব কৰে 'পবিতৰা কনজাৰভেচন ছ'চাইটি'ৰ সভাপতি তথা ঐতিহাসিক মায়ং ৰাজ্যৰ ৰজা তৰণীকান্ত সিংহ ৰজাই। মুকলি সভাত তিলক হাজৰিকা (শিক্ষক) আৰু উৎপল নাথেও ভাষণ দিয়ে।


## মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ আধাৰশিলা

■ মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ মূল ভৱনটোৰ আধাৰশিলা যোৱা ৩ জুনত আনুষ্ঠানিকভাৱে স্থাপন কৰা হয়। জিলা পৰিষদৰ সভানেত্ৰী তাপসী চক্ৰবৰ্তী, পঞ্চায়ত সভানেত্ৰী তেলিমাই বৰা, আঞ্চলিক সদস্য এধান নাথ আৰু মৰিগাঁও জিলা অনুসূচিত জাতি বৰ্ডৰ চেয়াৰমেন বিবেকানন্দ দলৈয়ে আগবঢ়োৱা পুঁজিৰে নিৰ্মাণ কৰিবলৈ আগবঢ়া মায়ং আঞ্চলিক মহাবিদ্যালয়খনৰ আধাৰশিলা স্থাপনত উপস্থিত আছিল অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সদস্য নন্দলাল উপাধ্যায়।

## জিলাভিত্তিত দিহানাম প্ৰতিযোগিতা

■ বিগত বছৰৰ পদক্ষেপেৰে এইবাৰো দৈপড়া ৰূপাঞ্জলি সাংস্কৃতিক গোষ্ঠীৰ সৌজন্যত অহা ২৭ জুনৰ পুৱা ৯ বজাৰ পৰা জিলাভিত্তিত এখনি দিহানাম প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উক্ত দিহানাম প্ৰতিযোগিতাত ইচ্ছুক প্ৰতিযোগী দলসমূহক আগভাগৰ্তে যোগদান কৰিবলৈ সম্পাদক লোকেন্দ্ৰ মেধিয়ে অনুৰোধ জনাইছে।

মায়ঙত এনেদৰে বিভিন্ন দিৱস আজিও উদযাপন হৈয়ে থাকে।




প্ৰথমবাৰৰ বাবে ট্ৰ্যাৰফেড্‌ৰ উদ্যোগত ২০০২ চনতে পৰ্যটকৰ সুবিধাৰ্থে এক অভিনৱ আঁচনি লৈছিল। তাৰপিছতহে বিদেশী পৰ্যটকৰ আগমন বৃদ্ধি পায় মায়ং পবিতৰাত। বৰ্তমান বিদেশী পৰ্যটকৰ পৰা যথেষ্ট ৰাজহ পায় অভয়াৰণ্য কৰ্তৃপক্ষই, লগতে মায়ঙৰ চুকেকোণে ভ্ৰমি ফুৰে পৰ্যটক।

# মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ পঞ্চদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

... কেউদিশে জনপ্ৰিয় ... একমাত্ৰ উচ্চ ... মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ... প্ৰতিষ্ঠা দিৱস দিনজোৰা ... যোৱা ১৩ আগষ্টত উলহ-মালহেৰে উদ্‌যাপন কৰা হৈ যায়। আজিৰ ... মুকলি সভাত মায়ং আঞ্চলিক মহাবিদ্যালয় পৰিচালনা সমিতিৰ ... প্ৰতিষ্ঠাপক উদ্যোক্তা আৰু ... ৰ অক্লান্ত প্ৰচেষ্টাৰে ... মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱস পালন কৰি আহিছে। এইবাৰৰ প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকা জাগীৰোড সমষ্টিৰ বিধায়ক তথা গড়কাপ্তানি বিভাগৰ সংসদীয় সচিব বিবেকানন্দ দলৈয়ে মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নয়নৰ স্বাৰ্থত দুই লাখ টকা বিধায়ক পুঁজিৰ পৰা অনুদান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। লগতে জিলা পৰিষদৰ সভানেত্ৰী তাপসী চক্ৰবৰ্তীয়ে বিশিষ্ট অতিথিৰ ভাষণত মহাবিদ্যালয়খনৰ প্ৰাচীৰৰ আৰু শৌচাগাৰ নিৰ্মাণ কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। মুকলি সভাখনৰ সভাপতিত্ব কৰে জাগীৰোডৰ বিশিষ্ট নাগৰিক তথা কংগ্ৰেছী নেতা নন্দলাল উপাধ্যায়ে। পুৱাৰ ভাগত পতাকা উত্তোলন কৰে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতি... সম্পাদক তথা সমাজকৰ্মী দীপন নাথে... সেইদিনা মহাবিদ্যালয়খনৰ চৌহদ... বৃক্ষৰোপণ কাৰ্যসূচীও ৰূপায়ণ ... সহস্ৰাধিক ৰাইজৰ উপস্থিতি... দিৱসত অংশগ্ৰহণ কৰে ... বিষয়া মুকুল তামুলী ... দীৰাজ মোহন ক... তালেসংখ্যক ... অধ্যক্ষ ...

পঞ্চদশ প্ৰতিষ্ঠা দিৱসত পতাকা উত্তোলন কৰা মায়ং খনিকৰ বিশিষ্ট সমাজকৰ্মী তথা প্ৰতিষ্ঠাপক সম্পাদক দীপন চন্দ্ৰ নাথ এতিয়া আৰু নাই। এতিয়া সেইগৰাকী মহীৰূহৰ অনুপস্থিতিত আজি ৰূপালী জয়ন্তীত কিবা এটা উকাঁ উকাঁ লাগিছে।

## সমস্যাৰ আৱৰ্তত ঝাৰগাঁও প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ

# কিৎসক-নাৰ্ছ-ঔষধৰ অভাৱত ৰোগীৰ হাৰাশাস্তি

নেৰ, মায়ং, ১ নৱেম্বৰ : ৭৯ নং জাগিৰোড বিধানসভা সমষ্টিৰ ঝাৰগাঁও প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ। প্ৰায় দুই লক্ষাধিক লোকৰ কল্যাণৰ একমাত্ৰ ভৰসা এই স্বাস্থ্যকেন্দ্ৰটোৰ সমস্যা ৰ ভিতৰত প্ৰধান সমস্যাটোৱেই হ'ল চিকিৎসক-নাৰ্ছৰ অভাৱ। কেন্দ্ৰটোৰ জনসংখ্যা অনুপাতে চিকিৎসক-নাৰ্ছ নথকা দুখীয়া ৰাইজ বহু সময়ত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে। ইয়াত পাঁচজন চৰকাৰী চিকিৎসকক নিযুক্তি দি থোৱা হৈছে যদিও কেন্দ্ৰত তিনিজনকহে দেখা পোৱা যায়। ইয়াৰে ড° ...তালুকদাৰ (ভাৰপ্ৰাপ্ত চিকিৎসক) আৰু গণেশ দাসে (...দেৱিক) দুটা জৰাজীৰ্ণ চৰকাৰী আবাসগৃহতে থাকি জীৱন নিৰ্বাহ কৰি আছে। আনহাতে ড° ভুবনেশ্বৰ নাথৰ বিৰুদ্ধে ... নামত ধন সংগ্ৰহ কৰাৰ ... আছে। আন দুজনৰ মুখীন ... সমষ্টিৰ যোগৰা ... স্বাস্থ্যকেন্দ্ৰত আৰু আইনৰ বহুমান নামৰ চিকিৎসকজনক ... সময় কৰি যোৱাত এই স্বাস্থ্যকেন্দ্ৰটোত চিকিৎসকৰ ...ছে। ঝাৰগাঁও প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ 'মেইন ভাতৰ' ...গিষ্ট আব্দুল মতিকে সম্প্ৰতি বাহিৰত চিকিৎসা সেৱা ... তুলি জানিব পৰা গৈছে। ইপিনে স্বাস্থ্যকেন্দ্ৰটোত ঔষধ ... পৰ্যাপ্ত নহয়। জিলাৰ স্বাস্থ্য বিভাগে যি পৰিমাণৰ ঔষধ-... দিয়ে যোগান ধৰিব লাগে সেই পৰিমাণৰ যোগান নধৰাত ...ৰ ঔষধৰ পৰাও বঞ্চিত হৈছে দুখীয়া ৰোগীসকল। কথা হাইফেক পত্ৰান দিয়াৰ দৰে অসম চৰকাৰৰ স্বাস্থ্য বিভাগে ঝাৰগাঁও প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ঔষধ যোগান ধৰি জনসাধাৰণক আতুৰা ভাৱৰ অভিযোগ উত্থাপিত হৈছে। স্বাস্থ্যকেন্দ্ৰটোৰ অধীনত বৰ্তমান জনস্বাস্থ্য বিভাগৰ দুজন আৰু মেলেৰীয়া বিভাগৰ ১১ জনকৈ এছ ডব্লিউ কৰ্মীৰ অভাৱ হৈ আছে। বিভাগীয় নিয়মমতে প্ৰতি ৫ হেজাৰ জনসংখ্যাৰ বিপৰীতে একেগৰাকী নাৰ্ছ নিযুক্তি দিব লাগে যদিও বৰ্তমান দহ হেজাৰৰ বিপৰীতে এগৰাকী নাৰ্ছহে সেৱা আগবঢ়াই আছে। এই স্বাস্থ্যকেন্দ্ৰটোত বিশুদ্ধ খোৱাপানীৰ সমস্যাই প্ৰকট ৰূপ ধাৰণ কৰিছে। ১৭ জন চিকিৎসক-নাৰ্ছ-কৰ্মচাৰীৰ মাজত মাত্ৰ এটা নলকূপ ব্যৱহাৰৰ বাবে আছে যদিও ফাৰ্মাচিষ্টজনে সেয়া নিজা খৰচেৰে পুতি লোৱাহে। বিশুদ্ধ খোৱাপানীৰ অভাৱৰ প্ৰায়েই

### সমস্যা সমাধানৰ দাবী স্বাস্থ্যমন্ত্ৰীক

দুৰ্ভোগ ভুগি আহিছে ৰোগীৰ লগতে চিকিৎসক-কৰ্মচাৰীসকলে। আনহাতে স্বাস্থ্যকেন্দ্ৰত ৰোগী অনুপাতে বিছনাৰ যথেষ্ট অভাৱ। বাইতে ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰাৰ দাবী দীৰ্ঘদিন ধৰি জনাই আহিছে যদিও জনপ্ৰতিনিধিৰ ৰাইজৰ দাবীৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাই। চৰকাৰে ৬ খন বিছনালৈহে নাৰ্ছিং সামগ্ৰী স্বাস্থ্যকেন্দ্ৰটোৰ বাৰাণ্ডা আৰু কক্ষতে থকা দুৰৱি বনতে ৰোগী শুই থকা প্ৰায়ে দেখা পোৱা যায়।

আন এটা অন্যতম সমস্যা হ'ল— স্বাস্থ্যকেন্দ্ৰটোৰ চৌহদত থকা। চিকিৎসক-নাৰ্ছ তথা কৰ্মচাৰীসকলৰ আবাসগৃ... আটাইকেইটাই জৰাজীৰ্ণ। একেদৰে ভাল শৌচাগাৰৰ অ... প্ৰভাৱগৰে নথকাত চিকিৎসক-কৰ্মচাৰীয়ে যথেষ্ট অসুবিধা ভো... কৰিবলগীয়া হৈছে। তদুপৰি নিৰ্মাণ কৰাৰ দিনৰে পৰা আজি... চৰকাৰী গৃহবোৰৰ মেৰামতি নকৰাত দিনকদিনে ভাঙি-পৰি ... আছে। আন এটা সমস্যা হ'ল স্বাস্থ্যকেন্দ্ৰৰ মাটিত ব্যাপক বেদখ... আৰু বেদখলকাৰীসকলে সততে চুৰি কাৰ্যৰে উপদ্ৰৱ চলা... স্বাস্থ্যকেন্দ্ৰৰ নামত পূৰ্বৰেই ২০ বিঘা মাটি আবণ্টিত আছে যদি... বৰ্তমান এয়াৰ বেদখলকাৰীয়ে স্বাস্থ্যকেন্দ্ৰৰ মাটি জোৰ-জুলুম... বেদখল কৰি আছে। এই স্বাস্থ্যকেন্দ্ৰটোত সঘন চুৰিৰ ... একাংশই বেদখলকাৰীকে সন্দেহ কৰে। উল্লেখ্য যে অলপ... এই স্বাস্থ্যকেন্দ্ৰৰ কাৰ্যালয়... ম'বাইল কোনটো চুৰি হয় আৰু ... খন প্ৰাচিৰৰ চকীও কাৰ্যালয়ৰ প... চুৰি হয়। বেদখলকাৰীসকলক শীঘ্ৰেই ইয়াৰ পৰা উচ্ছেদ কৰ... দাবী জনাইছে ৰাইজে। আনহাতে স্বাস্থ্যকেন্দ্ৰটোৰ চিকিৎস... নাৰ্ছ আৰু মেলেৰীয়া বিভাগৰ দায়িত্বত থকাকেইজনে ৰাইজ... পৰা চিকিৎসাৰ নামত ধন লোৱাৰ অভিযোগ ৰাইজৰ মুখে মুখে... জন্ম-মৃত্যুৰ প্ৰমাণপত্ৰক লৈও ব্যৱসায় চলি থকাৰ অভিযোগ আছে... সেয়েহে স্থানীয় ৰাইজে শীঘ্ৰেই স্বাস্থ্যকেন্দ্ৰটোৰ প্ৰতিটো অভাৱ... সমস্যা সমাধান কৰাৰ লগতে ঔষধ-পাতিকে ধৰি সকলোবো... অভাৱ দূৰ কৰাৰ বাবে দাবী জনাইছে স্বাস্থ্যমন্ত্ৰীক।

ড° যতীন তালুকদাৰ ভাৰপ্ৰাপ্ত স্বাস্থ্য বিষয়া থকা সময়তো কংগ্ৰেছ চৰকাৰেই আছিল। তাৰ পৰবৰ্তী সময়ত ঝাৰগাঁও প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ বহুখিনি সমস্যা আঁতৰিল। এতিয়া ৪/৫ জন চিকিৎসক। ঘৰ দুৱাৰবোৰো আটকধুনীয়া হ'ল। কিন্তু কিছু সমস্যা সমস্যা হৈয়ে ৰ'ল।

# ...স্যাৰে জৰ্জৰিত বৃহত্তৰ মায়ং অঞ্চল

□ এম নজৰুল ইছলাম

মায়ং, ২৬ জুন : মৰিগাঁও জিলাৰে পশ্চিম প্ৰান্তত অৱস্থিত বৃহত্তৰ মায়ং অঞ্চল। কি নাই অঞ্চলটোত? চাবলৈ গ'লে সম্প্ৰতি অঞ্চলটো উন্নতিৰ চৰম শিখৰত উঠিব লাগিছিল। প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ অঞ্চলটোত আছে এখন অভয়াৰণ্য যাৰ নাম পবিতৰা, কেইবাখনো সৰু-ডাঙৰ পাহাৰ, নদী-বিল বহুকেইখন, য'ত আছে নানান তৰহৰ মাছ, পশু-পক্ষী আৰু খেতি উপযোগী কেইবাখনো পথাৰ। আৰু বহুত কিবাকিবি থকা সত্বেও অঞ্চলটোৱে আজিকোপতি উন্নয়নৰ মুখ দেখা নাপালে। এশ-এবুৰি সমস্যাৰে জৰ্জৰিত এই অঞ্চল।

■ যাতায়তৰ সমস্যা : যোগাযোগৰ দিশত মায়ং যথেষ্ট পিচপৰা। অঞ্চলটোৰ ভিতৰুৱা গাঁওসমূহৰ বাট-পথৰ অৱস্থা শোচনীয়। অঞ্চলটোৰ বহুকেইটা গুৰুত্বপূৰ্ণ পথ বানপানীয়ে বহাই নিয়াত বৰ্তমান ডাঙৰ ডাঙৰ পুখুৰীসদৃশ গাঁতৰ সৃষ্টি হৈছে। যাৰ ফলত বৰ্তমান এজাক বৰষুণ দিলেই গাড়ী-মটৰতো দূৰৰে কথা ঠেলা, চাইকেল বা সাধাৰণ পথচাৰীসকলে অহা-যোৱা কৰাটোও বন্ধ হৈ পৰে। ৰোগীক কান্ধত সাঙী কৰি মহৰ গাড়ী বা ঠেলাৰে বহু ভিতৰুৱা ঠাইৰ পৰা আনি ঝাৰগাঁও প্ৰাথমিক চিকিৎসালয়ত ভৰ্তি কৰায়। বাৰিষা কালত প্ৰায় ৪০ খনমান গাঁৱৰ ৰাইজে সাধাৰণ নাও, মেচিনচালিত না... আৰু কুৰক... বাহন হিচাপে ব্যৱহাৰ কৰে। ... ৰাইজৰ ... দীঘলীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই ... টকাৰে চৰকাৰে ভকতগাঁৱৰ পৰা ... কাজলী ... যোৱা পথৰ ... পথছোৱাৰ পৰ্য ... নিৰ্মাণ ... হাতত লৈছে। কামটো ইতিমধ্যে সম্পূৰ্ণ কৰি ... যদিও আজিলৈ মাটি পেলোৱা ... সেই শেষ ...।

■ চিকিৎসাৰ স... : স্বাস্থ্য ... নামত চৰকাৰী ঢাক-ঢোল বজাই ... সময়... ধৰ মায়ং অঞ্চলত আজিকোপতি এ... উন্নতমানৰ ... কেন্দ্ৰ স্থাপন নহ'ল। বহু সময়ত অ... লটোৰ বহু ... চিকিৎসাৰ ক্ষেত্ৰত দুৰ্ভোগ ভোগ... বিলম্বিত হৈছে। অঞ্চলটোৰ মায়ং, ঝাৰগাঁও আৰু ম... ত তিনিখন ... প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আছে যদিও জন... ধাৰণে ইয়া... পৰা উপকৃত হোৱা নাই। কাৰণ ৰো... অনুপাতে ডাক্তৰ, কৰ্মচাৰী, ধৰৰ আদি নথকাত ... চল্লিশ কি... মিটাৰ দূৰৰ মৰিগাঁও অসামৰিক চিকি... লয় বা গুৱাহাটীলৈ প্ৰেৰণ কৰিবলগা হয়।

■ শিক্ষাৰ সমস্যা : শিক্ষাৰ দি... অঞ্চলটো একেবাৰে পিচপৰা। অঞ্চ... ত বহুতো ... চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠান আছে যদিও বিদ্যালয়খনৰ আহবাবৰ অভাৱ, উপযুক্ত শিক্ষকৰ অভাৱ আৰু শিক্ষকৰ সঘন অনুপস্থিতিয়ে ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট ক্ষতিসাধন কৰিছে। শিক্ষাৰ হাৰ কম হোৱাৰ কাৰণে অঞ্চলটোত কুসংস্কাৰ, অন্ধবিশ্বাস আজিও আছে।

■ কৃষি সমস্যা : অঞ্চলটোৰ প্ৰায় ৯০% লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। বৰো খেতিৰ কাৰণে মায়ংবাসীয়ে যথেষ্ট পাৰদৰ্শিতা দেখুৱাব পাৰিছে। কেইবা হেজাৰ বিঘা মাটিত বৰো ধানৰ খেতি কৰা হয় যদিও চৰকাৰে আজিলৈকে উন্নত কৃষিকৰ্মৰ বাবে দুখীয়া ৰাইজক কোনোধৰণে সহযোগ কৰা নাই। আজিও তাহানিৰ কৃষি পদ্ধতিৰেই কাম চলাই থাকিবলগা হৈছে। ইফালে উৎপাদন হোৱা ধানবোৰ বাহিৰৰ বজাৰলৈ পঠোৱাৰ সুবিধা নথকাত বহু কম দামতে বিক্ৰী কৰিবলগা হয়। আনহাতে ১৯৪৫-৫০ চনতেই স্থাপন হোৱা গাঁওবোৰৰ মাটি চৰকাৰে আজিলৈ ম্যাদী কৰি দিয়া নাই। ইফালে পবিতৰা অভয়াৰণ্যখনৰ অৱস্থা বৰ দুখলগা। চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ অমনোযোগিতাই শাসনাধিষ্ঠিত চৰকাৰখনৰ সোণপোলা ৰূপটো উদঙাই দিছে। চোৰাং চিকাৰীয়ে গঁড় নিধন, পশু-পক্ষী হত্যা, কাঠ কাটি বিক্ৰী কৰা আৰু এখনাৰ মাটি বেদখল কৰা আদিয়ে বন্যজন্তুৰ জনসৈ গৰাইলৈ গতি কৰা পৰিলক্ষিত হৈছে।

এশ এবুৰি সমস্যাৰে জৰ্জৰিত বৃহত্তৰ মায়ং অঞ্চলে লাহে লাহে উন্নয়নৰ মুখ দেখা পালে। যাতায়ত যোগাযোগ সুচল হৈ উঠিল। শিক্ষানুষ্ঠানৰ অভাৱ সামান্য পৰিমাণে হ্ৰাস পালে। চিকিৎসাৰ ক্ষেত্ৰত আৰু কৃষি ক্ষেত্ৰলৈ কিছু পৰিবৰ্তন আহিল যদিও কৃষকৰ দুখ কিন্তু আঁতৰা নাই।

২০০[illegible]

## 'নাবাৰ্ড'ৰ কামত ব্যাপক দুৰ্নীতি

# আজিও সম্পূৰ্ণ নহ'ল ভকতগাঁও মনহা-কাজলীচকী গড়কাপ্তানি পং

প্ৰতিনিধি সেৱা, মায়ং, ২ জুলাই : মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টিৰ অন্তৰ্গত অতি পিছপৰা বুঢ়াবুঢ়া মায়ং অঞ্চলৰ সদায়ে গুৰুত্বপূৰ্ণ পথটোৱে হ'ল ভকতগাঁও-মনহা-ঝাৰগাঁও-মায়ং কাজলীচকী গড়কাপ্তানি পথটো। স্বাধীনতাৰ পূৰ্বৰে পৰা অৱহেলিত হৈ থকা সুদীৰ্ঘ ১৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই গড়কাপ্তানি পথটো যাতায়াত-যোগাযোগৰ দিশত সম্পূৰ্ণভাৱে অৱহেলিত। অঞ্চলটোৰ শতাধিক [illegible] কৃষিজীৱী ৰাইজৰ বহুদিনীয়া দাবীৰ প্ৰতি [illegible] জনাই অসম চৰকাৰে 'নাবাৰ্ড'ৰ [illegible] কোটি টকাৰে নিৰ্মাণৰ কাৰণে [illegible] নামী-দামী ঠিকাদাৰ আৰু ব্যক্তিগত [illegible] কৰিবলৈ বাছি লৈছিল যদিও পথটোৰ কাম-কাজ সম্প্ৰতি প্ৰহসনত পৰিণত হৈছে। যোৱা ২০০১ চনৰ ছেপ্টেম্বৰৰ পৰাই পথটোৰ নিৰ্মাণৰ কাম আৰম্ভ হয় যদিও পথটোৰ নিৰ্মাণ কাৰ্য ইমানেই লাহে লাহে গতিৰে আগবাঢ়িছে যে হয়তো আৰু দুটা বছৰৰ প্ৰয়োজন হ'ব পাৰে। ১৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ ভিতৰত দহ কিলোমিটাৰ পথৰ কামকে মুঠ সাতজন ঠিকাদাৰক কৰিবলৈ দিয়া হৈছে। মৰিগাঁও জিলাৰ গড়কাপ্তানি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে দামুৰ দেশ হিচাপে পৰিচিত এই মায়ং অঞ্চলৰ দুখীয়া কৃষক ৰাইজক বুঢ়া আঙুলি দেখুৱাই ঠিকাদাৰ আৰু প্ৰতিষ্ঠানকেইটাৰ মালিক পক্ষৰ লগত গোপন বুজাবুজি কৰি ৰাইজক পুনৰ দুৰ্যোগৰ কবলত পেলোৱাৰ লগতে [illegible] ধনৰ সিংহভাগেই গ্ৰাস কৰাৰ গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে বুলি অভিযোগ উত্থাপন হৈছে। 'নাবাৰ্ড'ৰ নীতি-নিয়ম ৰাইজে নাজানে যদিও পথটোৰ নিৰ্মাণৰ কাম-কাজৰ ধৰণেহে ৰাইজৰ চকু কপালত তুলিছে। বিভাগৰ কৰ্তৃপক্ষৰ বিষয়া-কৰ্মচাৰীসকলে ৰাইজৰ চিন্তাতকৈ ঠিকাদাৰৰ লাভৰ প্ৰতিহে অধিক চিন্তা কৰি অতি নিম্নমানৰ শিল-বালি, অনুপযোগী মাটি আৰু ৪ ফুটৰ ঠাইত ২ ফুটকৈহে মাৰ্ট্ৰো কৰিবলৈ ঠিকাদাৰসকলক নিৰ্দেশ দিয়া বুলি জানিব পৰা গৈছে। বিশেষকৈ আজিও ডাবিগঠো মাটি পেলোৱা কামেই শেষ কৰিব নোৱাৰা 'আৰ ভাটিয়া' নামৰ ঠিকাদাৰজনৰ কামত আৰম্ভণিৰে পৰা দেখা দিয়া দুৰ্নীতি আৰু অনিয়মে ৰাইজক অতিষ্ঠ কৰি তুলিছে। বৰ্তমানেও এজাক বৰষুণ দিলে পথটোৰে গাড়ী চলাচল কৰিব নোৱাৰা অৱস্থা হৈ পৰে। বিভাগীয় কৰ্তৃপক্ষই দেখিও নেদেখাৰ ভাও জুৰি থকা কাৰ্যক ৰাইজে প্ৰশ্নৰ [illegible] দিছে। বিভাগটোৰ অকৰ্মণ্য কৰ্মচাৰীসকলৰ দায়িত্বহীনতাৰ ফলতেই ৰাইজে এনে ভয়ংকৰ বিপদৰ সন্মুখীন হোৱা বুলি মত ব্যক্ত কৰিছে। আনহাতে পথটোৰ মাজত নিৰ্মীয়মাণ কালভাৰ্ট কেইটাৰ নিৰ্মাণৰ কামতো ৰাইজ অসন্তুষ্ট হৈ পৰিছে। [illegible] কোনো ঠিকাদাৰে কালভাৰ্টকেইটা [illegible] মানিহে শেষ কৰিছে আৰু দুই-তিনি [illegible] অনিয়ম হৈছে। কালভাৰ্টকেইটাৰ [illegible] যাত্ৰীবাহী বাছ আৰু মালবাহী ট্ৰাকবোৰ [illegible] পাৰ কৰাব লাগে। ইফালে আৰ [illegible] নামৰ ঠিকাদাৰজনে ইতিমধ্যে সম্পূৰ্ণ [illegible] অংশবোৰত ফাট মেলা আৰম্ভ হৈছে। [illegible] সময়তে বুঢ়াবুঢ়া আৰু মায়ঙৰ মাজ [illegible] প্ৰকাণ্ড গুপ্তগাঁতবোৰ [illegible] এজন [illegible] মেৰামতি কৰিলে যদিও বৰ্তমান বৰষুণ [illegible] ভৰি-বাৰি পুনৰ আগৰ অৱস্থালৈ [illegible] বন্যাৰ 'পিটিচিং' দি মেৰামতি [illegible] যাতায়াতৰ সুচল হৈ উঠিব বুলি থাক [illegible] হৈছে। নহ'লে মায়ঙীয়া ৰাইজে যো [illegible] দৰে এইবেলিও মেচিন চালিত নাৱ [illegible] জাগীৰোড, মৰিগাঁৱৰ লগত যোগাযো [illegible] কৰিব লাগিব।

২০০১ চনত আৰম্ভ হৈছিল ভকতগাঁৱৰ পৰা ঝাৰগাঁৱলৈ পকী পথ নিৰ্মাণৰ কাম। তাৰ আগত বানপানী আহিলে ঝাৰগাঁওৰ পৰাই মেচিন চালিত নাঁৱেৰে ভকতগাঁৱলৈ যাব লাগে। বাছ চলাচল কৰা অৱস্থাত ওপৰে তলে মানুহ। মানুহ বৈ থাকিব লাগে বহুসময় ধৰি। এতিয়া যেনিবা সেই সমস্যা নাই। গাড়ী বৈ থাকে মানুহৰ বাবে।



■ মায়ঙৰ পকৰীয়া নৈৰ এপৰৰ [illegible]

২০০৪ চনতে তোলা এইখন বাঁহৰ দলং পকৰীয়া নৈ [illegible]। এতিয়া তাতে এখন নিৰ্মাণ কৰা হল নতুন [illegible] পকী দলং।



এই ফটোখন ২০০৩ চনতে তোলা। সেই বাছগাড়ীও নাই, তেনেকুৱা সমস্যাও নাই। কোঁৱৰগাঁও তিনিআলিত তোলা এইখন ফটো। কলেজত যাবলৈ বৈ আছে ছোৱালীবোৰ। দুবাৰমুখত ঠিয় দি হ'লেও হেঁচা ঠেলাৰ মাজেৰেই গৈ জাগীৰোড কলেজত অধ্যয়ন কৰিছিল।



দিন ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ৮ ছেপ্টেম্বৰ, ২০০৫/২২ ভাদ, ১৯২৭ শক

৯

নদীয়ে গঢ়ে নদীয়ে ভাঙে...

খহনীয়াৰ তাণ্ডৱ আজিও অব্যাহত। হাজাৰ হাজাৰ লোকে ঘৰ বাৰী, কৃষি ভূমি হেৰুৱালে। কিন্তু প্ৰতিৰোধ নহ'ল আজি পৰ্যন্ত।



২০০৪ চনত মায়ঙৰে বুৰগাঁৱৰ এই স্বাস্থ্যকেন্দ্ৰখনত এগৰাকী নাৰ্ছেই একমাত্ৰ ভৰষা। এতিয়া যেনিবা ডাক্তৰ নাৰ্ছ, ফাৰ্মাচিষ্ট সকলোখিনি পালে।



বুঢ়া-বুঢ়ী খোলাভূগ্ৰাম তোলা এই ফটোখন। এতিয়া তাতে পকী দলং হ'ল। কিমান যে ৰূপান্তৰ।



চোৰাং চিকাৰী গ্ৰেপ্তাৰ
গঁড়ৰ খড়্গ উদ্ধাৰ

গড়কাপ্তানি

২০০২ চনতো গঁড় হত্যা কৰি এইদৰে খৰ্গবোৰ বিক্ৰী কৰিছিল চোৰাং চিকাৰীয়ে। দুই কিলো সাতশ গ্ৰাম ওজনৰ সেই খৰ্গটোৰ মূল্য হেনো তেতিয়াৰ আন্তৰ্জাতিক ক'লা বজাৰত ৯ লাখ টকা বুলি অনুমান কৰিছিল। ২০০৬ চন মানৰ পৰা লাহে লাহে পবিতৰাত গঁড় হত্যা কমি আহিল।

# '[illegible] দেশ' মায়ঙত বিশ্ব পৰ্যটন দিৱস পালন

প্ৰতিদিন বিশেষ সংবাদ, মায়াং, ৩ অক্টোবৰ : অসম এপেক্স টুৰিজিম ডেভেলপমেণ্ট কো: অপাৰেটিভ ছ'চাইটি লিমিটেড (টুৰফেড)ৰ উদ্যোগত আৰু ভাৰত পৰ্যটনৰ উত্তৰ-পূৰ্ব আঞ্চলিক কাৰ্যালয়ৰ সহযোগত টুৰফেডৰ বৰ্তমানেঃ শাখাই প্ৰাকৃতিক-সাংস্কৃতিক আৰু পুৰাতাত্ত্বিক সমলেৰে ভৰপূৰ ঐতিহ্যমণ্ডিত যাদুৰ দেশ মায়ঙত যোৱা ২৭ ছেপ্টেম্বৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে বিশ্ব পৰ্যটন দিৱস উদযাপন কৰা হয়। পুৱাৰ ভাগত পতাকা উত্তোলন কৰে বিশ্ব পৰ্যটন দিৱস উদযাপন সমিতিৰ সভাপতি নন্দীৰ বৈৰাগীয়ে। দৃপৰীয়া কাৰ্বি নৃত্য, পথ গোহাই ৰথযাত্ৰা আদি বিভিন্ন নৃত্যৰে এটি শোভাযাত্ৰাৰ দলে অতিথি বৃন্দক ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ পৰা ডেৱ লিংগিং বাট আদৰি লৈ যোৱা দৃশ্য দিৱসৰ এক অন্যতম আকৰ্ষণ আছিল। দিনৰ ২ বজাত প্ৰদৰ্শনীৰ দ্বাৰ উদ্বোধন কৰে ভাৰত পৰ্যটনৰ উত্তৰ-পূৰ্ব আঞ্চলিক কাৰ্যালয়ৰ সঞ্চালক তথা দিৱসৰ মুখ্য অতিথি-এছ এল খাইখিয়েং। টুৰফেডৰ অধ্যক্ষ অমৰ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাখন এটি সমবেত সংগীতেৰে উদ্বোধন কৰা হয়। সভাত সন্মানীয় অতিথি হিচাপে সাহিত্য আচাৰ্য ড° গোলক চন্দ্ৰ গোস্বামীয়ে বিশ্ব পৰ্যটন দিৱস আৰু ঐতিহাসিক মায়ঙৰ বিষয়ে ভাষণ দিয়ে। মুকলি সভাত মায়ঙৰ প্ৰায় চাৰি হেজাৰতকৈ অধিক পুৰুষ-মহিলা আৰু সকলোবোৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে মায়াং আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ভগীৰথ দাসে।

২০০৩ চনতে প্ৰথমবাৰৰ বাবে বিশ্ব পৰ্যটন দিৱস মায়ঙত উদযাপন কৰা হয়। সন্মানীয় অতিথি হিচাপে উপস্থিত আছিল সাহিত্যাচাৰ্য ভাষাবিদ ড° গোলক চন্দ্ৰ গোস্বামী।



মায়ং তিনিআলিৰ পৰা চামতালৈ যোৱা সমগ্ৰ পথছোৱা অত্যন্ত বিধ্বস্ত আছিল। ২০০৩ চনতে এই ফটোখন তুলিছিলো। এতিয়া সম্পূৰ্ণ পথ পকীকৰণ হ'ল যদিও মেৰামতিৰ প্ৰয়োজন আছে।

অসমীয়া প্ৰতিদিন ■ মঙলবাৰ, ৩ জুন, ২০০৩/১৯ জেঠ ১৯২৫ শক



■ যোৱা বাৰিষাত মায়ং-চামতা পকীপথৰ গৰঙাবিলৰ ওপৰত থকা কাঠৰ দলংখন ভাগি যোৱাত সম্প্ৰতি বাঁহৰ দলংখনেই যোগাযোগৰ একমাত্ৰ মাধ্যম হৈ পৰিছে। ফটো : প্ৰতিদিন সেৱা, মায়ং

গৰঙা বিলত এতিয়া পকী দলং হ'ল। বস্তুতে সেই দলংখনত চেলফি উঠে, চিনেমাৰ দৃশ্যগ্ৰহণো কৰে। বৰ ভাল লাগে। চৰকাৰৰ যেনিবা গা লৰিল।

# ৰাজহুৱা দান-বৰঙণিৰে মায়ং বুঢ়াবুঢ়ী গড়কাপ্তানি পথ মেৰামতি

প্ৰতিদিন সেৱা

মায়ং, ১৫ নৱেম্বৰ : যোৱাটো বিধ্বংসী বানে ছিন্ন-ভিন্ন কৰি থৈ যোৱা মৰিগাঁও জিলাৰ যাতায়াত-যোগাযোগৰ দিশত অতি পিছপৰা ঐতিহাসিক মায়ং অঞ্চলৰ জনসাধাৰণৰ সদাব্যস্ত তথা অতি গুৰুত্বপূৰ্ণ নখলা-ভকতগাঁও-মনহা-মায়ংকাজলী চকী গড়কাপ্তানি পথছোৱাৰ বুঢ়াবুঢ়ীৰ পৰা মায়ঙলৈ প্ৰায় ৮ কি.মি. পথ অলপতে ৰাজহুৱা দান-বৰঙণিৰে মেৰামতি কৰি পথছোৱাৰে যোগাযোগ সুচল কৰি তোলা হয়। পথটোৰ ঠায়ে ঠায়ে প্ৰকাণ্ড প্ৰকাণ্ড একোটা গাঁতৰ সৃষ্টি হোৱাত পানী শুকোৱাৰ পিচৰে পৰা অঞ্চলটোৰ কৃষিজীৱী ৰাইজৰ লগতে চাকৰিয়াল আৰু অন্যান্য কৰ্মচাৰীসকলৰ বহিঃবিশ্বৰ লগত যোগাযোগ সম্পূৰ্ণ বন্ধ হৈ পৰে। এক নাৰকীয় যন্ত্ৰণা ভোগ কৰি নিতৌ ৮/১০ কি.মি. বাট খোজকাঢ়ি অহা-যোৱা কৰাটো এটা ভয়াবহ সমস্যা। এই অৱস্থাৰ পৰা পৰিত্ৰাণ বিচাৰি মায়ং গাঁও পঞ্চায়তৰ সদস্য-সদস্যাসকলে নিজাববীয়াকৈ বৰঙণি তুলি আংশিকভাৱে মেৰামতি কৰি বৰ্তমান দুখন ৰাছ চলাচলৰ সুবিধা কৰি দিয়ে। এই কাৰ্যত মায়ং কমাৰপুৰ সমবায় সমিতিৰ সভাপতি-সচিবেও সহায় কৰে।

এসময়ত আমাৰ অঞ্চলৰ এচাম সচেতন নাগৰিকে চান্দা বৰঙণি তুলি বুঢ়া-বুঢ়ীৰ পৰা মায়ঙলৈ পথ মেৰামতি কৰিছিল। স্বৰ্গীয় দিপন নাথে নেতৃত্ব বহন কৰিছিল। আজি কালি গাঁৱৰ বাটটোও মেৰামতি কৰাৰ মানুহ নোলোৱা হ'ল। ৰাজহুৱা শ্ৰমদান দেখাই নোপোৱা হ'লো।



## জীয়াতু ভুগিছে ৪০ হেজাৰ বানপীড়িতে

# ঝাৰগাঁও-বালিমুখ পথ পকীকৰণৰ দাবী

প্ৰতিদিন সেৱা, মায়ং, ৩০ ছেপ্টেম্বৰ : মায়ং উন্নয়ন খণ্ডৰ অন্তৰ্গত ঝাৰগাঁও গাঁও পঞ্চায়ত এলেকাৰ সদাব্যস্ত আৰু অতি গুৰুত্বপূৰ্ণ ঝাৰগাঁও-বালিমুখ পথৰ দুৰৱস্থাই প্ৰায় চল্লিশখনতকৈও অধিক গাঁৱৰ বানপীড়িত ৰাইজক জীয়াতু ভোগাই আহিছে। বান বিধ্বস্ত পকনীয়া মৌজাৰ বুৰগাঁও, আশীঘৰ, গাগলমাৰী, লেপতি, পাতকাতি গাঁও পঞ্চায়তৰ প্ৰায় চল্লিশখন আৰু ঝাৰগাঁও পঞ্চায়তৰ বালিমুখ, কলমাৰী, বৰামাৰী, শিমলুআটি, পানীগাঁও, চপৰা, চন্দ্ৰলী আদি গাঁওকেইখনৰ ৰাইজে নিতৌ অহা-যোৱা কৰা এইটোৱেই একমাত্ৰ পথ। এই পথেৰে ঝাৰগাঁও বজাৰলৈ পৰ্যাপ্ত পৰিমাণৰ মাছ-শাক, শাক-পাচলি আৰু উৎপাদিত বস্তুবোৰ বিক্ৰী কৰিবলৈ ব্ৰহ্মপুত্ৰ নদীৰ দাঁতিকাষৰীয়া চৰ-চাপৰিৰ ব্যৱসায়ীসকলেও শনিবাৰ, মঙ্গলবাৰ আৰু দেওবাৰে চাইকেলেৰে কঢ়িয়াই আনে সেই পথটোৰে বৰ্তমান যান-বাহন চলাচলটো দূৰৰে কথা পথচাৰীয়েও অশেষ কষ্ট ভোগ কৰিব লগা হৈছে। যোৱা ১৯৮৮ চনতে চৰকাৰে ৰাইজৰ দীঘলীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই ঝাৰগাঁও গড়কাপ্তানি পথৰ পৰা পকনীয়া নদীৰ পাৰলৈ ৪ কিঃ মিঃ পথ যাতায়াতৰ উপযোগীকৈ নিৰ্মাণ কৰা হৈছিল যদিও বৰ্তমান পথটো অচল হৈ পৰিছে। নিৰ্মাণ কৰাৰ পিচত পথটোৰ মেৰামতিৰ নামত আজিৰ তাৰিখলৈ মাটি এচপৰাও পৰা দেখা পোৱা নগ'ল। সেই সময়তে পথটোৰ ওপৰত শিল-বালি পেলাই পানীয়ে ক্ষতি কৰিব নোৱাৰাকৈ বন বিভাগৰ পৰা গছপুলি ৰোপণ কৰা হৈছিল। কিন্তু আজি কিছুদিনৰ পৰা এচাম দুষ্কৃতিকাৰীয়ে পথটোৰ সংৰক্ষণকাৰী আৰু পথযাত্ৰীৰ উপকাৰী গছবিলাক কাটি তছিলং কৰাত পথটোৰ কেইঠাইত পানীয়ে উফৰাই নি প্ৰকাণ্ড প্ৰকাণ্ড একোটা গাঁত সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত যোৱা বছৰ পঞ্চায়তৰ পৰা পোৱা ৮০,০০০ টকাৰে গাঁতকেইটা পোতা হ'ল যদিও পুনৰ পথটো খলা-বমা হৈ পৰিল।

২০০১ চনৰ বুধবাৰে আমাৰ বালিমুখ গাঁৱৰ পৰা ঝাৰগাঁৱলৈ যোৱা পথটোৰ বাতৰি প্ৰকাশ কৰিছিলো। মৰিগাঁও জিলা পৰিষদৰ তদানীন্তন সভানেত্ৰী তাপসী সৰকাৰ আৰু জিলা উপায়ুক্ত চবিৰ হুছেইনৰ লগত লাগি ভাগি পথটো পকীকৰণ কৰা হ'ল। বৰ্তমান পকী যদিও মেৰামতিৰ প্ৰয়োজন হৈ পৰিছে।

## ■ ব্যৱস্থা ল'বনে কৰ্তৃপক্ষই ?

# যাতায়াতৰ চৰম দুৰ্গতি

ঝাৰগাঁও, ১১ ছেপ্টেম্বৰ : মৰিগাঁও জিলাৰ ঝাৰগাঁও পঞ্চায়তৰ অন্তৰ্গত সৰহসংখ্যক গাঁৱৰ যাতায়াত ব্যৱস্থা সম্প্ৰতি তেনেই শোচনীয় হৈ পৰিছে। অঞ্চলটোৰ যাতায়াত আৰু ব্যৱসায়ৰ প্ৰধান কেন্দ্ৰস্থল ঝাৰগাঁও বজাৰ। এই ঝাৰগাঁও বজাৰৰ পৰা বালিমুখ গাঁৱলৈ যোৱা প্ৰায় তিনি কিলোমিটাৰ পথছোৱাৰে ৩০/৩১ খন মান গাঁৱৰ বাসিন্দাই দৈনিক অহা-যোৱা কৰে। পথছোৱাৰ কেইবা অংশ বানপানীয়ে দুবছৰ আগতে উটুৱাই নিয়াৰ পাছত আজিলৈ তাৰ মেৰামতি কৰা নহ'ল। পথছোৱাৰ এনে দুৰৱস্থাৰ ফলত ৰাইজৰ লগতে স্কুল-কলেজলৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈ পৰিছে।

আনহাতে, উক্ত পথছোৱাৰ পুনৰ মেৰামতিৰ নামত আজিলৈ এচপৰা মাটিও নপৰিল। ফলত খৰালি দিনতো এজাক বৰষুণ দিলেই পথৰ একোটা একোটা গাঁত পুখুৰী সদৃশ হৈ পৰে। গড়কাপ্তানী বিভাগ আৰু স্থানীয় বিধায়কে এই ক্ষেত্ৰত কোনো গুৰুত্ব নিদিয়া বুলি ৰাইজে অভিযোগ কৰিছে।

চৰকাৰ তথা প্ৰশাসনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ এনেদৰে কেবাটাও বাতৰি প্ৰকাশ কৰিছিলো নিজে ঘৰৰ পৰা অহা-যোৱা কৰা পথটোৰ।



৫

আজিও সম্পূৰ্ণ নহ'ল ভকতগাঁও মনহা-কাজলীচকী গড়কাপ্তানি পথ। গোলাঘাটত অবাধে চলিছে সুৰাৰ বেহা।

আজিৰ সংখ্যা কাকতৰ ...

প্ৰতিদিন কাকতৰ প্ৰথম পৃষ্ঠাৰ ওপৰত সোঁফালে এনেদৰে প্ৰকাশ পাইছিল ভকতগাঁও-মনহা, মায়ং-কাজলীচকী পথৰ কথা। বৰ গুৰুত্বসহকাৰে বাতৰিটো প্ৰকাশ কৰা হৈছিল। সেইকাৰণে এই টুকুৰাটো কাটি ৰখা হৈছিল। ভাবিছিলো, কেতিয়াবা কামত আহিব।



এয়া মায়ঙৰ মুৰকাটাৰ দৃশ্য। এতিয়া ইয়াত এখন দলং আছে। কিন্তু দলঙৰ দুই মূৰ ক্ৰমাৎ বহিবলৈ ধৰিছে।

## পবিতৰা দৰ্শন কৰিলে পোলেণ্ডৰ ৰাষ্ট্ৰদূতে

প্ৰতিদিন সেৱা, মায়ং, ২৯ মাৰ্চ ঃ দেশী-বিদেশী পৰ্যটকেৰে উদুলি-মুদুলি হৈ থকা পবিতৰা অভয়াৰণ্যৰ নৈসৰ্গিক দৃশ্য উপভোগ কৰিবলৈ কালি পোলেণ্ডৰ ৰাষ্ট্ৰদূত ড° মাজকা পুৱা ৭ বজাত পবিতৰাত উপস্থিত হয়। ৰাষ্ট্ৰদূতগৰাকীৰ লগতে সেই দেশৰ এজন কাউন্সিলৰো পবিতৰালৈ আহি হাতীৰ পিঠিত উঠি পবিতৰাৰ মনোমোহা দৃশ্য উপভোগ কৰে। কম সময়ৰ ভিতৰত একাধিক এশিঙীয়া গঁড়ে বিচৰণ কৰি থকা দৃশ্যই ৰাষ্ট্ৰদূতগৰাকীক বাৰুকৈয়ে আকৰ্ষিত কৰে। ৰাষ্ট্ৰদূতগৰাকীয়ে পবিতৰা অভয়াৰণ্যৰ কৰ্তৃপক্ষক দক্ষ পৰিচালনাৰ বাবে প্ৰশংসা কৰে। যাদুৰ দেশ মায়ঙৰ লগতে মৰিগাঁও জিলাৰ গৌৰৱ পবিতৰা অভয়াৰণ্যত পোলেণ্ডৰ ৰাষ্ট্ৰদূতগৰাকীৰ পদাৰ্পণে অন্য এক আশাৰ বতৰা কঢ়িয়াই আনিব বুলি স্থানীয় ৰাইজে আশা কৰিছে।

কেৱল পোলেণ্ডৰে নহয় ইতিমধ্যে কেবাখনো ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতে পৰিদৰ্শন কৰি গ'ল পবিতৰা।



## পকৰীয়া নদীত দলং নিৰ্মাণৰ দাবী

মায়ঙৰ পকৰীয়া মৌজা এটা নদীদ্বীপৰ দৰে আছিল। পকৰীয়াত এখন দলং লাগে বুলি কিমান যে লিখিলো। কংগ্ৰেছৰ প্ৰাক্তন বিধায়ক বিবেকানন্দ দলৈৰ কাৰ্যকালত পকৰীয়া নৈৰ ওপৰত বালিমুখত প্ৰথমখন, খোলাভূএগ্ৰাত দ্বিতীয়খন আৰু শিলডুবিত তৃতীয়খন পকী দলং নিৰ্মাণ কৰাৰ উপৰিও ভিতৰুৱা কেবাখনো গাঁৱত ৪/৫ খন পকী দলং নিৰ্মাণ কৰি যাতায়ত সুচল কৰি দিলে যদিও বানপানী আহিলে নাৰেই একমাত্ৰ ভৰষা। বৰ্তমান তেতেলিগুৰী পাৰঘাটতত আৰু এখন দলঙৰ প্ৰয়োজন আছে।

ই কুকুৰাৰী গাঁৱৰ
খৰত হৈ দিয়া
মায়ং পানৰি
ফ্ৰাটো

## গড়কাপ্তানি পথৰ জৰাজীৰ্ণ ৰূপ

# বিভাগীয় কৰ্তৃপক্ষ-ঠিকাদাৰ কুম্ভকৰ্ণ নিদ্ৰাত

প্ৰতিদিন বিশেষ সংবাদ

মায়ং, ১০ জুলাই : মায়ং অঞ্চলৰ বহিজে জাগীৰোড, মৰিগাঁও, নগাঁও, গুৱাহাটী আদি ঠাইলৈ অহা-যোৱা কৰা জেনাত্র গড়কাপ্তানি পথছোৱাবোৰে আজি এমাহ ধৰি যান-বাহন চলাচল কৰিব নোৱাৰাত শতাধিক গাঁৱৰ জনসাধাৰণৰ জনজীৱন ব্যাহত হোৱাৰ লগতে বহিজ্ঞ হ্ৰষ্ট সমস্যাত পৰা দেখা গৈছে। বিশেষকৈ চাকৰিয়াল, ছাত্ৰ-ছাত্ৰী আৰু ব্যৱসায়ীসকল সুদীৰ্ঘ দিন ধৰি বাধ্য সেৱা কৰি হৈ পৰাত অত্যন্ত বিমোৰত পৰা পৰিলক্ষিত হৈছে। মঙ্গলতা ধনৰ আশাত কেইজনমান প্ৰথম শ্ৰেণীৰ ঠিকাদাৰ আৰু ব্যক্তিগত কোম্পানীৰ মালিকে অঞ্চলটোৰ নাগৰিকসকলক লৈ হেতালি খেলি থকাৰ সময়তো ৰাজ্যৰ গড়কাপ্তানি বিভাগটোৰ উচ্চপদস্থ বিষয়াসকলে জানি-বুজিও চকুমুদা কুলিৰ ভাও ধৰাৰ লগতে ঠিকাদাৰকেইজন কুম্ভকৰ্ণ নিদ্ৰাত পৰিছে।

হৈ গুৱাহাটীলৈ যোৱা গড়কাপ্তানি পথছোৱা। উক্ত পথছোৱাৰ নিৰ্মাণৰ কাম একেবাৰে শামুকীয়া গতিত হোৱাৰ ফলস্বৰূপে পথটোৰে বৰ্তমান যাতায়াত কৰোঁতে বাহিজে নাৰকীয় যন্ত্ৰণা ভোগ কৰিবলগা হোৱাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। যিহেতু নাবাৰ্ডৰ অৰ্থসাহায্যৰে নিৰ্মীয়মাণ পথছোৱাৰ কাম অনিয়মীয়া হোৱাত আজি দুমাহমানৰ পৰা পথটোত এজাক বৰষুণ দিলেই এনেধৰণৰ গাড়ী-মটৰৰ চলাচল ব্যাহত হৈ থাকে। যোগীৰ ঠেলা বা গৰু-ম'হৰ গাড়ীৰে অনা-নিয়া কৰিব লাগে। চাকৰিয়াল আৰু ছাত্ৰ-ছাত্ৰীসকলে পাৰাবটিলাৰ বা চাইকেলেৰে জাগীৰোড আৰু মৰিগাঁৱলৈ যোগাযোগ ৰক্ষা কৰি চলি আহিছে। অঞ্চলটোৰ ঝাৰগাঁও-বুৰাবুৰি বজাৰৰ ব্যৱসায়ীসকলে বস্ত্ৰ-সম্ভাৰসমূহ ভকতগাঁৱৰ পৰা কঢ়িয়াই নিয়াৰ সুবিধা নথকাত আজি কিছুদিনৰ পৰা অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনিয়ে অঞ্চলটোৰ বহিজৰ ভুকলা কৰি

পথটোৰ দুৰৱস্থাৰ কাৰণে অত্যধিক কম দামত বি... কৰিবলগা হোৱাত খেতিয়ক বাহিজে পদে পদে বি... সন্মুখীন হ'বলগাত পৰিছে। কাৰণ ব্যৱসায়ীসকলে ক্ৰয় কৰি বাহিৰলৈ পঠোৱাৰ কোনো সুবিধা নথ... ধান কিনাটো বন্ধই কৰি দিছিল। উক্ত গড়কা... পথছোৱাত এতিয়া তুই ফুট পৰা হোৱাত পথ... নদীৰ ওপৰেদি মেচিনচালিত নাৱেৰে যোগাযোগ... উলিয়াই লৈছে। এই ডিজেল মেচিনচালিত মৰিগাঁওৰ ওচৰৰ বাচনাঘাট নামৰ ঠাইত ৰখাই। নাৱেৰে কিছুসংখ্যক ব্যৱসায়ীয়ে ধান ক্ৰয় বাচনাঘাটলৈ নিয়া আৰম্ভ কৰিছে যদিও আধাৰ... নদীৰ মাজত বৈ থকা এটা দুষ্ট চক্ৰৰ দলে ধন কৰা বুলি ব্যৱসায়ী কেইজনমানৰ পৰা জানিব গৈছে। সেয়েহে অঞ্চলটোৰ জীয়াতু ভুগি থকা ব... প্ৰতিশীঘ্ৰে নিৰ্মীয়মাণ পথছোৱাৰ মাজত সৃষ্টি ...

পথৰ নিৰ্মাণ কাৰ্য চলি থকা সময়ত এই বাতৰি। লেহেমীয়া হোৱাৰ বাবে খেতিয়কৰ শ্ৰম অথলে গৈছিল। বাতৰিটো পঢ়াৰ পিছত কাহিনীটো গম পোৱা যাব।



■ মেৰামতিৰ অভাৱত জহি-খহি গৈছে মায়ং জলসিঞ্চন আঁচনিৰ নলা এটাৰ অংশ। ফটো : প্ৰতিদিন সেৱা, মায়ং

পৰৱৰ্তী সময়ত কোটিটো অধিক টকা খৰছ কৰি মেৰামতি কৰি দিলে এই আঁচনিখন।


# পবিতৰা অভয়াৰণ্যত গঁড় পিয়ল সম্পন্ন

## ১৮ টা মতা, ৩০ জনী মাইকী আৰু ৩৩ টা পোৱালি

নজৰুল ইছলাম

মায়ং, ১৬ এপ্ৰিল : অসমৰ কাজিৰঙা আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যানত গঁড়ৰ পিয়ল সম্পন্ন হোৱাৰ পিচতে যোৱা আঠ এপ্ৰিলত পৃথিৱীবিখ্যাত এশিঙীয়া গঁড়ৰ বিচৰণভূমি পবিতৰা অভয়াৰণ্যতো পিয়লৰ কাম সম্পন্ন হয়। বন বিভাগ কৰ্তৃপক্ষৰ জৰিয়তে সম্পন্ন হোৱা গঁড় পিয়লমতে পবিতৰাত গঁড়ৰ সংখ্যা হৈছেগৈ ৮১ টা। ১৯৯৯ চনত চলোৱা পিয়লমতে পবিতৰাত ৭৪ টা গঁড় পোৱা গৈছিল। জানিব পৰামতে ১৯৯৯ চনৰ পিছত চোৰাং চিকাৰীৰ উৎপাত আৰু বেমাৰত পৰি গঁড়ৰ মৃত্যু নোহোৱাহেঁতেন এইবাৰৰ পিয়লত ৯০ টাতকৈও অধিক গঁড় পবিতৰাত পোৱা গ'লহেঁতেন। পবিতৰাৰ বনাঞ্চলিক বিষয়া মুকুল তামুলীৰ পৰা জানিব পৰামতে পবিতৰাত বৰ্তমান ওঠৰটা মতা, ত্ৰিশজনী মাইকী আৰু তেত্ৰিশটা কৈশোৰ অৱস্থাপ্ৰাপ্ত গঁড় থকাৰ সন্ধান পোৱা গৈছে। অভয়াৰণ্য কৰ্তৃপক্ষই বন বিভাগৰ অন্য বিভাগীয় বিষয়া-কৰ্মচাৰী তথা স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত চলোৱা পিয়লৰ বাবে ৩৫ বৰ্গ কিলোমিটাৰৰ পবিতৰাখনক মুঠ চৈধ্যটা ব্লকত ভাগ কৰি লোৱা হৈছিল। চোৰাং চিকাৰীৰ দৌৰাত্ম্য, বানপানী, চৌপাশৰ গাঁও-খেতিপথাৰ আদিৰ মাজতো পবিতৰা অভয়াৰণ্যত গঁড় বৃদ্ধি পোৱাটো ৰাজ্যৰ বন্যপ্ৰাণী খণ্ডত আশাব্যঞ্জক বাতৰি বুলি ইতিমধ্যে পৰিগণিত হৈছে।

২০০৬ চনত গঁড়ৰ পিয়ল কাৰোতে সৰ্বমুঠ ৮১ ১ টা পোৱা গৈছিল। এতিয়া পিছে এশ অতিক্ৰম কৰিছে।



বালিমুখ প্ৰাথমিক বিদ্যা

## :চাৰি শতাধিব ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক

প্ৰতিদিন সেৱা

মায়ং, ৪ এপ্ৰিল ঃ মায়ং প্ৰাথ শিক্ষা খণ্ডৰ অন্তৰ্গত ঝাৰগাঁ পঞ্চায়ত এলেকাৰ বালিমুখ প্ৰাথমিক বিদ্যালয়ত এজন শিক্ষকে চাৰি শতাধিক ছাত্ৰ ছাত্ৰীক পাঠদান দিব লগা হৈছে শিক্ষাৰ দিশত তেনেই পিচপ গাঁওখনত প্ৰাথমিক বিদ্যালয়খনেই একমাত্ৰ চৰকা শিক্ষানুষ্ঠান। বৰ্তমান বিদ্যালয়খনত কলবাৰী, চপ কাটাখাল, নতুন বস্তি, সৰুব আৰু বালিমুখ গাঁৱৰ ছাত্ৰ- ছাত্ৰীসকলে শিক্ষাগ্ৰহণ কৰি আছে। প্ৰাথমিক শিক্ষা শেষ ক এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসক ৩/৪ কিলোমিটাৰ বাট খো কাটি এম ই, হাই আৰু কলেজীয়া শিক্ষা গ্ৰহণ কৰিব ঝাৰগাঁও, বুঢ়াবুঢ়ীলৈ যাব লা চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চি অসমীয়া মুছলমান বসতিপ্ৰধা এই গাঁওখনত ১০০ টা পৰিয় খেতি-বাতি, সৰু-সুৰা ব্যৱসা কৰি যেনে-তেনে চলি আছে চৰকাৰী চাকৰি বুলিবলৈ গাঁওখনত মাত্ৰ দুজন চৰকা শিক্ষক। এলেকাটোৰ ভালেকেইখন বিদ্যালয়ত ছা ছাত্ৰী অনুপাতে শিক্ষক থক সত্বেও তেওঁলোকক গাঁও শি সমিতিৰ সচিবৰ দায়িত্ব অপ কৰাত এজন শিক্ষকে পাঠদা দায়িত্ব ল'বলগা হোৱাত সম্প্ৰতি বিদ্যালয়খনত অচলাৱস্থাই দেখা দিছে।

এতিয়া সৰ্বমুঠ ৮ গৰাকী শিক্ষক আছে বিদ্যালয়খনত।



ছিন্ন-ভিন্ন বাট-পথ ঃ বিধ্বস্ত কৃষিভূমি

## বানে খোৱা মায়ঙত দুৰ্ভিক্ষৰ আশংকা

■ নজৰুল ইছলাম

মায়ং, ১৪ আগষ্ট ঃ ব্ৰহ্মপুত্ৰ, কলং, কপিলী, কিলিং আদি নৈৰ সংহাৰী বানৰ কবলত পৰি সমূলঞ্চে বিধ্বস্ত হৈ পৰিছে মৰিগাঁও জিলা। জিলাখনৰ ভিতৰতে আকৌ সাম্প্ৰতিক বানে অপূৰণীয়ভাৱে ক্ষতিসাধন কৰি থৈ গ'ল বিশেষকৈ বৃহত্তৰ মায়ং অঞ্চলটোক। উন্নতিৰ ক্ষেত্ৰত অঞ্চলটো কেইবা বছৰো পিচুৱাই গ'ল। জিলাখনত এইবাৰৰ বানত ৫৯৮ খন গাঁৱৰ ৭.১৫ লাখ জনসংখ্যা আৰু ৫৬,৯৮৭.৪৮ হেক্টৰ কৃষিভূমি আক্ৰান্ত হৈছে। তাৰে ভিতৰত মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত মায়ং, মনহা, পকৰীয়া, গোভা আৰু নিজ ঘগুৱা মৌজাৰ ১৭৫ খন গাঁৱৰ ২,০০,৪২০ জন জনসংখ্যা আৰু ১৫,৫৭৫ হেক্টৰ কৃষিভূমি বানত ক্ষতিগ্ৰস্ত হোৱাই নহয় ববৰী, বাহকাজাৰী, কছুৱাগাঁও, গাগলমাৰী, লেপতি আদি গাঁওকেইখনৰ কেইবা শ বিঘা কৃষি-মাটিলৈ ব্ৰহ্মপুত্ৰ নদীৰ বিধ্বংসী বানে বালি কঢ়িয়াই আনি একপ্ৰকাৰ মৰুভূমিৰ সৃষ্টি কৰিলে। বাহকাজাৰী, ববৰী আৰু কছুৱাগাঁওকেইখনৰ আটাইকেইটা পৰিয়ালকে নদীৰ প্ৰচণ্ড গৰাখহনীয়াই গৃহহাৰা কৰিলে। কৃষিজীৱী অঞ্চলটোৰ আৰ্থ-সামাজিক দিশ হৈ পৰিছে খানবান। নৈৰ্ব শতাংশ কৃষিজীৱী লোকৰ বাসভূমি বিস্তৰ ক্ষতি হৈছে। বানে খোৱা মায়ঙত এতিয়াৰে পৰা আকাল আৰু হাহাকাৰ পৰিলক্ষিত হৈছে। কৃষকসকলে বহু দুখ-যন্ত্ৰণা সহ্য কৰি বেংক তথা মহাজন শ্ৰেণীৰ পৰা লোৱা ঋণৰ জৰিয়তে উৎপাদন কৰা বৰোধানমূঠিও এইবাৰৰ বানৰ কবলৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে। ভঁৰালৰ ধান ভঁৰালতে পচিল। শালি খেতি কৰিবৰ কাৰণে ঠিয়াৰ কঠীয়া পথাৰত দিয়া হৈছিল সেই কঠীয়াবোৰো বানে ধুই নিলে। ইয়াৰ পৰি বহিত্তে জীয়াই থাকিবৰ কাৰণে বান কমাৰ লগে লগেই পথাৰত হাল-

কৃষকৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মৰিগাঁও জিলা কৃষক পৰিষদে জিলা উপায়ুক্তলৈ সাতটা দাবীসম্বলিত এক স্মাৰকপত্ৰ প্ৰেৰণ কৰি কৃষকক সহায় কৰিবলৈ আবেদন জনাইছে। কৃষক পৰিষদৰ সভাপতি অকল হাজৰিকাই শালি ধানৰ খেতি কৰিবৰ বাবে তৎকালীনভাৱে কঠীয়া যোগান ধৰা, কৃষি ঋণ আৰু খাজনা ৰেহাই দিবলৈ জিলাখনৰ সৰ্বস্বান্ত হোৱা কৃষকসকলক দুমাহলৈ বিনামূলীয়াকৈ খাদ্য-সামগ্ৰী যোগান ধৰাৰ বাবে দাবী জনায়। আনফালে নদীকেইখনৰ ওপৰি অহা পানীৰ সোঁতে ভাঙি-ছিঙি চুৰমাৰ কৰা ঘৰবোৰ পুনৰ্নিৰ্মাণ আৰু মেৰামতি কৰি দিবলৈও সমষ্টিৰ বিধায়ক বুবুল দাসে মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ইতিহাসৰ এই সৰ্ববৃহৎ বানপানীয়ে অঞ্চলটোৰ আন্তঃগাঁথনি সমূলঞ্চে ধ্বংস কৰি পেলোৱাৰ উপৰি ৰাস্তা-ঘাটবোৰ একেবাৰে ছিন্ন-ভিন্ন কৰি পেলাইছে। অঞ্চলটোৰ যাতায়াত-যোগাযোগ ব্যৱস্থা বিচ্ছিন্ন হৈ পৰাত জিলা সদৰ মৰিগাঁও আৰু জাগীৰোড চহৰৰ লগত যোগাযোগ অচল হৈ পৰিছে। অঞ্চলটোৰ প্ৰধান প্ৰধান কেইবাটাও পকীকাষ্ঠানি পথ বানে ছিঙি পেলোৱাত গাড়ী-মটৰ চলাচল কৰাটো দূৰৰে কথা চাইকেল আৰু সাধাৰণ পদযাত্ৰীসকলেও নৰকীয় যন্ত্ৰণা ভোগ কৰি যোগাযোগ ৰক্ষা কৰি চলিবলগা হৈছে। চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই শীঘ্ৰেই পথসমূহ উন্নত কৰাৰ ব্যৱস্থা নল'লে বহিৰ্জা সাংঘাতিক অসুবিধাৰ সন্মুখীন হ'বলগীয়া পৰিস্থিতিৰ উদ্ভৱে দেখা দিছে। অঞ্চলটোৰ ভালেসংখ্যক চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান বানত ডুব যোৱাৰ পৰিপ্ৰেক্ষিতত আজিকোপতি কাম-কাজ চলাব পৰা হোৱা নাই। বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানৰ ঘৰ-বেৰৰ ক্ষতিসাধন হৈছে। সেইবোৰো তৎকালে মেৰামতি কৰাৰ প্ৰয়োজন হৈ পৰিছে। ইফালে বানবিধ্বস্ত অঞ্চলটোত বানপানী কমিছে যদিও খাদ্যহীন, শস্যহীন মেজাৰ মেজাৰজনৰ

বান শুকোবাৰ পিছত ২০০৪ চনত মায়ং অঞ্চলত এনে পৰিস্থিতিৰ উদ্ভৱ হৈছিল। এতিয়া যেনিবা দুৰ্ভিক্ষ নাই।

পকৰীয়াত খহনীয়া ঃ পবিতৰাৰ প্ৰতিও ভাবুকি

# দুমাহতে ব্ৰহ্মপুত্ৰত জাহ গ'ল এক কিলোমিটাৰ এলেকা

(2010)

মায়ং, ৭ জুলাই : ৰাজধানী চহৰ গুৱাহাটী মহানগৰীৰ পৰা নাতিদূৰৈত অৱস্থিত মৰিগাঁও জিলাৰ মায়ং ৰাজহ চক্ৰৰ অন্তৰ্গত খহনীয়াত আক্ৰান্ত পকৰীয়া আৰু মায়ং মৌজাত মহাবাহু ব্ৰহ্মপুত্ৰ নৈৰ গৰাখহনীয়া অভিও অব্যাহত আছে। নৈখনৰ প্ৰচণ্ড খহনীয়াই সংহাৰী ৰূপ ধাৰণ কৰি থকাৰ ফলত যোৱা দুটা মাহতে পকৰীয়া মৌজাৰ লেপতি আৰু গাগলমাৰী গাঁও পঞ্চায়তত প্ৰায় ১ কিলোমিটাৰ এলেকা ব্ৰহ্মপুত্ৰৰ গৰ্ভত সোমাই পৰিছে। ৭-৮ কিলোমিটাৰ দৈৰ্ঘ্য এলেকাত অতি কম সময়ৰ ভিতৰতে নৈখনে বৃহৎ অঞ্চল গ্ৰাস কৰাত গাঁওৰ কিসমৃদ্ধি পবিতৰা অভয়াৰণ্যৰ প্ৰতি প্ৰচণ্ড ভাবুকিৰ সৃষ্টি হৈছে। নৈখনৰ খহনীয়া প্ৰতিৰোধৰ নামত তৰুণ গগৈৰ চৰকাৰখনে যদি কোনোধৰণৰ আঁচনি গ্ৰহণ নকৰে তেন্তে অহা দুটা বছৰৰ ভিতৰত মায়ঙৰ হিলৈখুন্দা, ঔওৰি, দুনমাটি, মায়ং বজাৰ, চলকাকে ধৰি কুলাবুটি বজাৰ আৰু অঞ্চলটোৰ ব্যৱসায়-বাণিজ্যৰ প্ৰাণকেন্দ্ৰস্বৰূপ কাকগাঁও বজাৰখনো নৈৰ গৰ্ভত বিলীন হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। উল্লেখযোগ্য যে চলিত বানত ব্ৰহ্মপুত্ৰৰ খহনীয়াই উগ্ৰমূৰ্তি ধাৰণ কৰিছে বিশেষকৈ লেপতি আৰু গাগলমাৰীত। যোৱা এপ্ৰিল মাহৰ পৰা খহনীয়া আৰম্ভ হোৱাত নৈপৰীয়া কেইবাখনো গাঁৱৰ লোকে ঘৰ-বাৰী স্থানান্তৰ কৰিবলগা হ'ল। লেপতিৰ সান্দহখাইতী আৰু ফকিয়ামাৰী নামৰ গাঁও দুখন এইবাৰকে লৈ দহ-বাৰমান খহনীয়াৰ কবলত পৰিছে। বৰ্তমান ১-২ কিলোমিটাৰকৈ দক্ষিণে খহিজ আওৰাই আছে যদিও পুনৰ বানে সৰ্বস্বান্ত কৰে। তদ্ৰূপ গাগলমাৰী পঞ্চায়তৰ কছুবাৰীগাঁও, বৰবৰী বজাৰ, ২নং গাগলমাৰী, বাহকাজৰীকে ধৰি প্ৰায় ১২ খন গাঁৱৰ পৰিয়ালবোৰ বৰ্তমান সেই ঠাইত একেলগে থিতাপি পাবলৈ নাই। অতিৰ নোহোৱা হ'ল মৰিগাঁও জিলা পৰিষদৰ প্ৰাক্তন সভানেত্ৰী অপৰ্ণা সৰকাৰৰ গৃহভূমি বাহকাজৰীৰ। সেই দুৰ্দশাগ্ৰস্ত এলেকাৰ শিক্ষক চাহাবুল হক, হাছিম মাষ্টৰ, ইদ্ৰিছ মাষ্টৰ, ফাৰুকী, কাউন্সিলৰ মজিবুৰ, জাকিৰ, জিলা কংগ্ৰেছৰ উপ-সভাপতি মফিজুদ্দিন, ঠিকাদাৰ ইছাহক, হাজি কৰিম বক্স আদি কৰি ভালেকেইটা পৰিয়ালো খহনীয়াৰ কবলত সৰ্বস্বান্ত। আনফালে অধিবক্তা মফিজুল ইছলাম আৰু ৰফিকুল হকৰো ঘৰ-বাৰী ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হ'ল। কটাহগুৰি-গজেৰা গাঁৱত বৰ্তমান খহিজৰ মুখে কুলাই-পাচিয়ে নৰবা হৈছে। তথাপি অকৰ্মণ্য কংগ্ৰেছী চৰকাৰসকলৰ খা-খবৰ নাই।

কিমানে যে আটকধুনীয়া ঘৰ দুৱাৰ হেৰুৱাব লগা হ'ল। তাৰে এক প্ৰতিবেদন।

## ঝাৰগাঁৱত টেলিফোন এক্সচেঞ্জৰ দাবী

প্ৰতিদিন সেৱা

মায়ং, ১৭ ডিচেম্বৰ : মৰি... জিলাৰ পশ্চিম প্ৰান্তত ঐতিহা... মায়ং অঞ্চল। বৰোধান উৎপা... অসমৰ প্ৰথম স্থান দখল কৰা ... বিশলত এই বৃহত্তৰ মায়ং অ... যাতায়াত-যোগাযোগ তথা ব্যৱ... বাণিজ্যৰ প্ৰধান কেন্দ্ৰস্থল ঝাৰ... বজাৰত শীঘ্ৰেই এটা টেলি... এক্সচেঞ্জ স্থাপনৰ দাবী জনা... বানাক্ৰান্ত তথা কৃষিজীৱী ৰাই... যোৱা ১৯৯৯ চনৰ পৰা ২... চনলৈ ঝাৰগাঁও, বুঢ়াবুঢ়ী ... কৃষাণীবড়ী গাঁও পঞ্চায়তৰ ... গৰাকী টেলিফোন গ্ৰাহকে এ... আৰু পাঁচশকৈ টকা জমা... টেলিফোন সেৱা পাম্ পাম ... অধীৰ আগ্ৰহেৰে অপেক্ষা ... আছিল যদিও আগৰ এছ ডি অ... ৰাইজৰ বৃহৎ স্বাৰ্থৰ প্ৰতি জিলম... সঁহাৰি নজনালে। কিন্তু বৰ্তম... জাগীৰোড এক্সচে... বিষয়াগৰাকীক শীঘ্ৰে ৰাইজক... সেৱা যোগান ধৰিবলৈ ... জনাইছে অঞ্চলটোৰ ৰাইজে।

মো... দাস কনিষ্ঠ মহাবিদ্যালয়ৰ গৌৰৱ

## টিপচাকিৰ পোহৰত পঢ়ি কৃতিত্ব অৰ্জন কৰিলে ফৰিদাই

প্ৰতিদিন বিশেষ সংবাদ

মায়ং, ৭ জুলাই : আজিও বিজুলীবাতিৰ পোহৰে স্পৰ্শ কৰিব নোৱাৰা গাঁৱত টিপচাকিৰ পোহৰত পঢ়ি নিতৌ তিনি কিলোমিটাৰ বাট খোজকাঢ়ি মহাবিদ্যালয়লৈ অহা-যোৱা কৰিছিল ফৰিদা য়াছমিনে। ফৰিদাৰ এই কষ্ট অথলে নগ'ল। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত (কলা) পৰীক্ষাত মোহনবংশী দাস কনিষ্ঠ মহাবিদ্যালয়ৰ পৰা পৰীক্ষা দি তেওঁ লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। এই খবৰে ফৰিদাৰ কৃষক পিতৃ আৰু গৃহিণী মাতৃৰ লগতে গাঁওবাসীলৈও আশা কঢ়িয়াই আনিছে। ফৰিদাৰ ফলাফলে মহাবিদ্যালয়খনৰ শিক্ষকসকলকো আনন্দিত কৰিছে। বেচৰকাৰী মহাবিদ্যালয়খনৰ এইবাৰৰ উত্তীৰ্ণৰ হাৰ ৮০%। দুৰ্ভাগ্যৰ কথা যে মৰিগাঁও জিলাৰ এই চৰুৱা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে আজিলৈ উচ্চশিক্ষাৰ পৰা বঞ্চিত হৈ আছে। অঞ্চলটোৰ প্ৰায় ৯০% লোকেই কৃষিজীৱী। চৰকাৰ আৰু জনপ্ৰতিনিধিৰ চূড়ান্ত অৱহেলাৰ বাবেই দুৰ্ভাগ্যজনকভাৱে বহু সম্ভাৱনাময় ছাত্ৰ-ছাত্ৰীয়ে উচ্চশিক্ষাৰ পৰা বঞ্চিত থাকিবলগা হৈছে। কৃষ্ণলাল দাসে তেওঁৰ পিতৃৰ নামত দিয়া অনুদানেৰে ঝাৰগাঁৱত ১৯৯৭ চনত এই মোহনবংশী দাস কনিষ্ঠ মহাবিদ্যালয়খন স্থাপন কৰা হয়। দুৰ্ভাগ্যৰ কথা যে মহাবিদ্যালয়খনে আজিলৈ চৰকাৰৰ পৰা কোনোধৰণৰ অনুদান পোৱা নাই। ফলত এই কনিষ্ঠ মহাবিদ্যালয়খনত স্নাতক শ্ৰেণী নথকাত ছাত্ৰ-ছাত্ৰীসকল উচ্চশিক্ষাৰ পৰা বঞ্চিত হৈছে। স্থানীয় ৰাইজে বেচৰকাৰী শিক্ষানুষ্ঠানখনক চৰকাৰীকৰণ কৰাৰ লগতে কলা আৰু বিজ্ঞান শিক্ষাৰ দুয়োটা শাখাতে স্নাতক শ্ৰেণী অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

ফৰিদা আছিল অত্যন্ত দুখীয়া ঘৰৰ ছাত্ৰী। সেইকাৰণেই বাতৰিত স্থান পাইছিল ফৰিদাই

টেলিফোন এক্সচেঞ্জটো নহ'ল যদিও বৰ্তমান হাতে হাতে দুই-তিনিটা ম'বাইল ফোন আহিল। কেবাটাও টাৱাৰ নিৰ্মাণ হ'ল। থ্ৰিজি, ফৰ জি, সেৱা উপলব্ধ হ'ল। হোৱাটছআপ, ফেচবুক, ইণ্টাৰনেট চলোৱা লোক ঘৰে ঘৰে হ'ল। হাতৰ মুঠিতে সমগ্ৰ বিশ্বখন চাব পৰা হ'ল।

## মন্ত্ৰী হিমন্তবিশ্বৰ আশ্বাস অসাৰ


# মায়ং-মৰিগাঁও পথত নচলিল বাছ

■ নজৰুল ইছলাম

মায়ং, ৭ মে' ঃ নাৰেংগীৰ পৰা চন্দ্ৰপুৰ-মায়ং হৈ মৰিগাঁও-নৰ্গাঁৱলৈ যোৱা পথটো যোৱা ছেপ্টেম্বৰ মাহতে মুকলি কৰা হ'ল যদিও আজিপৰ্যন্ত পথটোৰে পৰিবহণ নিগমৰ বাছ চলাচল নোহোৱাত ৰাইজৰ যাতায়াতৰ অসুবিধা আঁতৰ হোৱা নাই। দুয়োকাষে অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ মসৃণ পথটোৰে পবিতৰা ৰাষ্ট্ৰীয় উদ্যানলৈও গুৱাহাটীৰ পৰা অতি চমু পথ। কিন্তু এই পথেৰে যাবলৈ হ'লে হয় চাৰিচকীয়া গাড়ী এখন ভাড়াত লৈ আহিব লাগিব নতুবা মটৰ চাইকেলেৰে আহিব পাৰিব। কাৰণ এই সুন্দৰ আৰু ব্যস্ত পথটোৰে বৰ্তমানলৈ চলাচল হোৱা নাই যাত্ৰীবাহী বাছ। খাৰগাঁও বজাৰৰ পৰা যদি গুৱাহাটীলৈ যাবলগা হয় তেন্তে ৫০ কিলোমিটাৰ বাটত গাড়ী সলাব লাগে পাঁচবাৰ। প্ৰথমতে খাৰগাঁৱৰ পৰা বুঢ়াবুঢ়ীলৈ পাঁচ টকা ভাড়া দি মেজিক ভান বা অ'টোৰে তাৰ পিচত বুঢ়াবুঢ়ীৰ পৰা মায়ঙলৈ ১০ টকা গাড়ী ভাড়া আদায় দি তেনেধৰণৰ সৰু-সুৰা গাড়ীৰে পাৰ হ'ব লাগে। এইবাৰ আকৌ মায়ঙৰ পৰা গোবৰ্ধনলৈ। তাতো আদায় দিব লাগে ১০ টকা। ইয়াতেই শেষ নহ'ল যাত্ৰা। গোবৰ্ধনত বৈ থাকে ট্ৰেকাৰ আৰু কেইখনমান চিটি বাছ। গোবৰ্ধনৰ পৰা এইবাৰ যাত্ৰা নাৰেংগীলৈ। গাড়ী ভাড়া ১০ টকা। যদি নাৰেংগীতেই থাকে গাড়ী ভাড়া আৰু দিব নালাগে গাড়ীও সলাব নালাগে। পিচে বাণিজ্যিক নগৰ পল্টন বজাৰ বা ফাঁচী বজাৰলৈ যাবলগা হ'লে আকৌ আন এখন গাড়ী ধৰিব লাগিব। তেতিয়াহে পল্টন বজাৰ পোৱা যায়। খাৰগাঁৱৰ পৰা পল্টন বজাৰলৈ পথটোৰ দৈৰ্ঘ্য ৫০ কিলোমিটাৰ গাড়ী ভাড়া সৰ্বমুঠ আদায় দিব লাগে ৪০ টকা আৰু অশেষ যাতনা ভোগ কৰিবলগা হয়। মৰিগাঁও আৰু নগাঁও জিলাৰ প্ৰায়সংখ্যক ব্যক্তিগত যান-বাহন এতিয়া নিতৌ এই পথেৰেই আহ-যাহ কৰে। ব্যৱসায়ীসকলেও বস্ত্ৰ-বস্তু অনা-নিয়া কৰে। কিন্তু দুখৰ বিষয় যে মৰিগাঁও আৰু কামৰূপ জিলা প্ৰশাসনে এইক্ষেত্ৰত কোনোধৰণৰ পদক্ষেপ লোৱা নাই। বিশেষকৈ মৰিগাঁও জিলাৰ পৰিবহণ বিভাগো কুম্ভকৰ্ণ নিদ্ৰাত। বিষয়াসকল সদায় এই পথেৰেই আহ-যাহ কৰে। সৰ্বসাধাৰণ যাত্ৰীয়ে জাগীৰোড হৈ গুৱাহাটীলৈ যাবলগা হয়। এটা ধুনীয়া নিবিবিলি পৰী পথ। গড়কাপ্তানি মন্ত্ৰী অজন্তা নেওগে শুভ উদ্বোধন কৰিছিল। গড়কাপ্তানি বিভাগৰ সংশ্লিষ্ট সচিব বিবেকানন্দ দলৈয়ে অসম ৰাজ্যিক পৰিবহণ নিগমৰ পৰিচালন সঞ্চালকলৈও যাত্ৰীৰ সুবিধাৰ্থে এ এছ টি চি গাড়ী চলাচলৰ বাবে এখন পত্ৰ লিখিছিল। এজন সচেতন নাগৰিক হিচাপে আমিও পৰিচালন সঞ্চালকৰ লগত যোগাযোগ কৰিছিলো। পৰিচালন সঞ্চালকগৰাকীয়ে কম দিনৰ ভিতৰত মৰিগাঁৱৰ পৰা গুৱাহাটীলৈ এ এছ টি চি বাছ দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। পিচে ৬ মাহ পাৰ হৈ গ'ল আজিলৈ চলাচল নহ'ল এখনো এ এছ টি চি বাছ। তাতোকৈ আচৰিত কথা হ'ল অসমৰ স্বাস্থ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাই যোৱা লোকসভা নিৰ্বাচনৰ সময়ত মায়ঙৰ এখন নিৰ্বাচনী সভাত উপস্থিত ৰাইজৰ আগত সদম্ভে ঘোষণা কৰিছিল যে অধিসূচনা জাৰি নোহোৱাহেঁতেন সেইদিনাই মায়ঙলৈ চিটি বাছ চলাচলৰ সুবিধা কৰি দিলেহেঁতেন। পিচে নিৰ্বাচন গ'ল কংগ্ৰেছ প্ৰাৰ্থী অনিল ৰাজা পৰাজিত হ'ল। আৰু মায়ঙলৈ চিটি বাছ সেৱা প্ৰবৰ্তন নহ'ল।

মৰিগাঁৱৰ পৰা মায়ং হৈ গুৱাহাটীলৈ এখন অসম ৰাজ্যিক পৰিবহন নিগমৰ পৰা বাছ আহিল। আমি নিজে আগভাগ লৈছিলো এই বাছখন অনাৰ ক্ষেত্ৰত। বাতৰিটোত প্ৰকাশ কৰিছো সেই কথা। কিন্তু ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰা চিটিবাছ আজিও নচলিল।

# বুঢ়ামায়ঙত শিলভঙা উদ্যোগ উদ্বোধন



■ উদ্বোধনী অনুষ্ঠানত মৰিগাঁও জিলাৰ উপায়ুক্ত এল এছ চাংছন

নিজস্ব সেৱা

মায়ং, ২৫ জুন ঃ মৰিগাঁও জিলাৰ উপায়ুক্ত এল এছ চাংছনে অলপতে বুঢ়ামায়ঙত স্থাপন কৰা শিলভঙা উদ্যোগটো উদ্বোধন কৰে। অঞ্চলটোত প্ৰথম স্থাপন হোৱা এই উদ্যোগটোৱে ইয়াৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ প্ৰতি নতুন আশাৰ সঞ্চাৰ কৰিছে। বুঢ়ামায়ঙৰ শিক্ষিত নিবনুৱা যুৱক দীপন কাঠাৰে প্ৰায় ৪ বছৰ ধৰি চলাই অহা অশেষ চেষ্টাৰ ফলত স্থানীয় লোকৰ সহযোগত জিলা খাদী আৰু গ্ৰামোদ্যোগ বিভাগ আৰু ভাৰতীয় ষ্টেট বেংকৰ ৰজামায়ং শাখাৰ পৰা লোৱা ঋণযোগে গঢ়ি তোলে এই শিলভঙা উদ্যোগটো। উদ্যোগটোৰ উদ্বোধন উপলক্ষে অনুষ্ঠিত মুকলি সভাত মৰিগাঁও জিলাৰ উপায়ুক্ত এল এছ চাংছনে মায়ং অঞ্চলৰ বহুদিনীয়া ... কৰি কাঠাৰৰ দৰে অঞ্চলটোৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলক এনেদৰে উদ্যোগ স্থাপন কৰি আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনায়। সভাত উপস্থিত থাকে মৰিগাঁও জিলাৰ খাদী আৰু গ্ৰামোদ্যোগ বিষয়া দ্বিজেন গোস্বামী, খাৰগাঁও বিদ্যুৎ উপ-সংমণ্ডল বিষয়া চৈয়দ আজিজুল হুছেইন আৰু ভাৰতীয় ষ্টেট বেংকৰ ৰজামায়ং শাখাৰ শাখা পৰিচালক লক্ষীকান্ত হাজৰিকাই এই উদ্যোগটো স্থাপন কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ কথা উল্লেখ কৰে। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ফণীভূষণ নাথে শ্ৰীকাঠাৰৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আত্মনিৰ্ভৰশীল হ'বলৈ অঞ্চলটোৰ শিক্ষিত নিবনুৱাসকলৰ প্ৰতি আহ্বান জনায়। মুকলি সভাত সভাপতিত্ব কৰে অঞ্চলটোৰ একনিষ্ঠ সমাজকৰ্মী দীপন চন্দ্ৰ নাথে।

মায়ঙৰ প্ৰথমটো শিলভঙা মেচিন বুঢ়া মায়ঙত। এতিয়া মেচিনটো বন্ধ হৈ আছে। তেতিয়া মৰিগাঁৱৰ উপায়ুক্ত আছিল এল, এছ, চাংছন।







মায়ঙলৈ গৌৰৱ কঢ়িয়াই আনিছিল প্ৰিয়ংকা মেধীয়ে। ৰাজ্যৰ ভিতৰতে চতুৰ্থস্থান দখল কৰা প্ৰিয়ংকা আছিল বৰদিয়াৰ লোকপ্ৰিয়া গোপীনাথ বৰদলৈ হাইস্কুলৰ ছাত্ৰী।




হয়, আপুনি ঠিকেই ধৰিছে। সেই গাঁওখনৰ কথা কৈছো। যোৱা ২০১৬ চনৰ পহিলা জানুৱাৰীতহে চনকালৈ পোন পোথমবাৰৰ বাবে চাৰিচকীয়া গাড়ী যাব পৰাকৈ এটা বাট উলিওৱা হ'ল। ব্ৰহ্মপুত্ৰ নৈৰ পাৰে পাৰে পাহাৰৰ শিল কাটি। এতিয়া দেশী বিদেশী পৰ্যটক যাব পৰা হ'ল। বহুতৰে চকু এতিয়া চনকাত।

## কাতি বিহুৰ পুৱা শোকাৱহ দুৰ্ঘটনাত পতিত যাত্ৰীবাহী বাছ

# মায়ঙত কুৰিজনৰো অধিক নিহত

■ বোকা-শিল দলিয়াই খেদিলে ডি চি-এ এছ পিক

■ পুলিচৰ শূন্যলৈ গুলী ■ ৯ টা মৃতদেহ উদ্ধাৰ

[illegible]



[illegible] প্ৰতিদিনৰ ফটো

## লক্ষ্মী পূজাৰ অতিথি আছিল 'গৃহলক্ষ্মী'ৰ যাত্ৰী

[illegible]

## মৰিগাঁও জিলাত চকুলোৰ বন্যা

# মৃতদেহকো সন্মান দিব নাজানিলে গড়ে চৰকাৰে

■ শিলাপেলে টানিছিল কপমানি মইনাৰ মৃতদেহ

■ গড়কাপ্তানিৰ অকৰ্মণ্যতাই দায়ী ■ তদন্ত ঘোষণা

[illegible]

■ অভিশপ্ত ভুবিটো প্ৰকৃতিৰ সৃষ্টি নহয়, ঠিকাদাৰৰ অদূৰদৰ্শিতাত সৃষ্টি

১০ জনৰ প্ৰাণ লোৱা অভিশপ্ত খাৱৈটো প্ৰকৃতিয়ে সৃষ্টি কৰা নহয়। [illegible] ধনলোভী গড়কাপ্তানি বিভাগৰ ঠিকাদাৰৰ অদূৰদৰ্শিতাত সৃষ্টি হোৱা মৰণফান্দ। প্ৰাপ্ত তথ্য অনুসৰি স্থানীয় [illegible] নামৰ ঠিকাদাৰজনে যোৱা ২০০৩-০৪ বৰ্ষত এচ ডি আৰ (বিশেষ) আঁচনিৰ ৯ লাখ টকাৰে উক্ত পথটো মেৰামতি কৰাৰ নামত পথৰ নিচেই কাষতে গাঁত খান্দি মৰণফান্দটো সৃষ্টি কৰাৰ পৰিণামত এই শোকাবহ দুৰ্ঘটনা সংঘটিত হ'ল। কমিছনৰ [illegible] গড়কাপ্তানি বিভাগৰ মৰিগাঁও সমষ্টিৰ বিষয়াসকলো নিৰ্বিকাৰ হৈ থাকিল।

■ শোকৰ বন্যাৰ সমান্তৰালকৈ সমবেদনাৰ ধল

দুৰ্ঘটনাত নিহত পৰিয়ালক গভীৰ সমবেদনা জ্ঞাপন কৰি নিহত যাত্ৰীৰ নিকটাত্মীয়ক পাঁচ লাখ টকা ক্ষতিপূৰণ দিবলৈ দাবী জনাইছে মৰিগাঁও জিলাৰ বহু সংগঠন-অনুষ্ঠান তথা ব্যক্তিয়ে। আনহাতে, আহতসকলৰ আশু-আৰোগ্য কামনা কৰাৰ লগতে চিকিৎসাৰ ক্ষতিপূৰণ হিচাপে পঞ্চাশ হেজাৰকৈ আৰ্থিক সাহায্য প্ৰদানৰ দাবী জনাইছে উক্ত সংগঠনসমূহে। [illegible]

দুৰ্ঘটনাটো সংঘটিত হোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে উপস্থিত হৈছিল উক্ত দুৰ্ঘটনাস্থলীত। চৌপাশে কেৱল কান্দোন। শোকত ভাগী পৰিছিল ৰাইজ। সেই সময়ত উপস্থিত হৈছিল গৈ খবৰ লবৰ বাবে মৰিগাঁৱৰ তদান্তিন উপায়ুক্ত চাবিৰ হুছেইন আৰু অতিৰিক্ত আৰক্ষীঅধীক্ষক। কিনকিনীয়া বৰষুনেও এক অশান্তিৰ পৰিবেশ সৃষ্টি কৰিছিল।সেইদিনা ভাবিলে আজিও গাৰ নোম শিয়ৰি উঠে।

## মায়ঙত এতিয়া থলুৱা মাছৰ জুই-ছাই দাম

# ক্ৰমান্বয়ে হ্ৰাস পাইছে বিলৰ সীমা



প্ৰতিদিন সেৱা, মায়ং, ৬ ডিচেম্বৰ : মৰিগাঁও জিলাৰ পশ্চিমৰ ফালে ব্ৰহ্মপুত্ৰ নৈৰ দক্ষিণ পাৰত [illegible] ঐতিহাসিক মায়ং অঞ্চল। গুৱাহাটী মহানগৰীৰ পৰা মাত্ৰ আধা ঘণ্টাৰ বাট অতিক্ৰম কৰিলেই পোৱা যায় প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ মায়ং। নদ-নদী, পাহাৰ, খাল-বিল, অভয়াৰণ্য আৰু ঐতিহাসিক স্থানেৰে ভৰপূৰ মায়ং [illegible] অঞ্চল। সেউজীয়া ধাননি পথাৰেৰে নন্দন-কানন হৈ থকা মায়ং অঞ্চল যাদু-মন্ত্ৰৰ বাবেই বিখ্যাত নহয় মাছৰ বাবেও বিখ্যাত আছিল। মায়ং অঞ্চল তেতিয়াৰ অবিভক্ত নগাঁও জিলাৰ ভিতৰতে মাছৰ ভাণ্ডাৰস্বৰূপ আছিল। হাৰিয়া, সিলনী, কাটাখাল, চলিহা, নন্দিনী কনেমাৰী, পকৰীয়া, দৈপাৰা, মনহা, গাভুৰু, খাল্লাজান, সৰুমনাহ, পৌনাৰী, চপৰা, নেকেৰা নেকেৰী, গৰুমৰা দলনিকে ধৰি আছে প্ৰায় কুৰিবনতকৈও অধিক সৰু-ডাঙৰ বিল। সেই বিলবোৰতে উৎপাদন হৈছিল বৌ-বৰালি, ভকুৱা, চিতল, কাৱৈ, গড়ৈ, টিঙৰা, বতিয়া, পুঠি, নাৰ, চিলভাৰ কাৰ্প, গ্ৰাছ কাৰ্প, সিঙি-মাগুৰ আদি নানা প্ৰজাতিৰ মাছ। কেৰাহীত তেল ঢালি থৈ বিলৰ পৰা মাছ ধৰি আনিও হেনো গৃহিণীয়ে বনাইছিল ডবকাৰী। কিন্তু দুখৰ বিষয় সেই মাছৰ নাতি মায়ঙত এতিয়া থলুৱা মাছ হ্ৰাস পাইছে। চাৰিওফালে বিল-খালবোৰ পুতি আহিছে। সন্দেহজনক নাগৰিকেৰে ভৰি পৰিছে বিলৰ পাৰ। বজাৰত বৰ্তমান চৰা দামত ক্ৰয় কৰিবলগা হৈছে থলুৱা মাছ। মীন বিভাগৰ এইক্ষেত্ৰত কোনো [illegible] নাই। মীন বিভাগৰ চূড়ান্ত গাফিলতিত একাংশ অসাধু লোকে [illegible] মাছতে পোনা মাছবোৰ মাৰি তহিলং কৰে। অকল সেয়ে নহয়। কোনো কোনো বিলৰ মহলদাৰে মীন বিভাগৰ বিষয়া-কৰ্মচাৰীক মেনেজ কৰি বিল-খালবোৰ [illegible], চ'ত মাহত সিঁচি উদং কৰি দিয়াও পৰিলক্ষিত হৈছে। মীন আইন উলংঘা কৰাসকলকেই আকৌ মীন বিভাগে বহু দলিচা পাৰি দিয়ে। এনেদৰে বিল-খালবোৰত ধ্বংসযজ্ঞ চলি থাকিলে কেইটামান বছৰ পিছতেই হয়তো থলুৱা মাছ অঞ্চলটোত লুপ্ত হৈ যাব। সেইফালে এতিয়া [illegible] মাছৰ কাৰবাৰ কৰি আছে তেওঁলোকেও [illegible] উপায় নাইকিয়া। বান আৰু খৰাতো জুৰুলা কৰি আহিছে অঞ্চলটোক। খৰাডৰ প্ৰকোপত বৰষুণৰ অভাৱত শালী খেতি কৰিব নোৱাৰি অৱশেষত শুকান মাছৰ ব্যৱসায়ত নামি পৰিছে। তাতো হাহাকাৰ। ব্যৱসায়ীৰ মাজত চলিছে প্ৰতিযোগিতা। বাহিৰৰ পৰাই গুৱাহাটী, শিলং, মৰিগাঁও, নগাঁওৰ বেপাৰীয়ে ভৰি পৰে কাপাহীও, বুঢ়াপত্ৰী বজাৰ। কেঁচা মাছবোৰ [illegible] আহিলে [illegible] আকৌ স্থানীয় লোকে বজাৰত মাছ বিক্ৰী চলাথ কৰিবলগীয়া হয়।

কিয় মাছৰ জুই চাই দাম হয় আৰু কিয় হ্ৰাস পাইছে বিলৰ চাৰিসীমা বাতৰিটো পঢ়িলে গম পোৱা যাব। অঞ্চলটোৰ বিল খালবোৰৰ সম্প্ৰতি বেদখল আৰম্ভ হৈছে। প্ৰশাসনে মীন মহলবোৰ সংৰক্ষণ কৰাৰ ক্ষেত্ৰত যি ধৰণৰ ব্যৱস্থা হাতত ল'ব লাগিছিল সেয়া কৰিব পৰা নাই। যাৰ ফলত অস্তিত্বৰ সংকটত এতিয়া মীন মহলবোৰ।

২০১১ চনত আৰম্ভ হ'ল মায়ং-পবিতৰা মহোৎসৱ। তাৰ পিছত মায়ঙত অনুষ্ঠিত হ'ল পবিতৰা এনচেন্টেড আৰু ২০১৭ চনত অনুষ্ঠিত হ'ল ব্ৰহ্মপুত্ৰৰ পাৰত নমামি ব্ৰহ্মপুত্ৰ উৎসৱ। এতিয়া কেৱল উৎসৱেই উৎসৱ মায়ঙত।

নিজম পৰিবল মায়ং-পবিতৰা মহোৎসৱখনী ঃ দুৰ্বাতিত নিৰ্মাণ প্ৰক্ৰেশ পথ

## মুখ্যমন্ত্ৰীয়ে পুনৰ ঠগিলে মায়ংবাসীক

## বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত মুগ্ধ ইংলেণ্ড-ইটালীৰ পৰ্যটক



লোকে লোকাৰণ্য মায়ং পবিতৰা মহোৎসৱখনী


প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে মায়ংবাসীক কেনেকৈনো ঠগিলে চাওক এই বাতৰিটো।

## গড়কাপ্তানি বিভাগৰ গাফিলতিত ক্ষতিগ্ৰস্ত কৃষক

# বহা-কমাৰপুৰ পথ বন্ধ পবিতৰা পথত একাঁঠু বোকা

নজৰুল ইছলাম

মায়ং, ৩০ জুন ঃ যিসময়ত ব্ৰহ্মপুত্ৰ নৈৰ আৱতৰীয়া বানে বিধ্বংসী ৰূপ ধাৰণ কৰি মৰিগাঁও জিলাৰ কৃষিপ্ৰধান মায়ং অঞ্চলৰ হেজাৰ হেজাৰ বিঘা বৰোখেতি নষ্ট কৰি কৃষিজীৱী ৰাইজৰ সপোন চুৰমাৰ কৰিলে ঠিক তেনে এক বেদনাদায়ক মুহূৰ্ত্তত অসম চৰকাৰৰ বিয়াগোম গড়কাপ্তানি বিভাগৰ দুৰ্নীতিপৰায়ণ বিষয়া-অভিযন্তাৰ গাফিলতি আৰু অমনোযোগিতাৰ বাবে মায়ঙৰ বহা-বৰপাক অঞ্চলৰ দুৰ্ভগীয়া খেতিয়কে উৎপাদিত বৰো ধানৰ মোনে প্ৰতি ১০০ টকাকৈ লোকচান ভৰিবলগা হৈছে। ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ পৰা তিলমানো সা-সুবিধা নোপোৱা মায়ং মৌজাৰ অন্তৰ্গত বহা, বৰপাক, দিপ্ৰাং, ঠেংভজা, বৰদলনি, যাত্ৰাপৰি, বঙ্গপাহাৰকে ধৰি কৃষিধনমান গাঁৱৰ খেতিয়কে কঠোৰ পৰিশ্ৰম আৰু মূলধন খটুৱাই কোনোমতে উৎপাদন কৰা বঞ্চিত, আইজং, আই আৰ মিনকিট, পংকজ, ৰাহুলতি, বহাদুৰ জাতৰ ধানকেইটা গড়কাপ্তানী বিভাগৰ লুণ্ঠনকাৰী ঠিকাদাৰৰ অদূৰদৰ্শিতাৰ বাবে উচিত মূল্যত বিক্ৰী কৰাৰ পৰা বঞ্চিত হৈ আছে। মায়ং গড়কাপ্তানি পথ উপ-সমেগুলন অধীনস্থ ঠিমকংবি-বহা-কমাৰপুৰ পি এম জি এছ ৱাই পথটোৰ বহা বজাৰৰ পৰা বৰদলনিলৈ দুই কিলোমিটাৰ পথ ঠিকাদাৰে আজিও পকীকৰণৰ কাম সম্পূৰ্ণ কৰিব নোৱাৰাত বৰ্তমান সেই পথটোৰে গাড়ী-মটৰ চলাচল কৰাটো জটিল হৈ পৰিছে। এজাক বৰষুণতে সেই দুই কিলোমিটাৰ গড়কাপ্তানি পথ বোকাময় হৈ পৰে আৰু দুমো ... ৰ চলাচল ব্যাহত হৈ পৰে। ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী আৰু চৰকাৰী কৰ্মচাৰীয়েও দুৰ্ভোগ ভুগি থাকিব লগা হৈছে। বেছিকৈ ক্ষতি হৈছে বানাক্ৰান্ত কৃষকসকলৰ। বহা বজাৰলৈ বৰদলনি-দিপ্ৰাং, বৰপাক আৰু ঠেংভজা এলেকাৰ ৰাইজে ধান বিক্ৰীৰ বাবে ট্ৰাক-ট্ৰেক্টৰ নিয়াতো দূৰৰে কথা ম'হৰ গাড়ীও নিব নোৱাৰে। যাৰ ফলত অতি কম মূল্যত একাংশ মধ্যভোগীৰ হাতত হাড়ভগা পৰিশ্ৰমেৰে উৎপাদন কৰা ধানখিনি গতাব লগা হৈছে। শুকান ধান মোনে প্ৰতি ধাৰ্ম্মগাঁও, বুড়াবুঢ়ী, মায়ং বজাৰত ৩৪০ টকাৰ পৰা ৩৫০ টকা হোৱাৰ বিপৰীতে বৰপাক, বৰদলনিৰ কৃষকে ২৪০ টকাৰ পৰা ২৫০ টকা দৰত বেচিব লগা হৈছে। পবিতৰা অভয়াৰণ্যলৈ কমাৰপুৰৰ দিশৰ পৰা যোৱা গড়কাপ্তানি পথছেৱাও অসুচল হৈ আছে। দুৰ্নীতিপৰায়ণ আৰু ব্লেকলিষ্টেড ঠিকাদাৰ 'লোহিত কনষ্ট্ৰাকচন'ৰ লুণ্ঠনৰ ফলত কেইবাকোটি টকাৰে নিৰ্মাণ কৰি থকা পথটোৰ নিৰ্মীয়মাণ অৱস্থাতে কেইবাঠাইতো পকী অংশ বহনীয়াত জাহ যোৱাৰ দেখা গৈছে। প্ৰকাণ্ড প্ৰকাণ্ড দ গাঁতৰ সৃষ্টি হৈ পথটোৰ দুয়োকাষ খহি পৰিছে। গৰভা দলংখনৰ নিৰ্মাণকাৰ্যতো চূড়ান্ত গাফিলতি কৰিলে। কালভাৰ্ট নিৰ্মাণ কৰা ঠাইবোৰ সম্প্ৰতি বিধ্বস্ত ৰূপ লৈছে। পথটোৰ নিৰ্মাণকাৰ্যত আৰম্ভণিৰে পৰা দুৰ্নীতি-অনিয়ম সংঘটিত কৰি অহাৰ পৰিপ্ৰেক্ষিতত লোহিত কনষ্ট্ৰাকচনক বাতিল কৰি পাপু আগৰৱালাক দায়িত্বভাৰ গতাই দিছে যদিও বৰ্তমানেও লেহেমীয়া গতিত চলি আছে নিৰ্মাণকাৰ্য। একমাত্ৰ বৃহৎ কমিছনৰ অংকত ব্যস্ত থকা গড়কাপ্তানি বিভাগৰ বিষয়া-অভিযন্তাৰ চূড়ান্ত ফাঁকি আৰু দায়িত্বজ্ঞানহীনতাৰ বাবে সৰ্বসাধাৰণ ৰাইজে জীয়াতু ভুগি থকাৰ লগতে পবিতৰা অভয়াৰণ্য কৰ্তৃপক্ষয়ো বাজহ হেৰুৱাব লগা হৈছে। অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ সচিব বিবেকানন্দ দলৈয়ে এইক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব পাৰে যদিও তেওঁ নিৰ্বিকাৰ হৈ থকাত ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে।



বৰ্তমান পথ যোগাযোগ সুচল যদিও ঠায়ে ঠায়ে আকৌ মেৰামতিৰ প্ৰয়োজন হৈ পৰিছে। এতিয়া যেনিবা সেই একাঠু বোকা নাই।

সেই বিদ্যালয়খনৰ ঘৰ-দুৱাৰবোৰ আজিও বিশেষ উন্নত নহ'ল।

উল্লেখ্য যে বিগত যোল্লটা বছৰে বাতৰি কাকতৰ পৃষ্ঠা দখল কৰিবলৈ সক্ষম হৈছিল মায়ঙৰ এনেবোৰ বা-বাতৰিয়ে। কিছু অংশে দাঙি ধৰা হ'ল। ইয়াৰে বহু সমস্যা সমাধান হ'ল, পৰিবৰ্তন আহিল বহুখিনি মায়ঙৰ বুকুলৈ। হলেও এতিয়াও সমস্যাৰ অন্ত পৰা পৰা নাই মায়ঙৰ। আশা কৰা হৈছে অনাগত দিনবোৰত মায়ঙৰ সকলো সমস্যা ক্ৰমাগত ভাবে সমাধান হব আৰু এদিন দোপত-দোপে প্ৰগতিৰ পথত আগবাঢ়ি যাব।

# মায়ং আঞ্চলিক মহাবিদ্যালয় ঃ এক জীয়া অনুভৱ

ৰজনী কান্ত নাথ
কৰ্মচাৰী, মায়ং আঞ্চলিক মহাবিদ্যালয়

মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ উচ্চ শিক্ষাৰ একমাত্ৰ প্ৰাণকেন্দ্ৰ মায়ং আঞ্চলিক মহাবিদ্যালয়। শিক্ষাৰ ক্ষেত্ৰত পিছপৰা ঐতিহ্যমণ্ডিত মায়ং অঞ্চলটো, বিগত পঁচিশ বছৰে এই মহান প্ৰতিষ্ঠানটিয়ে জ্ঞানৰ আলোকৰে আলোকিত কৰি আহিছে। জন্ম লগ্নৰে পৰা এই অনুষ্ঠানটিৰ লগত নিজকে এজন সাধাৰণ কৰ্মচাৰী হিচাপে জড়িত কৰিবলৈ পাই ধন্য মানিছো। মহাবিদ্যালয়ৰ লগত এই অভিজ্ঞতা মোৰ জীৱনৰ এক এৰাব নোৱৰা অধ্যায়। অধ্যক্ষ মহোদয়ৰ পিছতে পিয়ন হিচাপে ককাইদেৱে নিযুক্তি নিদিয়াহেঁতেন, আজিও চাগে মোৰ পৰিচয় এজন সাধাৰণ ব্যৱসায়ীয়ে হৈ থাকিল হয়।

এৰা ককাইদেউ মানে মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক, মায়ং খনিকৰ প্ৰয়াত দিপন চন্দ্ৰ নাথ দেৱৰ কথা কৈছো। সঁচাকৈয়ে তেখেত এজন সঁচা মনৰ মানুহ আছিল। নিজৰ বাদে মাথো ৰাইজৰ হকে চিন্তা কৰিব পৰা মানুহ। মানুহ অভাবী আজিৰ সমাজৰ এজন সঁচা মানুহ। এই

মহাবিদ্যালয়খন তেখেতৰ প্ৰাণস্বৰূপ আছিল। ককাইদেৱে মোক এই মহান অনুষ্ঠানটিলৈ সেৱা আগবঢ়োৱাৰ সুবিধাকণ কৰি দিয়াৰ বাবে, চিৰদিন তেখেতৰ ওচৰত ঋণী হৈ ৰ'ম।

১৯৯২ চনৰ কথা। মাহ তাৰিখতো পাহৰিলো। মায়ং অঞ্চলৰ এগৰাকী অগ্ৰণী সমাজকৰ্মী তথা মিটনি হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰী ৰবিধৰ নাথৰ বিবাহ মণ্ডপতে মহাবিদ্যালয় প্ৰতিষ্ঠাৰ আগতে হোৱা প্ৰথম সাধাৰণ সভাখনৰ পিয়ন বুকখন ককাইদেৱে মোক দিছিল আৰু মনহা, ঝাৰগাঁও, বুৰাবুৰী, কলিয়ামাৰি, তেতেলীগুৰি, হাতীভাংগী, চন্দ্ৰপুৰ, টেঁকীয়াবাৰী, নলনী, বহা-বৰজাৰী, গৰুবন্ধা, কলংপাৰ, কমাৰপুৰকে আদি কৰি সমগ্ৰ মায়ং অঞ্চলটোৰ সমাজহিতৈষী সকলো লোককে মুকলি সভাখনত উপস্থিত কৰোৱাৰ দায়িত্বটো এই অভাজনৰ ওপৰতে দিছিল। মযো চাইকেলেৰে বিভিন্ন প্ৰতিকূলতাক নেওঁচি আমাৰ ওপৰত ন্যস্ত দায়িত্বভাৰ সুচাৰুৰূপে সমাপন কৰাৰ প্ৰয়াস কৰিছিলো। পঁচিশ বছৰৰ আগৰ অঞ্চলটোৰ ৰাস্তাঘাটৰ প্ৰতিচ্ছবি আপোনালোকে নিশ্চয় অনুমান কৰিব পাৰিছে। ইয়াৰোপৰি তেতিয়া সভা সমিতিৰ সংখ্যাও সৰহ আছিল আৰু আজিৰ দৰে ম'বাইলৰো ব্যৱস্থা নাছিল। তথাপি যেতিয়াই বিচাৰিছিল তেতিয়াই নিজৰ কৰ্ম সমাপন কৰি গৈছিলো, কৰ্মত কেতিয়াও গাফিলতি কৰা নাছিলো, অৱশ্যে আজিও ইয়াৰ ব্যতিক্ৰম নহওঁ। ইয়াৰোপৰি মহাবিদ্যালয়লৈ বিভিন্ন সময়ত অহা ইন্সপেকচনবোৰত বিষয়াসকলক সুঃস্বাদু আহাৰেৰে আপ্যায়ণ কৰাৰ দায়িত্বও মোৰ ওপৰতে ন্যস্ত আছিল। তেখেত সকলৰ প্ৰশংসাই আজিও আপ্লুত কৰে।

মাননি হিচাপে মাহিলি ১৫০ টকাকৈ পাইছিলো। যিটো এটা পৰিয়াল ভৰণ পোষণ দিয়াৰ বাবে কিমান কষ্টদায়ক সেইটো নকলেও নিশ্চয় অনুমান কৰিব পাৰিব। তথাপি এটাই সপোন দেখিছিলো। এদিন চাকৰি নিয়মীয়া হ'ব, ল'ৰা-ছোৱালী কেইটাক ভালকৈ পঢ়াম, সিহঁতক ভাল মানুহ কৰিম। পিচে এই সপোন দিঠকত পৰিণত হওঁতে বহু পলম হ'ল। বহু অৰ্থনৈতিক সংঘাতৰ মাজেৰে সুদীৰ্ঘ ২১ বছৰৰ মূৰত মহাবিদ্যালয় প্ৰাদেশীকৰণ হ'ল, কিন্তু জীৱনত এক ডাঙৰ আক্ষেপ থাকি গ'ল। সেইটো হ'ল দৰিদ্ৰতাৰ বাবে মোৰ ডাঙৰ ল'ৰা নৱজ্যোতিয়ে স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিব নোৱাৰিলে; অৱশ্যে মোৰ চাকৰিৰ আগতে সি বিজ্ঞানৰ স্নাতক হ'ল আৰু সংস্থাপিত হ'ল। যোৱা ২১ বছৰত আৰ্থিক দিশটোত বিশেষ সহায় নাপালেও, অধ্যাপক সকলৰ পৰা যিটো শৈক্ষিক পৰিবেশ পালো, তাক জীৱনত কেতিয়াও পাহৰিব নোৱাৰিম। এই পৰিবেশত নথকা হ'লে, হয়তো আজি ল'ৰা-ছোৱালী তিনিওটাকে স্নাতক ডিগ্ৰীধাৰী কৰিব নোৱাৰিলোহেঁতেন।

বিগত পঁচিশ বছৰে বহু উত্থানপতনৰ মাজেৰে অনুষ্ঠানটিয়ে আজি ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিছেহি। এয়া বৃহত্তৰ মায়ং অঞ্চলৰ বহু কেইজন সমাজহিতৈষী ব্যক্তিৰ কঠোৰ পৰিশ্ৰম আৰু অসাধাৰণ কষ্টৰ ফচল। এই পৰ্যায় পাবলৈ দিপন চন্দ্ৰ নাথ, গোপাল চন্দ্ৰ নাথ, প্ৰফুল্ল কুমাৰ ভূঞাকে প্ৰমুখ্য কৰি বৃহত্তৰ মায়ং অঞ্চলৰ বহু কেইজন লোকে কঠোৰ শ্ৰম কৰিবলগীয়া হৈছিল। লোভনীয় চাকৰিকো প্ৰত্যাখ্যান কৰি একেবাৰে নূন্যতম মাননিত বিগত ২১ বছৰে ড° ফণী ভূষণ নাথে মহাবিদ্যালয়খনি সুন্দৰকৈ আগুৱাই নি প্ৰাদেশীকৰণ কৰাত যি অহোপুৰুষাৰ্থ কৰিলে, সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। আজি তেখেতৰ সুদক্ষ নেতৃত্বত অতি উলহ-মালহৰে ৰূপালী জয়ন্তী বৰ্ষ উদযাপন হোৱাটো অতি আনন্দদায়ক এক গৌৰৱৰ বিষয়। আশা কৰিছো অনাগত দিনটো এই মহাবিদ্যালয়খনে জ্ঞানৰ আলোকৰে বৃহত্তৰ অঞ্চলটো পোহৰাই তুলিব আৰু স্বমহিমাৰে বিশ্বত জিলিকি উঠিব। ♦♦

# মই, মায়ং ঃ মোৰ অনুভৱ

জবা দাস
ঘোষিকা, গুৱাহাটী অনাতাৰ কেন্দ্ৰ

জন্মসূত্ৰে মই মায়ঙীয়া নহয়, কিন্তু মায়ঙৰ লগত আছে মোৰ এক আজন্ম সম্বন্ধ। মোৰ মাৰ ঘৰ মায়ঙ হাতীগড় কুচিয়ানী গাঁৱত। মোমাইদেউইঁতৰ ঘৰলৈ আহোতে সকলো পৰাই সেউজীয়াৰ সাম্ৰাজ্য মায়ঙৰ প্ৰতি দুৰ্বাৰ আৰ্কষণৰ সন্মুখীন হৈছিলো। মোৰ মনত আছে, সৰু হৈ থাকোতে মায়ঙলৈ (চন্দ্ৰপুৰৰ পৰা) প্ৰায় ১৫-২০ কি.মি. খোজকাঢ়িছিলো। তেতিয়াৰ মায়ং বৰ্তমানৰ মায়ং নহয়। দুখন বাছ যাতায়াতৰ বাবে আছিল যদিও খুব কমকৈহে চলিছিল বাছ দুখন। কলঙৰ ওপৰত দলং হোৱাই নাছিল। সি যি কি নহওক মই ক'ব বিচাৰিছো মায়ঙৰ সৈতে কৰ্মসূত্ৰে হোৱা সম্পৰ্কৰ বিষয়ে। মায়ঙৰ বিভিন্ন ঐতিহাসিক ঠাই যেনে — কাছশিলা, কেচাইখাইটী থান, ৰজা ডাঙৰীয়া থান আদিলৈ তাহানিতে যোৱাই নেকি মায়ঙৰ প্ৰতি এক কৌতূহলে সকলো সময়তে মোক আবৰি ৰাখিছিল। এইখিনিতে উনুকিয়াই থও মায়ঙৰ যাদু, মায়ঙৰ ঐতিহাসিক পৰিচয়, মায়ঙৰ সভ্যতাসমূহৰ বিষয়ে মই উল্লেখ কৰা নাই কিয়নো হয়তো কোনো এজন পাঠক নোলাব যিজনক মায়ং সম্পৰ্কে নকৈ বুজাব লাগিব। ২০১৪ চন, মই তেতিয়া স্নাতকৰ ছাত্ৰী। গৱেষণা-পত্ৰ বনোৱাৰ বাবে মই বিষয় নিৰ্বাচিত কৰিলো। "মায়ঙৰ যাদু ঃ পৰম্পৰা, জনবিশ্বাস আৰু বৈজ্ঞানিক দৃষ্টিভংগী" এইয়া আছিল মোৰ বিষয়। তথ্য সংগ্ৰহৰ বাবে মায়ঙলৈ আহিছিলো, বহুলোকক লগ ধৰিছিলো। লোকেন্দ্ৰ হাজৰিকা, দীপেন নাথ আদি বহু গণ্য-মান্য লোকৰ গ্ৰন্থই মোক দিছিল বহু তথ্য। শেষত সম্পূৰ্ণ হৈছিল মোৰ গৱেষণা পত্ৰ। এই গৱেষণাৰ জৰিয়তে যেন বেছিকৈ সোমাই পৰিলো মায়ং আৰু মায়ঙৰ জনজীৱনত। ইয়াৰ পিছতেই আকাশবাণী গুৱাহাটী কেন্দ্ৰত কৰ্মসূত্ৰে যোগদান কৰাৰ পিছতেই যেন মায়ঙৰ লগত আত্মিকতা বাঢ়ি গ'ল। মোৰ সপোনবোৰে ডেও দি নাচিলে কিয়নো মায়ঙীয়া সমাজ, মায়ঙীয়া জীৱন, মায়ঙৰ সংস্কৃতি আৰু অধিক প্ৰচাৰৰ সপোনটো দিঠক হ'বলৈ ধৰিলে কিছুক্ষেত্ৰত। "মায়ঙৰ প্ৰত্নতাত্ত্বিক সমল" শীৰ্ষক এখনি প্ৰামাণ্য আলেখ্য তৈয়াৰ কৰিবলৈ মায়ঙলৈ আহিলো। এই সম্পৰ্কত মোক প্ৰাৰ্যমানে সহায় কৰিলে মায়ং মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ প্ৰবক্তা বুলিলে আচলতে সম্পূৰ্ণ নহ'ব মায়ঙৰ মাটিৰ গোন্ধকে নিজৰ পৰিচয় হিচাবে দাঙি ধৰা এগৰাকী ব্যক্তি ড° উৎপল নাথে। তেখেতে মায়ঙৰ সভ্যতা-সংস্কৃতিৰ লগতে প্ৰত্নতাত্ত্বিক সমল যেনে — চনকাৰ হৰ-গৌৰীৰ যুগল মূৰ্তি, কাছশিলাৰ ভাস্কৰ্য, সাচিপাত, শিলালিপি, কড়ি আদিকে ধৰি বিভিন্ন বিষয়ৰ পৰিচয় দিলে। আৰু তেখেতৰ প্ৰচেষ্টাতে সম্পূৰ্ণ হ'ল আলেখ্যখনি।

পবিতৰা কেৱল এটা নামেই নহয় পবিতৰা হৈছে মায়ঙৰ এক অনন্য পৰিচয়। কিংবদন্তিমতে ৰাজকুমাৰী পবিত্ৰাৰ নাম অনুসৰিয়েই পবিতৰা নামটোৰ উৎপত্তি হয়। আৰু এই পবিতৰাক সৰোগত কৰি পবিতৰাত অনুষ্ঠিত হোৱা পবিতৰা মহোৎসৱত এটি নাটকৰ চৰিত্ৰত ব্ৰেকগ্ৰাউণ্ড ভয়চ দিয়াৰ সুবিধা পালো। মোহনীয় মায়ং এই নাটখনিৰ স্ৰষ্টা আছিল উৎপল নাথ। ইয়াতেই লগ পালো আন এগৰাকী উদ্যমী যুৱক নজৰুল ইছলামক। এগৰাকী বিদেশী বোৱাৰীৰ চৰিত্ৰত কণ্ঠ দিছিলো মই। নাটখনি প্ৰদৰ্শনৰ পিছতেই জনতাৰ হাতচাপৰিয়ে উৎসাহিত কৰাৰ উপৰিও আবেগিক কৰি তুলিছিল। নাটখনিত সমগ্ৰ মায়ং, মায়ঙীয়া সভ্যতা সকলোবোৰৰ বিষয়ে তন্ন তন্নকৈ উল্লেখ আছিল। মায়ং সম্পৰ্কে নজনা বহু কথা, বহু সমল পালো নাটখনিৰ জৰিয়তে। ইয়াৰ পিছতে পবিতৰাৰ প্ৰতি আকৰ্ষণৰ

বাবেই পবিতৰা শীৰ্ষক আলেখ্যখনি তৈয়াৰ কৰিবলৈ পবিতৰা পালেগৈ। বিশ্বৰ ভিতৰতে এশিঙীয়া গড়ৰ ঘনত্ব সৰ্বাধিক পবিতৰাত। পবিতৰাৰ ওলোমা সেতুৰ পৰা হেজাৰ বিজাৰ পক্ষীৰ কলৰব, গাহৰী, ম'হ আদিকে ধৰি নানান জীৱ জন্তুৰ সংগমস্থলী এই পবিতৰা। কেউফালে ... সেউজীয়া সেউজীয়া মৰু সেউজীয়া। সচাঁকৈ সেউজীয়াৰ সাম্রাজ্য এই পবিতৰা তথা মায়ং। খুব সুন্দৰকৈ প্রস্তুতি সম্পন্ন হ'ল আলেখ্যখনিৰ।

মায়ং আঞ্চলিক মহাবিদ্যালয় ১৯৯২ চনত গঢ়ি উঠিছিল মায়ৰে উচ্চশিক্ষাৰ প্ৰাণবিন্দু তথা কেন্দ্ৰবিন্দু স্বৰূপে এইখন মহাবিদ্যালয়। বহু ঘাত-প্ৰতিঘাত গৰকি এইখন মহাবিদ্যালয়ে এতিয়া ৰূপালী জয়ন্তীও সফলতাৰে পাৰ কৰিব। ইয়াৰ সাক্ষী স্বৰূপে মহাবিদ্যালখনৰ শিক্ষাৰ্থী তথা প্ৰবক্তা মণ্ডলীক লৈ 'হিপ হিপ হুৰৰে' নামৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ পৰা আন এটি অনুষ্ঠানৰ আয়োজন কৰিলো। ..বন্দনাৰ পৰা বাহীৰ সুৰলৈ নাটকৰ সংলাপৰ পৰা জ্যোতিসংগীতলৈ, বিয়ানামৰ পৰা দিহানামলৈ সকলোতে পাৰদৰ্শিতা প্ৰদৰ্শন কৰিলে শিক্ষাৰ্থীসকলে সচাঁকৈ আপ্লুত হৈ পৰিলো। লোকসংস্কৃতিৰ পৰা কলা-কৃষ্টিলৈ সকলোতে আগবঢ়া যুৱক-যুৱতীসকল। নকৈ নোৱাৰো যে এই অনুষ্ঠানটিতো উৎপল নাথকে ধৰি বহু কেইগৰাকী লোকে যথেষ্ট সহায় কৰিছে। খুব সুন্দৰভাৱে অনুষ্ঠানটি প্ৰচাৰিত হয় লগতে অনুষ্ঠানটিয়ে বহুতৰে মন চুই যায়।

জুন-জুলাই মাহৰ বানপানীয়ে বিধ্বস্ত কৰি যায় মায়ংৰ দৈনন্দিন জীৱন। বানাক্ৰান্তক কিছু সকাহ দিবলৈ আগবাঢ়ি আহিল এছ. বি. দেওৰা মহাবিদ্যালয়। ২৫ জুলাইৰ দিনা ড° ভবেন্দ্ৰ নাথৰ অধ্যক্ষতাত এছ. বি. দেওৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰবক্তা জ্ঞানেন্দ্ৰ কলিতাৰ পৃষ্ঠপোষকতাত বান সাহাৰ্য্য আহিল মায়ঙৰ বানাক্ৰান্তলৈ। জ্ঞানেন্দ্ৰ কলিতাকে ধৰি মগেন কলিতা, জিতু কায়স্থ লগতে প্ৰাক্তন ছাত্ৰী হিচাপে মইও মায়ঙলৈ গৈ বানত বিধ্বস্ত ৰাইজক সহায় কৰিলো। উৎপল নাথ আৰু নজৰুল ইছলামকে ধৰি মায়ং ছাত্ৰসন্থাও বিভিন্ন ধৰণে সহায় কৰিছিল উক্ত সাহাৰ্য্যৰ কামত। কেইবাখনো গাঁওৰ লগতে বুঢ়ামায়ং, মুৰকটা তথা পথৰ কাষৰ বহুলোকক যিবোৰ লোকে বানপানীত সৰ্বস্বান্ত হৈ পথতে ঘৰ সাজিছিল তেওঁলোকক চাউল, দালি, বিস্কুট, নিমখকে ধৰি বিভিন্ন সামগ্ৰী প্ৰদান কৰে। ৰাইজৰ হাঁহিয়ে সকলোকে কষ্ট লাঘৱ কৰি সাৰ্থক কৰি তুলিছে।

শেষত সমূহ মায়ঙবাসীৰ লগতে মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ শিক্ষাৰ্থী তথা প্ৰবক্তা মণ্ডলীক ৰূপালী জয়ন্তী গৰকাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছো। আশা কৰিছো স্ব-গৌৰবেৰে উজ্বলি থকা মায়ঙৰ জ্ঞানৰ বন্তি সদায় উজ্বলি থাকক লগতে সমগ্ৰ মায়ংবাসী মায়ঙৰ গৌৰবেৰে গৌৰবান্বিত হৈ থাকক। ◆◆

# এয়া আকাশবাণী গুৱাহাটী "এক মিঠা অনুভৱ"

লীনা কুমাৰী বৰা কলিতা
সহকাৰী অধ্যাপিকা, অৰ্থনীতি বিভাগ

"অনুষ্ঠান প্ৰচাৰ কৰা হৈছে M/W ৪১১.৫ মি, ৭২৯ $KH_z$ আৰু FM Band ৰ ১০০.১ $MH_z$ত। নিবেদন কৰা হৈছে ভক্তিমূলক গীতৰ অনুষ্ঠান 'বন্দনা'।" দূৰ দূৰণিৰ পৰা ভাঁহি অহা এই শব্দকেইটা মোৰ কিমান যে প্ৰাণৰ আপোন। হয়তোবা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰতিজন শ্ৰোতাই অনুভৱ কৰে এই শব্দকেইটাৰ প্ৰতি থকা আত্মিক টান। ১৯৪৮ চনৰ ১ জুলাইৰ দিনটো আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাবে এটা বিশেষ দিন। কিয়নো এই বিশেষ দিনটোত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰতিষ্ঠা কৰা হৈছিল। ১৯৪৮ চনৰ পৰা বৰ্তমানলৈকে গৌৰবোজ্জ্বল চানেকি বহনকাৰী আকাশবাণী গুৱাহাটী কেন্দ্ৰ আজিও যেন চিৰতৰুণ। ১৯৪৮ চনৰ ১ জুলাইত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ আৰু শ্বিলং অনাতাঁৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হৈছিল। এই কেন্দ্ৰ দুটাক টেলিসংযোগেৰে এক কৰি কেন্দ্ৰটোৰ নাম ৰখা হৈছিল 'শ্বিলং গুৱাহাটী' কেন্দ্ৰ। গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ উদ্বোধন কৰিছিল মৌলানা মহম্মদ তৈয়বুল্লাই আৰু শ্বিলং কেন্দ্ৰ উদ্বোধন কৰিছিল তদানীন্তন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে। পৃথিৱীৰ বিভিন্ন গণ মাধ্যমৰ মাজত ৰেডিঅ' বহুলভাৱে জনপ্ৰিয়। ই শব্দ আৰু সুৰধ্বনিৰ সংযোগৰ এক মহত্বপূৰ্ণ মাধ্যম। ৰেডিঅ'ক অনাতাঁৰ নামেৰেও নামকৰণ কৰা হয়। কাৰণ কোনো তাঁৰ নোহোৱাকৈয়ে শব্দ আৰু ধ্বনিক সকলোতে বিয়পাই ই যুগান্তকাৰী বিপ্লৱ ৰচনা কৰিছিল। অনাতাঁৰ ব্যৱস্থাটোক সকলোৱে আঁকোৱালি লৈছিল। কাৰণ নিৰক্ষৰ চহা লোকেও ৰেডিঅ'ৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন দেশৰ জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিল। লগতে ৰেডিঅ'ই ঘড়ীৰ কামো কৰিছিল। সময়ে সময়ে ঘড়ীৰ ব্যৱহাৰ নোহোৱাকৈয়ে সময় ধৰিব পাৰিছিল। উদাহৰণস্বৰূপে গীতিমালিকা আছিল গা-পা ধুই স্কুলৰ বাবে সাজু হোৱাৰ সময়, আইদেউৰ বুলনি আছিল দুপৰীয়া আৰু নিশা আঁঠ বাজিলে নাট্যানুষ্ঠানৰ সময় ইত্যাদিৰ লগতে বাতৰি সম্প্ৰচাৰৰ নিৰ্দিষ্ট সময়বো বতৰা দিয়ে।

উল্লেখ্য যে ১৯৫৩ চনত প্ৰথমবাৰৰ বাবে 'অল ইণ্ডিয়া ৰেডিঅ" আকাশবাণী নামেৰে নামকৰণ কৰা হয়। আৰু ইয়াৰ লগে লগে অল ইণ্ডিয়া ৰেডিঅ' হৈ পৰে আকাশবাণী গুৱাহাটী। এই বিশাল পৰিক্ৰমাই সাহিত্য, কলা-সংস্কৃতি, বিজ্ঞান, ক্ৰীড়া, যুৱ অনুষ্ঠান, শিশু অনুষ্ঠান, কৃষি, স্বাস্থ্য, শিক্ষা, সাক্ষাৎকাৰ অনুষ্ঠান আদি বিভিন্ন দিশৰ পৰা প্ৰচাৰ আৰু প্ৰসাৰ কৰি আহিছে। তাৰোপৰি বিশিষ্ট গীতিকাৰ, নাট্যকাৰ, সংগীতকাৰ, গায়ক, অভিনেতা-অভিনেত্ৰীৰ জন্ম দিছে এই আকাশবাণী গুৱাহাটী কেন্দ্ৰই। ইয়াৰ জৰিয়তে জাতি আৰু সমাজৰ প্ৰতি গুৰুদায়িত্ব পালন কৰিছে।

আকাশবাণী গুৱাহাটীক সাধাৰণ ৰাইজে এটা চৰকাৰী অফিচ হিচাপে গণ্য নকৰে, সৰ্বসাধাৰণ ৰাইজৰ বাবে আকাশবাণী গুৱাহাটী এটি চিনাকি নাম আৰু সকলোৰে বাবে দুৱাৰ মুকলি থকা এটি সাংস্কৃতিক প্ৰতিষ্ঠান।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই ২০১৭ চনৰ ১ জুলাই তাৰিখে সপ্ততিতম বৰ্ষত ভৰি দিলে। উজান বজাৰৰ সেই খেৰীঘৰৰ পৰা আহি আকাশবাণী গুৱাহাটীয়ে স্থায়ী ঠিকনা লাভ কৰিলে চানমাৰিৰ সৰু টিলা এটাৰ ওপৰত। এক সেউজ পৰিৱেশত সগৌৰৱে নিজ অস্তিত্ব বহন কৰি অহা এই অনুষ্ঠানটোৱে মানুহৰ মনত সিচি দিয়ে সেউজী সুবাস। সেউজীয়াৰ মাজত থকা সেই পকী ঘৰকেইটা অকল পকীঘৰেই নহয়, অসমীয়া সংস্কৃতিৰ নিয়মিত চৰ্চাৰ এটি মণিকূট আৰু অসমৰ ঐতিহ্যমণ্ডিত বহু সম্পদৰ সংৰক্ষনাগাৰ।

সৰুৰে পৰাই এই বিশেষ বস্তুটোৱে মোক বিশেষভাৱে আকৰ্ষণ কৰিছিল আৰু মনতে ভাবিছিলোঁ মৱো যদি ইয়াত কাম কৰিবলৈ অকণমান সুযোগ পালোহেঁতেন। মনৰ একান্ত ইচ্ছা, একাগ্ৰতা থকাৰ বাবে হয়তো মই সাময়িক ভিত্তিত কাম কৰিবলৈ সক্ষম হৈছোঁ। অৱশ্যে আজিকালি ৰেডিঅ'ত ঘোষক-ঘোষিকাৰ কামটোৰ বাবে স্থায়ী নিযুক্তি নাই। কেইবছৰমান আগৰে পৰা স্থায়ী নিযুক্তি বন্ধ হৈছে। গতিকে সাময়িক অৰ্থাৎ অস্থায়ী ভিত্তিত ইয়াৰ নিযুক্তি হয়। ভাবিলে ভাল লাগে অস্থায়ীয়েই বৰ্তমান স্থায়ী। কিন্তু ইয়াৰ বাবে সময়ে সময়ে পতা পৰীক্ষাত নিজকে অৱতীৰ্ণ কৰিব লাগে। মই নিজকে সৌভাগ্যবান বুলি ভাবোঁ কিয়নো আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সাময়িক ভিত্তিত সেৱা আগবঢ়াবলৈ মই সুযোগ পাইছোঁ। এইক্ষেত্ৰত মোৰ প্ৰয়াত পিতাইদেউৰ কথা সুঁৱৰিব লাগিব। কিয়নো তেখেতৰ আশীৰ্বাদত মোৰ একান্ত ইচ্ছাৰ বাবে হয়তো এইখিনি কৰিবলৈ সুযোগ পাইছোঁ। পিতাইদেৱে যেতিয়া অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত কৰ্মৰত আছিল ঠিক সেই সময়ত তেখেতৰ বন্ধু এজনে অনাতাঁৰ কেন্দ্ৰটোত অনুষ্ঠান কাৰ্যবাহীৰ দায়িত্বত আছিল। আৰু টিফিন খোৱাৰ সময়ত মাজে মাজে চানমাৰিৰ অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ নিচেই কাষতে থকা অনাতাঁৰ কেন্দ্ৰলৈ গৈছিল আৰু তাতে বন্ধুৰ সৈতে লগ হৈছিল। তেতিয়াই পিতাইদেউৰ মনত ভাবৰ উদ্ৰেক হৈছিল তেখেতৰ সন্তানেও কেতিয়াবা এই কেন্দ্ৰলৈ আহিব পাৰিব নোকি বুলি আৰু মোৰ জন্মও চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ চৰকাৰী আবাসগৃহতেই হৈছিল। সৰুতে অকণিৰ মেলৰ পৰা আৰম্ভ কৰি যুৱবাণী অনুষ্ঠান পৰিবেশন কৰাৰ লগতে Primary শাখাত আৰু FM শাখাতো সাময়িক ভিত্তিত সেৱা আগবঢ়াই যাবলৈ সুবিধা পাইছোঁ। বৰ্তমান মই আকাশবাণী 'ক' শাখাৰ অস্থায়ী ঘোষিকা হিচাপে কাম কৰি আছোঁ। পিতাইদেউৰ আশীৰ্বাদ থকা বাবে, লগতে মোৰ একাগ্ৰতা, নিষ্ঠা, পৰিয়ালৰ সহযোগিতাৰ বাবে ই সম্ভৱ হৈ উঠিছে। ই মোৰ বাবে চিৰস্মৰণীয়। আকাশবাণী গুৱাহাটী কেন্দ্ৰত সাময়িক ভিত্তিত ঘোষিকা হিচাপে কাম কৰাৰ মধুৰ অভিজ্ঞতা ৰোমন্থন নকৰাকৈ থাকিব নোৱাৰিলোঁ। এই মধুৰ অভিজ্ঞতাসমূহে সদায় মনটোক সজীৱ কৰি ৰাখে। ই একপ্ৰকাৰ নষ্টালজিয়া। এবাৰ যদি কোনোৰে এই কামত নিয়োজিত হৈ পৰে তাক তাৰ পৰা এৰুৱাই আনিবলৈ বৰ কঠিন হৈ পৰে। মোৰ ক্ষেত্ৰত এইটোৱে প্ৰাধান্য লাভ কৰিছিল। দৌৰাদৌৰী, দুখ-কষ্ট নেওচিও সময়মতে কামটোৰ প্ৰতি থকা নিষ্ঠা, একাগ্ৰতা, দায়িত্ব পালনৰ অৰ্থে গুৱাহাটীলৈ মানে আকাশবাণীলৈ যাও। কি যে ভাল লগা এই Live Broadcast। ৰাতিপুৱা চাৰে পাঁচ বজাত (৫.৩০) বন্দে মাতৰমেৰে দিনটোৰ অনুষ্ঠানৰ আৰম্ভণি কৰা আৰু নিশা চাৰে দহ (১০.৩০) বজাত কেতিয়াবা ১১.১০ মিনিটত জয়হিন্দেৰে নৈশ অধিৱেশন সামৰণি মৰাটো ঘোষক-ঘোষিকাসকলৰ বাবে একান্ত দায়িত্ব, সেই দায়িত্ব মূৰ পাতি ল'বলৈ যিমান ভাল লাগে সিমান কিন্তু ভয় লগাও। কিজানি কিবা কওঁতে ভুলতে কিবা ওলায়, কাৰণ ভুলকৈ ক'লে শ্ৰোতাসকলৰ পৰা সমিধানৰ যোগেদি অৰ্থাৎ চিঠি-পত্ৰৰ মাধ্যমেৰে আমাৰ ওপৰত ব্যৱস্থা ল'বলৈ সকীয়াই দিয়ে। এতিয়াও ৰেডিঅ' শুনা মানুহৰ অভাৱ নাই বুলি ক'লেও বঢ়াই কোৱা নহয়, কাৰণ প্ৰতিটো অনুষ্ঠানৰ ভাল-বেয়া নিৰ্ভৰ কৰে শ্ৰোতাৰ চিঠিপত্ৰৰ ওপৰত। ভাল হ'লে প্ৰশংসা পাওঁ আৰু বেয়া হ'লে তাক ভালকৈ উপস্থাপন কৰাৰ সুযোগ পাওঁ সপ্তাহত এদিন এটা ডিউটিৰ বাবে নিজকে সক্ৰিয়ভাৱে প্ৰস্তুত কৰিব লাগে। তেতিয়াহে মই মোৰ কামটোৰ সঠিক ফল লাভ কৰিবলৈ সক্ষম হওঁ। আচলতে সাময়িক ভিত্তিত কৰা ঘোষিকাৰ কামটো কেৱল গুৱাহাটীৰ বাসিন্দাৰ বাবেহে। কামৰ সূত্ৰে গুৱাহাটীৰ বাহিৰত থাকিব লগা হোৱাৰ বাবে নিৰ্দিষ্ট সময়ত ৰেডিঅ'ত উপস্থিত হ'বলৈ কিছু আগতীয়া প্ৰস্তুতি কৰিব লাগে। তাতো আছে কি যে মজা। ৰাস্তা পদূলি নোহোৱাৰ দিনতো মই বহু কষ্টৰে সময়তকৈ কিছু আগতেই গৈ ৰেডিঅ'ত উপস্থিত হওঁ কিয়নো কামটোৰ প্ৰতি থকা একাগ্ৰতা আৰু দায়িত্বৰ বাবে। যাতে মোৰ দায়িত্বত থকা অধিৱেশনটো নিয়াৰিকৈ সুচাৰুৰূপে সম্পাদন কৰিব পাৰোঁ। ৰেডিঅ'ত তিনিটা অধিৱেশন আছে। প্ৰথম, দ্বিতীয় আৰু তৃতীয় অধিৱেশন। মই মোৰ সুবিধাৰ বাবে বেছিভাগ ডিউটি তৃতীয় অধিৱেশনত কৰোঁ।

এবাৰ বানপানীৰ সময়ত ঘটা এটা অভিজ্ঞতা বাৰুকৈয়ে মনত পৰি থাকে। তেতিয়া ম'বাইল ফোনৰ ব্যৱস্থা হোৱা নাই। মোৰ কিন্তু ডিউটি কনফাৰ্ম কৰা আছে। কিয়নো এসপ্তাহৰ আগতেই ডিউটি লিষ্ট তৈয়াৰ হৈ ডিউটি ৰুমত দিয়া থাকে। আৰু সেইমতেই সকলোৱে নিজৰ নিজৰ ডিউটি কনফাৰ্ম কৰে। এনেতে প্ৰবল বানপানীয়ে চাৰিওফালে ৰাস্তা-পদূলি বুৰাই পেলাইছে। মই কিন্তু

ডিউটিলৈ যাবই লাগিব, কাৰণ মোৰ ডিউটি মোৰেই, যদিহে ফোনৰ ব্যৱস্থা থাকিলহেঁতেন কেন্সেল কৰিব পৰা গ'লহেঁতেন। যিহেতু সেই ব্যৱস্থা হোৱাই নাই, জীৱন মৰণ পণ কৰি নাৱেৰেই বহু ৰাস্তা অতিক্ৰম কৰি ৰেডিঅ' পাইছিলোঁগৈ। মাজবাটত এনে লাগিছিল যেন মই পানীৰ প্ৰবল সোঁতত বিলীন হৈ যাম। কিন্তু একান্ত ইচ্ছা আৰু ভালপোৱাৰ বাবেই হয়তো ভগৱানে পাৰ কৰি লৈ গ'ল আৰু সময়ত ৰেডিঅ' পাইছিলো আৰু কৰ্তব্য পালন কৰিছিলোঁ। ভাবিলে এতিয়া আচৰিত লাগে।

অলপতে আৰু এটা মোৰ খুব ভাল লগা অনুভৱ আপোনালোকৰ সৈতে বিনিময় কৰিবলৈ প্ৰয়াস কৰিছোঁ। সেইটো হ'ল অসমৰ মুখ্যমন্ত্ৰী মাননীয় সৰ্বানন্দ সোণোৱালৰ বিশেষ সাক্ষাৎকাৰ ভিত্তিক অনুষ্ঠান 'অন্তৰংগ আলাপ'। সেই অনুষ্ঠানটিৰ ঘোষিকাৰ দায়িত্বত আছিলো মই। ষ্টুডিঅ'ত আসন গ্ৰহণ কৰা মহোদয়ৰ অনুষ্ঠানটি মই ঘোষণাৰে আৰম্ভ কৰি মাইক্ৰ'ফোন আগবঢ়াই দিয়াৰ পাছতহে আঞ্চলিক বাতৰি বিভাগৰ বাৰ্তা সম্পাদকে আঁত ধৰিব পাৰিব। এই কথাখিনি, উপলব্ধি মোৰ বাবে সদায় চিৰস্মৰণীয় হৈ ৰ'ব। যিমান ভাল লাগিছিল সিমান ভয়ো লাগিছিল। ভগবানৰ কৃপাত সকলো ঠিকেই হ'ল।

ৰাতিপুৱা ডিউটি থাকিলে পুৱা ৪.৩০ বজাত ৰেডিঅ'ৰ গাড়ী আহে আমাক নিবলৈ আৰু ৰাতিৰ ডিউটি কৰিলে ১১.১০ বজাত নিজৰ নিজৰ ঠিকনাত গাড়ীৰে থ'বলৈ আহে। ৰেডিঅ'ৰ গাড়ীত উঠাৰ সেই সৌভাগ্যকণো মোৰ বাবে উল্লেখনীয়। তাতো আছে কি যে মজা আৰু এনে বহু অভিজ্ঞতা আছে যিবোৰে আজিও মনত আনন্দ দিয়ে। আকাশবাণীত কাম কৰা শীৰ্ষ বিষয়াৰ পৰা চতুৰ্থ বৰ্গৰ কৰ্মচাৰী সকলোৰে লগত আমাৰ আছিল এক মধুৰ সম্পৰ্ক, আমি সকলোৰে এটি পৰিয়ালৰ সদস্য হিচাপে ইজনে সিজনক মানি আহিছোঁ। ভাবিলেই ভাল লাগি যায়। আকাশবাণীক এখন ঘৰৰ লগত তুলনা কৰিলেও বঢ়াই কোৱা নহ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰ অসমৰ এক আপুৰুগীয়া সম্পদ। এই সম্পদক সুৰক্ষিত কৰি ৰক্ষণাবেক্ষণ দিয়াটো আমাৰ সকলোৰে পবিত্ৰ কৰ্তব্য আৰু দায়িত্ব। আকাশবাণী গুৱাহাটীকেন্দ্ৰই ৭০ তম বৰ্ষত ভৰি দিলে। সাফল্যৰ সোণোৱালী যাত্ৰাৰে আৰু বহু দূৰ দূৰলৈ আগুৱাই গৈ থাকক এই মৰ্যাদাসম্পন্ন অনুষ্ঠানটি। তাৰে কামনা কৰিলোঁ। ◆◆

# পুথি ভঁৰালৰ ক্ৰমবিকাশ

**চন্দ্ৰকান্ত বৰা**
গ্ৰন্থাগাৰিক, মায়ং আঞ্চলিক মহাবিদ্যালয়

পুথিভঁৰাল মানৱ সভ্যতাৰ এক উজ্জ্বল নিদৰ্শন। মানৱ সভ্যতা বিকাশত পুথিভঁৰালে যে প্ৰচুৰ অৱদান আগবঢ়াই আহিছে তাক অস্বীকাৰ কৰাৰ সাধ্য নাই। সাধাৰণ অৰ্থত পুথিভঁৰাল হ'ল যি ঠাইত পাঠকে পঢ়িবৰ বাবে নানান বিষয়ৰ গ্ৰন্থ জমা কৰি ৰখা হয়। অৰ্থাৎ পুথি বা গ্ৰন্থৰ ভৰাল। পুথি ভঁৰালক আমি বিভিন্ন নামেৰে বুজো। যেনে গ্ৰন্থাগাৰ, পাঠাগাৰ, গ্ৰন্থালয়, প্ৰস্তকালয়। পুথিভঁৰালৰ ইংৰাজী শব্দটো হৈছে লাইব্ৰেৰী Libreary। এই Libreary শব্দটো আহিছে লেটিন শব্দ Liber ৰ পৰা। Liber শব্দটোৰ অৰ্থ হ'ল গ্ৰন্থ বা পুথি। কাগজ আবিষ্কাৰ হোৱাৰ আগতে জ্ঞান গৰ্ভ কথাবোৰ লিপিবদ্ধ কৰি ৰাখিছিল মাটিৰ ফলি, পাপিৰাচ আৰু জন্তুৰ ছাল আদিত এই সমূহ সংগ্ৰহ কৰি ৰখা ঠাই ডোখৰকে জ্ঞান-ভঁৰাল বোলা হৈছিল। কাগজ আবিস্কাৰ হোৱাৰ পাছত জ্ঞান গৰ্ভ এই কথাবোৰ কাগজত ছপা কৰি ৰখা হৈছিল।

অতীতত মানুহে কেতিয়া ক'ত পুথিভঁৰাল স্থাপন কৰিছিল তাৰ সঠিক উত্তৰ ইতিহাসবিদ সকলেও দিব পৰা নাই। কিন্তু খৃঃ পূঃ নৱম আৰু সপ্তম শতিকাৰ দক্ষিণ-পশ্চিম এছিয়াৰ এছিৰিয় ৰজাসকল আৰু খৃঃ পূঃ ৩০০০ শতিকাৰ ইজিপ্তৰ ৰজা সকলৰো বৃহৎ বৃহৎ পুথিভঁৰাল আছিল বুলি ইতিহাসবিদসকল একমত। ইজিপ্তৰ প্ৰথমটো পুথিভঁৰালত আছিল মিচৰিয় নল - খাগৰীৰ ২০,০০০ দুৰা, য'ত কথাবোৰ লিপিবদ্ধ কৰা আছিল। এই পুথিভঁৰালটো স্থাপন কৰিছিল দ্বিতীয় ৰামচেচে, খৃঃ পূঃ ১২৫০ শতিকাত।

**ৰাজহুৱা পুথিভঁৰালৰ প্ৰসঙ্গ ঃ**

বিশ্বৰ প্ৰথমটো ৰাজহুৱা পুথিভঁৰাল স্থাপন কৰিছিল আলেজেন্দ্ৰিয়াৰ মেছিডনিয়ান ৰজা টোলেমী[১] য়ে। খৃঃ পূঃ তৃতীয় শতিকাত স্থাপন কৰা এই পুথিভঁৰালটো পূৰ্ব্বতকৈ ডাঙৰকৈ সজাইছিল দ্বিতীয় টোলেমীয়ে। তেওঁ গ্ৰীছ আৰু এছিয়াৰ পৰা গ্ৰন্থ সংগ্ৰহ কৰি পৰবৰ্ত্তী পৰ্যায়ত আন দুটা পুথিভঁৰাল

স্থাপন কৰিছিল। আলেকজেন্দ্ৰিয়া আৰু চেৰপিয়াম নাম অট্টালিকাত। দ্বিতীয় টলেমীৰ শাসন কালতে এখন গ্ৰন্থৰ তালিকাও প্ৰস্তুত কৰা হৈছিল। এই খনেই আছিল বিশ্বৰ প্ৰথমখন কিতাপৰ তালিকা। খৃঃ পূঃ ৪৭ শতিকাত ৰোমান সম্ৰাত জুলিয়াচ চিজাৰে আলেজেন্দ্ৰিয়া দখলৰ সময়ত এই পুথিভঁৰালৰ লগতে গ্ৰন্থ সমূহো ধ্বংস কৰে।

দক্ষিণ ইউৰোপৰ প্ৰাচীন ৰোমত প্ৰথমটো ৰাজহুৱা গ্ৰন্থাগাৰ স্থাপন কৰিছিল এচিনিয়াচ পলিওই খৃঃ পূঃ এক শতিকাত। এপ'ল' মন্দিৰৰ আগাষ্টাচ পুথিভঁৰাল আৰু শান্তিৰ মন্দিৰৰ ভেচপাচিয়ান পুথিভঁৰাল দুটাও সেই সময়তে স্থাপন কৰা হৈছিল। গ্ৰীক আৰু মেচিডনিয়ান ৰজা সকলক পৰাভূ কৰি তেওঁলোকৰ গ্ৰন্থ সমূহ সংগ্ৰহ কৰি ৰোমান সম্ৰাট ট্ৰজানে খৃঃ পূঃ ৯০-১১৭ শতিকাৰ এক উল্লেখযোগ্য পুথিভঁৰাল স্থাপন কৰিছিল আলপাচ নামেৰে।

**পুথিভঁৰালৰ ক্ৰমবিকাশ ঃ**

খৃষ্টাব্দ দ্বিতীয় শতিকাৰ পৰা ধনী আৰু খ্যাতনামা ব্যক্তি সকলক নিজ নিজ ঘৰত পুথিভঁৰাল এটা খোলা কামটো ফেছনৰ দৰে পৰিছিল। চীন দেশত প্ৰথম কাগজৰ আবিস্কাৰ হোৱাৰ পাছত গ্ৰন্থৰ উৎপাদন ব্যয় বহু পৰিমাণে হ্ৰাস পাইছিল।

চীন দেশত প্ৰথম কাগজৰ আবিস্কাৰ হোৱাৰ পাছত গ্ৰন্থৰ উৎপাদন ব্যয় বহু পৰিমাণে হ্ৰাস পাইছিল। এই সুবিধাতে হাজাৰ হাজাৰ গ্ৰন্থ ৰাখিব পৰা বহু পুথিভঁৰালটোৰ প্ৰতিষ্ঠা হৈছিল। উদাহৰণ হিচাপে পশ্চিম ইউৰোপৰ দক্ষিন স্পেইনৰ মহানগৰ ক'ৰডোবা পুথিভঁৰালটোৰ কথাকে উল্লেখ কৰিব পাৰি। দশম শতিকাৰ এই পুথিভঁৰালৰ গ্ৰন্থৰ সংখ্যা প্ৰায় চাৰিলাখ আছিল।

এই সময়তে প্ৰায় দেশৰ মঠ বোৰত পুথিভঁৰাল স্থাপন কৰা হৈছিল। শত্ৰু দেশবোৰৰ পৰা বলপূৰ্বক গ্ৰন্থ সংগ্ৰহ কৰি মূল্যবান গ্ৰন্থ সমূহ নকলৰ ব্যৱস্তা কৰিবলৈ একে একেটা বিশেষ কোঠাৰ ব্যৱস্থা কৰিছিল। এই কোঠাটোৰ নামকৰণ কৰা হৈছিল scriptorium।

একাদশ শতিকাত ইটালীৰ বলের্ন আৰু ব'লোংগাত দুখন বিশ্ববিদ্যালয় স্থাপন কৰা হয়। পুথিভঁৰাল বিকাশত এই বিশ্ববিদ্যালয় দুখনে প্ৰচুৰ অৰিহনা আগবঢ়াই। ফ্ৰান্সত পঞ্চম "চাৰ্লচ দি ৰাইজে" নিৰ্মান কৰিছিল"ফান্স ৰয়েল লাইব্ৰেৰী" পঞ্চদশ শতিকাত ছপা যন্ত্ৰৰ আবিস্কাৰ হোৱাৰ লগে লগে গ্ৰন্থবোৰ সোনকালে ছপা কৰি বজাৰলৈ উলিয়াই দিব পৰা হ'ল। গ্ৰন্থৰ মূল্যও হ্ৰাস হ'বলৈ ধৰিলে। ইয়াৰ বিপৰীতে গ্ৰন্থৰ চাহিদা বাঢ়িবলৈ ধৰিলে দ্ৰুতগতিত। এই শতিকাৰ কেইটামান উল্লেখযোগ্য পুথিভঁৰাল হ'ল লাইব্ৰেৰী অৱ দি ম'নাচষ্টী, এপষ্টলিক, লাইব্ৰেৰী, ডেনিচৰ ডি মাৰ্চিয়ান লাইব্ৰেৰী, ফ'ৰেন্সৰ ল'ৰেনজিয়ান লাইব্ৰেৰী, ফ্ৰান্সৰ দি নেশ্যনেল লাইব্ৰেৰী, অষ্টিয়াৰ নেশ্যনেল লাইব্ৰেৰী, বুডাপেষ্টৰ ডি লাইব্ৰেৰী অৱ মেথিয়াচ, ক'ভিনাচ' আৰু অ'ক্সফৰ্ডৰ বলিয়ান লাইব্ৰেৰী অ'ক্সফৰ্ডৰ ব'ডলিয়ান লাইব্ৰেৰী হ'ল ইংলেণ্ডৰ উচ্চ শিক্ষাৰ আটাইতকৈ পুৰণি কেন্দ্ৰ। এই পুথিভঁৰালক পুনৰ জীৱিত কৰি সংৰক্ষণ কৰিছিল ইংলেণ্ডৰ পণ্ডিত আৰু কূটনীতিবিদ চাৰ থমাচ ব'ডলীয়ে ১৬০২ চনত। তেওঁ ইউৰোপৰ পৰা লাভ কৰা গ্ৰন্থ সম্ভাৰো দান কৰিছিল এই পুথিভঁৰাললৈ। বৃটেইনত প্ৰকাশিত প্ৰতিখন গ্ৰন্থৰে একোটা কপী যাতে অ'ক্সফৰ্ড বিশ্ববিদ্যালয়ে লাভ কৰিব পাৰে তাৰো ব্যৱস্থা কৰিছিল বড'লীয়ে। সেই প্ৰক্ৰিয়া আজিও অব্যাহত আছে। ইংলেণ্ডৰ আন এটা উল্লেখযোগ্য লাইব্ৰেৰী হ'ল দি বিটিশ লাইব্ৰেৰী। ১৮৫২ চনত ইংলেণ্ডত প্ৰথমটো ৰাজহুৱা পুথিভঁৰাল প্ৰতিষ্ঠা কৰা হয় মানচেষ্টাৰত। এই পুথিভঁৰাললৈ পুঁজিৰ যোগান ধৰা হৈছিল চৰকাৰৰ ঘৰৰ পৰা।

মাছাচুছেটচ আৰু দক্ষিন কল'নীত বাসকৰা লোক সকলে সংগ্ৰহ কৰা গ্ৰন্থবোৰেই আছিল আমেৰিকাৰ প্ৰথম গ্ৰন্থ সংগ্ৰহালয়। ইংৰাজ পাদুৰী জন হাভাৰ্দেহ প্ৰথম গৱেষনা গ্ৰন্থাগাৰ স্থাপন কৰিছিল। পৰবৰ্তী কালত ১৭৩১ চনত আমেৰিকাৰ প্ৰসিদ্ধ লেখক বেঞ্জামিন ফ্ৰেংকলিনে প্ৰতিষ্ঠা কৰা ফিলাডেলফিয়াৰ লাইবেৰী কোম্পানী। উদ্দেশ্য বেপাৰী সকলৰ বাবে গ্ৰন্থ সহজলভ্য কৰি তোলা আৰু কিছু ৰেহাই মূল্যত সেইবোৰ বেপাৰৰ বাবে এৰি দিয়া। আমেৰিকাৰ বিপ্লৱৰ পাছত ব'ষ্টন, নিউৰ্য়ক আৰু ফিলাডেলফিয়াত পুথিভঁৰাল স্থাপন কৰি মুকলি কৰা হয়। ১৮০০ চনত ৱাচিংটন ডি চিত বিখ্যাত লাইব্ৰেৰী অৱ কংগ্ৰেছ স্থাপন হয়। চহৰ অঞ্চলত পুথিভঁৰাল গৃহ নিৰ্মান কৰিবৰ বাবে আমেৰিকাৰ বিখ্যাত উদ্যোগপতি এন্দ্ৰু কাৰ্নেজীয়ে প্ৰচুৰ পৰিমাণৰ বিত্তীয় সাহাৰ্য আগবঢ়াইছিল। তেওঁৰ বিত্তীয় সাহাৰ্যৰে ১৬৮১ টা ৰাজহুৱা পুথিভঁৰাল স্থাপন হৈছিল।

ভাৰতবৰ্ষত প্ৰাচীন কালত মানুহৰ মুখে মুখে ধৰ্মীয় কথাবোৰ আলোচনা হৈছিল আৰু ইয়াৰ শিক্ষনো কিছুমান জাতিৰ মাজতে সীমাবদ্ধ আছিল। বেদ, উপনিষদ আৰু মহাকাব্যসমূহে শিক্ষনত বহু ভূমিকা পালন কৰিছিল, কিন্তু এই সমূহ সাঁচিপাতৰ পুথিও সংৰক্ষিত আছিল মঠ মন্দিৰ আৰু কিছু সংখ্যক ধৰ্ম গুৰুৰ হাতত। মহামতি অশোকে (৩০০ বি. চি.) কিছুমান বাণী শিলাখণ্ডত লিপিবদ্ধ কৰিছিল আৰু সেয়াই আছিল প্ৰথম সকলোৰে বাবে মুকলি পুথিভঁৰাল।

ভাৰতৰ দুখন পুৰণি বিশ্ববিদ্যালয় তক্ষশীলা আৰু নালন্দাৰ বিখ্যাত গ্ৰন্থাগাৰৰ কথা পোৱা যায়। ইয়াৰ সম-সাময়িক ৰজা মহাৰজাসকলৰ ৰাজমহলৰ সংলগ্নভাৱে পুথিভঁৰাল আছিল। বিক্ৰমশীলা আৰু উড়ান্তপুৰি আছিল পুৰণি ভাৰতবৰ্ষৰ দুটা বিখ্যাত অধ্যয়ন কেন্দ্ৰ। ৮১০ এ ডি ত বিক্ৰমাশীলা কেন্দ্ৰলৈ বহু বিদেশী ছাত্ৰৰো আগমন ঘটিছিল আৰু তেওঁলোকে ভাৰতীয় গ্ৰন্থৰ অনুবাদ কৰি এই ধৰ্মীয় অধ্যয়ন কেন্দ্ৰ এটা বিখ্যাত পুথিভঁৰাল স্থাপন কৰিছিল।

এঘাৰ বাৰ আৰু তেৰ শতিকাত মন্দিৰ মজজিদবোৰৰ সংলগ্ন ভাৱে একো একোটা গ্ৰন্থাগাৰ প্ৰতিষ্ঠা হৈছিল। কিছুসংখ্যক ধৰ্মীয়লোকৰ সাহাৰ্য আৰু ৰাজকীয় সাহাৰ্যৰে এই পুথিভঁৰাল সমূহ প্ৰতিষ্ঠা হৈছিল।

মোগল বাদছাহ সকলৰ দিনতো ভাৰতবৰ্ষত পুথিভঁৰাল প্ৰতিষ্ঠা হয়। হুমায়ুনৰ এটি বিখ্যাত গ্ৰন্থাগাৰৰ কথা ইতিহাসত পোৱা যায় আৰু ইয়াত চিৰিত পিছল খায়েই হুমায়ুনৰ মৃত্যু হৈছিল। ইয়াৰ পাছৰ চুলতান বংশৰ ৰজা চুলতান জালাল উদ্দিন খিলিজিয়ে ১২৯০ খৃঃত ইম্পেৰিয়েল লাইব্ৰেৰী প্ৰতিষ্ঠা কৰে।

আধুনিক ভাৰতবৰ্ষত প্ৰথম পুথিভঁৰাল স্থাপন কৰিছিল বৃটিছসকলে উনৈশ শতিকাৰ প্ৰথম ভাগত। বোম্বাই (বৰ্তমান মুম্বাই) কলিকতা (বৰ্তমান কলকতা) আৰু মাদ্ৰাজ (বৰ্তমান চেন্নাই) ত স্থাপন কৰা হয়। এই পুথিভঁৰালবোৰৰ দুৱাৰ মুকলি আছিল কেৱল ইউৰোপীয়া আৰু ব্যুৰক্ৰেটসকলৰ বাবেহে। কলিকতাত প্ৰথম ৰাজহুৱা গ্ৰন্থাগাৰ মুকলি কৰা হয় ১৮৩৬ চনত আৰু ই আছিল এক পৰীক্ষামূলক পদক্ষেপ। ইয়েই আছিল ভাৰতবৰ্ষৰ প্ৰথমটো ৰাজহুৱা পুথিভঁৰাল। কলিকতাত ইম্পেৰিয়েল লাইব্ৰেৰী গঠন কৰা হৈছিল ১৮৯১ চনত। এই ইম্পেৰিয়েল লাইব্ৰেৰীৰ লগত সংলগ্ন আছিল কেইটামান চেক্ৰেটেৰিয়েট লাইব্ৰেৰীও।

লণ্ডনৰ বৃটিছ মিউজিয়ামত সহকাৰী গ্ৰন্থাগাৰিক হিচাপে চাকৰি কৰা জন মেকৰ্ফালিনেই আছিল ভাৰতৰ প্ৰথম গ্ৰন্থাগাৰিক। মেকফালিনৰ পাছত এই দায়িত্ব গ্ৰহণ কৰে পণ্ডিত ভাষাতত্ত্ববিদ হৰিনাথ দেই। এই হৰিনাথ দে হ'ল প্ৰথম গৰাকী ভাৰতীয় গ্ৰন্থাগাৰিক। ১৯০৩ চনত তেতিয়াৰ ভাইচৰ আৰু গভৰ্ণৰ জেনেৰেল লৰ্ড কাৰ্জনে কলিকতা পাব্লিক লাইব্ৰেৰী আৰু ইম্পেৰিয়েল লাইব্ৰেৰী লগ লগাই নতুনকৈ গঢ় দিয়ে এটা ৰাজহুৱা লাইব্ৰেৰী আৰু তাৰ নাম ৰখা হয় ইম্পেৰিয়েল লাইব্ৰেৰী।

১৯১৪ চনত তেতিয়াৰ মহীশুৰৰ দেৱান ড° এম বিশ্বেশ্বৰাজাক নিৰ্দেশ দিয়া হয় বাংলালোৰত এটা ৰাজহুৱা পুথিভঁৰাল স্থাপন কৰিবৰ বাবে। পৰবৰ্তী কালত ভাৰতৰ পুথিভঁৰাল বিজ্ঞানৰ পিতৃৰূপে খ্যাত ড° এচ. আৰ ৰংগনাথন, বৰোদাৰ ছায়াজি ৰাও গায়কোৱাদ আৰু বেংগলৰ মাহোপধ্যায় লগ লাগি পুথিভঁৰালৰ এক বৃহৎ 'নেটৱৰ্কৰ'ৰ গঢ় দিয়ে সমগ্ৰ ভাৰতবৰ্ষজুৰি। ১৯৩০ চনত মডেল ভাৰতবৰ্ষৰ স্বাধীনতাৰ পাছত গ্ৰন্থাগাৰেও প্ৰসাৰতা লাভ কৰে। ১৯৫৩ চনত গঠন হোৱা বিশ্ববিদ্যালয় অনুদান আয়োগে (University Grant Commission) ভাৰতৰ উচ্চ শিক্ষাৰ প্ৰসাৰ ঘটাই আৰু ১৯৫৭ চনত ড° এছ. আৰ ৰংগনাথনক বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সমূহৰ উন্নতিৰ হকে গঠন কৰা পৰামৰ্শ সমিতিৰ সভাপতি নিযুক্ত কৰে। এই সমিতিৰ চেষ্টাত গ্ৰন্থাগাৰ সমূহে দোপত দোপে উন্নতি সাধন কৰে। ১৯৪৮ চনত কলিকতা ইম্পেৰিয়েল লাইব্ৰেৰীয়ে ভাৰতৰ নেচনেল লাইব্ৰেৰী হিচাপে প্ৰতিষ্ঠা লাভ কৰে।

আধুনিক পুথিভঁৰাল মানে কেৱল কিতাপ ৰখা ঘৰটোক নুবুজায়। আধুনিক পুথিভঁৰালত প্ৰয়োজনীয় সকলো তথ্যকে পোৱা যায় বিভিন্ন ফৰ্মেটত। যেনে - আলোচনী, মাইক্ৰ'ফিল্মচ, ফোনৰেকৰ্ডিংচ, মেগনেটিকচ্ টেপচ, শ্লাইডচ, ভিডিঅ'জ, চি ডি আৰু অন্যান্য বৈদ্যুতিক মিডিয়াৰ ফৰ্মেট।

সমগ্ৰ বিশ্বতে গ্ৰান্থাগাৰক যি ধৰণে আধুনিককৰণ কৰা হৈছে তাৰ তুলনাত অসমৰ পুথিভঁৰালৰ অৱস্থাটো বেছ পুতৌজনক বুলিয়েই ক'ব পৰা যায়। বৰ্তমান অসমৰ জিলা

পুথিভঁৰালবোৰৰ অৱস্থা ভাল বুলি ক'ব নোৱাৰি। আজিৰ পৰা ত্ৰিশ বছৰমান আগলৈকে এই গ্ৰন্থাগাৰবোৰেই আছিল জ্ঞানপিপাসু সকলৰ বাবে জ্ঞানৰ ভাণ্ডাৰ। এতিয়া কথাটো কোনেও তেনেদৰে নাভাবে। ইন্টাৰনেট বা কম্পিউটাৰ নেটৱৰ্কৰ দিনত অসমৰ জিলা পুথিভঁৰালবোৰ প্ৰায় গুৰুত্বহীন হৈ পৰিছে। অন্যান্য দেশৰ লগতে ভাৰবৰ্ষৰো দিল্লী, চেন্নাই, মুম্বাই, কলকতা, পুণে, মহীশুৰতো গ্ৰন্থাগাৰ সমূহক উন্নীত কৰা হৈছে যিবোৰ তথ্য যোগানৰ ক্ষেত্ৰত আন্তৰ্জাতিক নেটৰ্বক পৰ্যায়লৈ উন্নীত হ'ব পাৰিছে। ভাৰতবৰ্ষৰ আনকেইখন ৰাজ্যৰ তুলনাত অসম অলপো আগবাঢ়ি পৰা নাই। গতিকে নিশ্চিতভাৱেই অসমৰ গ্ৰন্থাগাৰ সমূহ তাহানিৰ দিনতে ৰৈ আছে। অসমত থকা ছয়খন বিশ্ববিদ্যালয় আৰু ৩২৮ খন মহাবিদ্যালয়েও গ্ৰন্থাগাৰ সমূহকো ডিজিটেল গ্ৰন্থাগাৰলৈ উন্নীত কৰিব পৰা নাই। ব্যতিক্ৰম একমাত্ৰ গুৱাহাটীত প্ৰতিষ্ঠ আই আই টি খন। কম্পিউটাৰ নেটৱৰ্ক পদ্ধতিৰে আই আই টি খনে পূৰ্ণাঙ্গ পদ্ধতিৰে গ্ৰন্থাগাৰৰ সেৱা আগবঢ়াব পাৰিছে। বৰ্তমান বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহযোগত আহমদাবাদ স্থিত ইনফ্ৰাৰমেছন এণ্ড লাইব্ৰেৰী নেটৱৰ্কৰ সহযোগত উত্তৰ পূৰ্বাঞ্চলৰ গ্ৰন্থাগাৰ সমূহক কম্পিউটাৰ নেটৱৰ্ক পদ্ধতিলৈ উন্নিত কৰিবৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা চলাই আহিছে আৰু কম বেছি পৰিমাণে সফলো হৈছে। কিন্তু পৰিবৰ্ত্তিত ব্যৱস্থাটোৰ লগত তাল মিলাই আগবাঢ়িবৰ বাবে আমি আমাৰ মানসিকতাৰো পৰিবৰ্তন কৰিব লাগিব।

**ভাৰতবৰ্ষৰ গ্ৰন্থাগাৰৰ তথ্য ঃ**

বৰ্তমান ভাৰতবৰ্ষত প্ৰায় ৭১,০৬৯ টা গ্ৰন্থাগাৰ আছে। ইয়াৰে ৫৪৮৪৫ টা হ'ল ৰাজহুৱা গ্ৰন্থাগাৰ। ৮২৬৭ টা হ'ল শৈক্ষিক গ্ৰন্থাগাৰ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ গ্ৰন্থাগাৰৰ সংখ্যা হ'ল ১২০০ টা। ৮০০ টা চৰকাৰী বিভাগীয় গ্ৰন্থাগাৰ। ৪৫০ টা সমাজ বিজ্ঞান, ৫০০ টা কলা আৰু সাংস্কৃতিক, ৭ টা ৰাষ্ট্ৰীয়, ৫০০০ টা বাণিজ্য আৰু ব্যক্তিগত অনুষ্ঠানৰ গ্ৰন্থাগাৰ।

বিশ্বৰ সৰ্ববৃহৎ গ্ৰন্থাগাৰটো হ'ল ৱাছিংটনৰ ডি চিৰলাইব্ৰেৰী অৱ কংগ্ৰেছ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এই বৃহৎ পুথিভৰালটোত ৪৭০ টাতকৈও অধিক ভাষাত, মেপ আৰু ৰেকৰ্ড আদি আছে। ◆◆

# সময়ৰ সদ্ব্যহাৰ

অক্ষয় ডেকা
প্ৰাক্তন ছাত্ৰ

উন্নতি আৰু সাফল্য মানুহৰ জীৱনৰ কৰ্মফল। উন্নতি বা সাফল্য এটা আকস্মিক ঘটনা নহয়; ই বহুদিনীয়া প্ৰচেষ্টাৰ সুকৰ্মৰ ফলাফল। মানুহ নিজৰ ভাগ্যৰ নিৰ্মাতা বুলি কোৱাতকৈ কৰ্মৰ নিৰ্মাতা বুলি কোৱাহে বেছি সমীচিন। জন্মতেই কোনোৱে ঐশ্বৰ্য্য সম্ভাৰত হাত দি নাহে। ঐশ্বৰ্য্য সম্ভাৰক মানুহৰ সুকৰ্মই মাতি আনে। সময়ৰ সমষ্টিয়েই জীৱন। সীমাবদ্ধ জীৱনত যিকণ সামান্য সময় আমি পাও তাক সদ্ব্যবহাৰৰ যোগেদি জীৱন সাৰ্থক আৰু সুখময় কৰি তুলিব পাৰো।

যিকোনোধৰণৰ পেছা বা কাৰ্যত সময়ৰ সং ব্যৱহাৰ নোহোৱাই হ'ল কোনো বিষয়ত সাফল্য লাভ কৰাৰ পথত ডাঙৰ বাধা আৰু ব্যৰ্থতাৰ কাৰণ। সময় হ'ল মহাবিশ্বৰ সকলোতকৈ কৌশলী নিয়ন্তা, বিশ্ব ব্ৰহ্মাণ্ডৰ অভ্যাসৰ শক্তিৰ মহানিয়ন্তা। ই হ'ল দক্ষ পৰিবৰ্তনৰ মহান নীতিৰ পৰিচালক। পৰীক্ষা আৰু ভ্ৰম সংশোধনৰ মাধ্যমেৰে ব্যৰ্থতাৰ ভুল শুধৰাই প্ৰকৃত বিচাৰ কৰিবলৈ সময়েই আমাক অনুপ্ৰাণিত কৰে। সময়ে আমাৰ দৈনন্দিন জীৱনৰ সমূহ হতাশাক সাহসেৰে সহনশীলতাৰে উপলব্ধি কৰিবলৈ শিকায়। ই হ'ল আমাৰ তথা ছাত্ৰৰ আটাইতকৈ মূল্যবান সম্পদ। আমি কৰা সময়ৰ অপচয়ক চৰম পাপ বুলি ভাবিব লাগে।

আচলতে মহান মহান ব্যক্তিসকলৰ জীৱনত 'অলস সময়' বুলি একো নাই। কাৰণ তেখেতসকলে গঠনমূলক চিন্তাধাৰাই আধিপত্য কৰিব পৰাকৈ মনটোক সাজু কৰি ৰাখে। যাৰ ফলত তেখেতসকলৰ উদ্দেশ্য সফল হয়, উন্নত মানৰ জীৱন যাপন কৰিবলৈ সমৰ্থ হয়। টমাচ আলভা এডিচনে বিশ্বাস কৰিছিল যে যি শক্তি খৰছ কৰি আমি চিন্তা কৰো, সেয়া হ'ল অসীম জ্ঞানৰ বিস্তৃত এক আংশিক ৰূপ, তাৰ লগে লগে এই জ্ঞানে বৈশিষ্ট্য অৰ্জন কৰি অসংখ্য টুকুৰা-টুকুৰা নানা আংশিক জ্ঞানৰ পৰমাণু হৈ মানুহৰ মস্তিষ্কৰ ভিতৰত লালিত-পালিত হৈ থাকে। ইয়াৰ পিছত যেতিয়া চিন্তাধাৰাক মুক্ত কৰি দিয়া হয়, তেতিয়া সেয়া নদীৰ সোঁতৰ দৰে মহাসাগৰত বিলীন হৈ যায়। সময়ৰ অপব্যৱহাৰে জীৱনলৈ কেনে দুৰ্বিহ বিপৰ্যয় নমাই আনে দিগ্বিজয় নেপোলিয়ন তাৰ জ্বলন্ত উদাহৰণ। ইংলিছ চেনেল আক্ৰমণ কৰাত পাঁচ মিনিট পলম কৰাৰ কাৰণে ট্ৰাফালগাৰ যুদ্ধত তেওঁৰ পৰাজয় ঘটিল। অকল সেয়ে নহয়, পিঞ্জৰাবদ্ধ হৈ সুদূৰ চেণ্ট, হেলেনা দ্বীপত শুকাই শুকাই তিলতিলকৈ মৰণক সাবটি ল'বলগীয়া হৈছিল। ৰাৱণে পাপী-তাপী সকলোৱে স্বৰ্গলৈ যাব পৰাকৈ লংকাৰ পৰা স্বৰ্গলৈ এটা সোণৰ আলি বন্ধাব খুজিছিল. কৰিম কৰিম বুলি থাকোতেই মৃত্যুৱে তেওঁক সাবটি ধৰিলেহি। সোণৰ আলি আৰু কোনেদিনেই বন্ধা হৈ নুঠিল।

ছাত্ৰ জীৱনত সময়ৰ মূল্য আটাইতকৈ বেছি। অতিবাহিত হৈ যোৱা সময়ক লাখ লাখ টকা দি কিনিব নোৱাৰি। সময়ত কৰা অধ্যয়নে ছাত্ৰৰ ভৱিষ্যৎ উজ্জ্বল কৰে।

কৰ্মই সময়ৰ মূল্য নিৰূপণ কৰে। কৰ্মই সময়ক ধৰি ৰাখিব পাৰে। যেতিয়াই যিটো কাম, তাক তেতিয়াই সম্পাদন কৰি তাৰ মূল্যৰে সময়ৰ মূল্য আমি নিৰূপণ কৰিব পাৰো। যি সময়ত, যি কাম সম্পাদন কৰা হয়, সেয়ে তাৰ মূল্য। ছাত্ৰ-ছাত্ৰীসকলে পুৱা খুব সোনকালে শুই উঠিব লাগে। 'শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে। এই চিৰন্তন সত্য, সহজ কথাষাৰ মনত ৰখা উচিত। লাচিতে সময়ৰ মূল্য বুজি 'কামত ক্ষমা বিচৰা' মোমায়েকক নকটা হ'লে মোমাইকটা গড়ৰ অস্তিত্ব আৰু মূল্য পৃথিৱীয়ে কেতিয়াও অনুভৱ কৰিব নোৱাৰিলেহেঁতেন। মোমায়েকক নকটাহ'লে দেশ ৰসাতলে গ'লহেঁতেন।

শৈশৱ আৰু কৈশোৰকালত যদি আমি বিদ্যা শিক্ষা নকৰোঁ পিছত আমাৰ জীৱনলৈ বিপৰ্যয় আহিব। মৰম, চেনেহ, আদৰ, সন্মান, শ্ৰদ্ধা আদি পোৱাৰ পৰা বঞ্চিত হ'ব। ছাত্ৰ অৱস্থাৰ সময়ে হ'ল জীৱনৰ প্ৰস্তুতিৰ সময়। ভৱিষ্যৎ জীৱনৰ সকলো কৰ্মৰ দায়িত্বভাৰ গ্ৰহণৰ উপযুক্ততা অৰ্জন কৰি ল'ব লাগিব ছাত্ৰ অৱস্থাতে। গতিকে এই অমূল্য সময় অবাবত, অৱহেলাত নকটাই শিক্ষাগ্ৰহণৰ কামত একান্তমনে ব্ৰতী হ'ব লাগে। সময়ৰ মূল্য বুজি সময়মতে কাম কৰি যোৱাটোৱেই সময়ানুবৰ্তিতা। সময়ানুবৰ্তিতাই কামত শৃংখলা আৰু জীৱনত পৰিপাটি আনে। ছাত্ৰৰ প্ৰধান ব্ৰত অধ্যয়ন। 'ছাত্ৰানাং অধ্যয়নং তপঃ'। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অধ্যয়ন পুংখানুপুংখভাৱে কৰিব লাগে। ৰাতিপুৱাৰ পৰা ৰাতি শোৱালৈ সময়ৰ কাৰ্যসূচী ছাত্ৰ-ছাত্ৰীসকলে তৈয়াৰ কৰি ল'ব লাগে। এলাহ আৰু দীৰ্ঘসূত্ৰিতা জীৱনৰ অৱনতিৰ মূল। এলেহুৱা আৰু দীৰ্ঘসূত্ৰীৰ জীৱন ব্যৰ্থতাৰ ভাণ্ডাৰ। মনত ৰখা প্ৰয়োজন, 'যোগ্য ভোগ্য বসুন্ধৰা'। এই যুগ প্ৰতিযোগিতাৰ যুগ। পদ পদে প্ৰতিযোগিতা, পদে পদে প্ৰজ্ঞা আৰু মনীষাৰ প্ৰতি প্ৰত্যাহ্বান। গতিকে বৰ্তমান জগতত আমি নিজৰ স্থান সুপ্ৰতিষ্ঠিত কৰিবলৈ প্ৰতিটো মুহূৰ্তক কামত নিয়োগ কৰি আমাৰ কৰ্মৰে জীৱনৰ মূল্য প্ৰতিপন্ন কৰিব লাগিব। সেয়েহে— 'চৰৈবেতি চৰৈবেতি'। যোৱা গৈ থাকা, গৈ থাকা, অবিৰাম গতিৰে কৰ্ম অনুশীলন কৰি গৈ থাকা। জয় তোমাৰ সুনিশ্চিত।

শিক্ষাক পৰিপূৰ্ণ কৰে অধ্যয়নে। অধ্যয়নেৰে মানুহে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা জ্ঞান মৌ সংগ্ৰহ কৰি সেই মৌ পান কৰি নিজৰ জীৱন গঢ়ি জাতীয় জীৱনকো সুস্থ কৰি তুলিব পাৰে। অধ্যয়নপুষ্ট জ্ঞান-গৰিমাৰে মানুহে নিজক সমাজক আৰু জাতি বা দেশকো মহান কৰি তুলিব পাৰে। কালিদাস, ভৱভূতি, শংকৰদেৱ, ৰবীন্দ্ৰনাথ ঠাকুৰ, আচাৰ্য্য জগদীশ চন্দ্ৰ বসু, ড° মেঘনাথ সাহা, মহাত্মা গান্ধী, জৱহৰলাল নেহৰু, সুভাষ চন্দ্ৰ বসু, ৱৰ্ডছৱৰ্থ, শ্বেইক্সপীয়েৰ, আব্ৰাহাম লিংকন, আইনষ্টাইন, লেনিন প্ৰভৃতি একো একোজন মহান ব্যক্তি। আজি বিশ্বত এনেকুৱা একোজন মহান ব্যক্তিৰ সৃষ্টিৰ বাবে গোটেই বিশ্বতেই মানৱীয় প্ৰমূল্যজ্ঞাপক বাস্তৱ বিজ্ঞানসন্মত শিক্ষাৰ অতিকৈ প্ৰয়োজন হৈ পৰিছে। প্ৰকৃত শিক্ষাই মানৱ সমাজৰ পৰা হিংসা-ঈৰ্ষা নিৰ্মূল কৰি বিশ্বত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাট সুগম কৰিব পাৰে। অধ্যয়নশীলতা অবিহনে কোনো লেখকে একেদিনতে ব্যাস বা বাল্মীকি হ'ব নোৱাৰে। শংকৰ-মাধৱ আদি মহাপুৰুষসকলে সাগৰসদৃশ সংস্কৃত-সাহিত্যৰাজি অধ্যয়ন কৰিহে কীৰ্তন-দশম-ভাগৱত-নামঘোষা বৰগীত আদি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি যাব পাৰিছে। আনন্দৰাম বৰুৱা, বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈ, ডিম্বেশ্বৰ নেওগ প্ৰভৃতি আধুনিক অসমীয়া পণ্ডিতসকলে সুখ্যাতি ৰাখিব পাৰিছে অধ্যয়নশীলতাৰ গুণতহে। অধ্যয়নশীল মানুহৰ মন আকাশৰ দৰে উদাৰ, সাগৰৰ দৰে বিশাল, পৰ্বতৰ দৰে স্থিৰ গহীন-গম্ভীৰ। অধ্যয়নসীল মহৎ লোকসকলে সমাজক নিৰ্ভুল পথ নিৰ্দেশ কৰিব পাৰে, সমাজৰ কল্যাণ সাধিব পাৰে। আজিৰ পৃথিৱী অন্ধ তপস্যামগ্ন। ক্ষুদ্ৰতা-তুচ্ছতা, স্বাৰ্থপৰতাৰ ক্লেদপংকিলে আজি পৃথিৱীক ছানি ধৰিছে। চাৰিওফালে কেৱল হিংসা, বিদ্বেষ আৰু দুৰ্নীতিৰ অবাধ প্ৰভাৱ। আজি মানুহৰ চিত্ত শুদ্ধিৰ প্ৰয়োজন হৈছে। অধ্যয়নশীলতাই একমাত্ৰ চিত্ত শুদ্ধিৰ প্ৰকৃত উপায়। অধ্যয়নশীলতাই যিহেতু অন্ধকাৰতো পোহৰৰ পথ নিৰ্দেশ কৰিব পাৰে গতিকে ছাত্ৰ সমাজকো উচিত পথ নিৰ্দেশ কৰি মহান কৰিব পাৰে।

শিক্ষাৰ ক্ষেত্ৰত বোপদেৱে বাৰে বাৰে বিদ্যা অৰ্জনত ব্যৰ্থ হৈও অধ্যাৱসায়ৰ বলত কেনে পাণ্ডিত্য লাভ কৰি আমাক উৎসাহ, উদ্দীপনা আৰু অনুপম প্ৰেৰণা যোগাই গৈছে সি সৰ্বজনবিদিত। মুঠতে যি সংকল্পত ছাত্ৰ-ছাত্ৰীসকল অচল-অটল, কাৰ্য সম্পাদন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ তেওঁলোকৰ জীৱনলৈ ব্যৰ্থতা, অকৃতকাৰ্যতা আহিবই নোৱাৰে। লাগে মাথোঁ উচিত সময়ত কৰা অধ্যয়ন তথা অধ্যৱসায়। তেতিয়া আমাৰ কৃতকাৰ্যতা সুনিশ্চিত।

ছাত্ৰ-ছাত্ৰীসকল বংশৰ, জাতিৰ ভৱিষ্যৎ, আশাৰ প্ৰদীপ। সমাজ, জাতিয়ে, দেশে কামনা কৰে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃত শিক্ষা লাভ কৰি একো একোটা জ্ঞানৰ ভাণ্ডাৰ হওক, উৎসাহ, উদ্যম, কাৰ্য প্ৰেৰণাৰ মহীয়ান উৎস হওক, তেওঁলোকৰ পৰাই হাজাৰ হাজাৰ প্ৰজ্ঞাৰ মনীষাৰ সৃষ্টি হওক। এই আশাবোৰ সাৰ্থক কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে একান্তভাৱে সময় অপব্যয় নকৰি অধ্যয়ন আৰু অধ্যৱসায় কৰিব লাগিব। জয় হিন্দ। ◆◆

মায়ং আঞ্চলিক মহাবিদ্যালয়

:: তোমাৰ মিঠা মিঠা অনুভৱ ::

# মায়ং আঞ্চলিক মহাবিদ্যালয়ত মোৰ জীৱন দস্তাবেজৰ তিনিটা মধুৰ বসন্ত

মণ্টু শইকীয়া
প্ৰাক্তন ছাত্ৰ

মোৰ জীৱনৰ সপোনবোৰ সেউজীয়া কৰাৰ সঠিক সময়কণতেই মই বাচি লৈছিলো তোমাৰ ঠিকনা। তোমাৰ মাতৃময় স্নেহ, অধ্যাপক-অধ্যাপিকা তথা অন্যান্য কৰ্মচাৰীবৃন্দৰ আত্মিক আৰু বন্ধুসুলভ ব্যৱহাৰেৰে ভৰা এটি সুস্থ বাতাৱৰণত লাহে লাহে খোজ পেলাইছিল মোৰ আশাবোৰে। লাহে লাহে বিকশিত হ'ব ধৰিছিল জালুকবাৰীৰ সেউজ স্বপ্নবোৰ...। সাৰ পাইছিল মোৰ কবিত্ব, জীৱনবোধ আৰু এটি এটিকৈ লিখি গৈছিলো মোৰ জীৱন ডায়েৰীৰ সফলতাৰ স্তৱকবোৰ। মাজে মাজে দুই এজাক বিষন্নতাৰ বৰষুণত তিতিব ধৰিছিল মোৰ সপোনৰ ডেউকা। কিন্তু তোমাৰ বুকুত থকা জ্ঞানৰ আলোকেৰে জীৱনৰ পথ দেখুওৱা আমাৰ চিৰনমস্য শিক্ষাগুৰুসকলৰ উৎসাহ, অনুপ্ৰেৰণা আৰু সাহসে থমকিব দিয়া নাছিল মোৰ এই যাত্ৰা। জীৱনৰ এই ক্ষণত তেওঁলোকলৈ যাচিলোঁ আজি অন্তৰৰ নিভৃত কোণৰ পৰা শত শত প্ৰণাম।

নাজানো আজি মই কিমান সফল। কিন্তু আজি মই জীৱনৰ যিটো ষ্টেপেজত উপনীত হৈছো ইয়াত তোমাৰ যথেষ্ট অৰিহণা আছে। তুমি মোৰ সফল জীৱনগাঁথাৰ তিনিটা মধুৰ বসন্ত। তোমাৰ সান্নিধ্যতে মোৰ জীৱনে বিচাৰিব শিকিছিল জীয়াই থকাৰ নতুন কলা, দেখিছিল আশাভৰা প্ৰভাতৰ নতুন ডেউকা। স্মৃতিৰ পাত লুটিয়াই আজিও বিচাৰি চাওঁ মই তোমাৰ স'তে কটোৱা সেই মধুময় দিনবোৰ। সৰস্বতী পূজা একেলগে নামগোৱা, নৱাগত আদৰণী সভাৰ টুকুৰা টুকুৰ ধেমালিভৰা স্মৃতিবোৰ

আজি মোৰ বাবে এক সতেজ নষ্টালজিয়া। চৌহদৰ এচুকত থকা বগৰীজোপা যিজোপা আছিল আমাৰ আজৰি সময়ৰ আড্ডাৰ ঠিকনা। তাত খিল্‌খিলাই হাঁহি উঠিছিল আমাৰ হেঁপাহবোৰ।

দিন বাগৰাৰ লগে লগে তুমিও আগুবাই গ'লা উন্নতিৰ জখলাৰে। গঢ়ি উঠিল তোমাৰ বুকুত এটি এটিকৈ কংক্ৰিটৰ অট্টালিকা। সপোনবোৰ জীপাল হ'ল আমাৰ। অশেষ পৰিশ্ৰমৰ অন্তত শিক্ষাগুৰু তথা অন্যান্য কৰ্মচাৰীবৃন্দৰ সপোনবোৰ বাস্তৱ হ'ল। আশাবোৰ প্ৰস্ফুটিত হ'ল। আজি তেওঁলোকৰ মুখত দেখো একাজলি প্ৰাপ্তিৰ ৰ'দ। এনেকৈ সময়ৰ খোজে খোজে তুমি আগুৱাই যোৱা। তোমাৰ বুকুলৈ অহা প্ৰতিজনৰ বাবে তুমি যেন হৈ ৰোৱা এটি সফলতাৰ প্লেটফৰ্ম। তোমাৰ বুকুত ফুলি উঠক শত শত জ্ঞানৰ শতদল। বিকশিত হওক তোমাৰ গুণ-গৰিমা, প্ৰসাৰিত হওক তোমাৰ ঠিকনা। চিৰসেউজ হৈ ৰওক তোমাৰ সেই আত্মিক পৰিৱেশ, তাৰেই শুভ কামনাৰে। ◆ ◆

# মোৰ জীৱন-যৌৱনৰ এৰি অহা সুখৰ ষ্টেচন মায়ং আঞ্চলিক মহাবিদ্যালয়

দীপশিখা ডেকা
প্ৰাক্তন ছাত্ৰী

এছাটি কোমল বতাহে কঢ়িয়াই অনা বকুল ফুলৰ এটি সুবাসে আদৰণি জনাই মায়ং বজাৰৰ কাষৰ বাটটোৰ আলি কেঁকুৰিটো পাৰ হৈ অলপ আহিয়েই যেন ৰৈ আছে মোৰ বাবে অন্য এখন পৃথিৱী শাৰী শাৰীকৈ থকা বকুল-কৃষ্ণচূড়াৰ পাহিত একাজলি ৰ'দ পৰি জিলমিলাইছে যেন ডেকা-গাভৰুৰ ওঁঠত জিলিকি থকা খিলখিল হাঁহি। জাক জাক যৌৱনৰ সাৰেং সেউজীয়া প্ৰেমৰ নিচান উৰুৱাই ক'লা চুৰ্ণী, বগা ছাৰ্টৰ আঁৰত একোখন মেঘ কোমল হিয়া বকুল ফুলৰ সুবাসত মাতাল হওঁ এক চিনাকী ৰাগীৰ প্ৰতিফলন কবিতা বেয়া পোৱা ছোৱালীজনীও অজানিতে কবিতাৰ প্ৰেমত পৰিলো বকুলৰ তলত বহি। জীৱন গঢ়াৰ সোপান এই দিনবোৰত সকলোৰে ভালকৈ গঢ়ি ল'বলৈ ভৱিষ্যত এয়াই সময়-সুযোগ, সোণালী সুযোগ বহু সময়ৰ বাবে পাহৰি গৈছিলো কথাবোৰ। অনাবিল আনন্দৰ সমল যোগোৱা সুখৰ আকাশীলতা ডালে মেৰিয়াই ধৰিছিল মোৰ সমগ্ৰ সত্তা এই দিনবোৰতে। দিশহাৰা হৈ পৰিছো বিদায় প্ৰাক্‌ক্ষণত চাৰিওফালৰপৰা আগুৰি ধৰিছে এটা অসহায়জনক অতৃপ্তিয়ে বুকুৰ মাজত অলেখ অভিসাৰী ভাৱৰ কুৰুং কাবাং বিচাৰিলেও ক'ব নোৱাৰো তুমি মোৰ হৃদয়ৰ আপোন বুলি। নদীয়ে এৰি অহা ঘাটৰ ঠিকনা পাহৰে তোমাৰ বাবে মই কাইলৈ অতীত হৈ ৰ'ম কিন্তু তুমি মোৰ জীৱনত সদা বৰ্ত্তমান। বিদায় বুলি ক'ব নোৱাৰো ৰবীন কলিতা আৰু উৎপল নাথ চাৰৰ ব্যক্তিত্ব, নোৱাৰো বিদায় দিব নাথ চাৰক যাৰ মুখত অনবৰতে লাগি থাকে কলেজৰ চৌহদৰ বকুল ফুলৰ পাহিৰ দৰে হাঁহিসনা এটি বিহুগীতৰ কলি। চিৰনমস্য, স্পষ্ট গুৰু গম্ভীৰ ডেকা ছাৰৰ অমিয় সৰা স্বৰ কেতিয়াবা শিক্ষক, কেতিয়াবা অভিভাৱক হৈ আৰু কেতিয়াবা বন্ধু হৈ বিনিময় কৰিছিল অনুভৱ এই প্ৰেক্ষাগৃহটোত য'ত বহি শিকিছিলো শব্দৰ জ্ঞান আৰু সাজিছিলো জ্ঞানৰ ভঁৰাল। প্ৰিয় বন্ধুবৰ, কেনেকৈ জনাম তোমালোকক বিদায় বকুল তলৰ হাহি-ধেমালি কাজিয়াবোৰ কফি চিংৰা, গান-কবিতাৰে জীপাল হৈ থকা কেন্টিনৰ আড্ডাবোৰ পাহৰি মায়ং আঞ্চলিক মহাবিদ্যালয় মোৰ জীৱন আৰু যৌৱনৰ এৰি অহা এটি সুখৰ ষ্টেচন ভাল লাগিলেও ৰ'ব নোৱাৰি আৰম্ভ নকৰাকৈ অন্য এটি অভিমুখী যাত্ৰা। সময়বোৰ কাৰো বাবে ৰৈ নাথাকে ই এদিন অতীত হৈ যায় কিন্তু কেনেকৈ এৰি যাও এই সোণালী সময়বোৰ সকলো এৰি নিঃস্ব হৈ মোৰ জীৱন যৌৱনৰ এৰি অহা এটি সুখৰ ষ্টেচন মায়ং আঞ্চলিক মহাবিদ্যালয়। ◆◆

# অনুভৱৰ জোলোঙাৰে

বীৰেশ্বৰ কেলেং
প্ৰাক্তন সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা, মায়ং আঞ্চলিক মহাবিদ্যালয়

সিদিনা আছিল ১৯৯৩ চনৰ আগষ্ট মাহৰ এটা দিন। উচ্চ শিক্ষা গ্ৰহণৰ হাবিয়াস থকা সত্বেও অৰ্থৰ অভাৱত উচ্চ শিক্ষা গ্ৰহণ নকৰো বুলি ঘৰতে আছিলো যদিও ইকাণে-সিকাণে গম পালো যে গত বছৰৰ পৰা মায়ঙত এখন মহাবিদ্যালয় স্থাপন কৰিছে আৰু আমাৰ নিচিনা গৰীব পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এইটো এটা অতি আনন্দৰ  কথা বুলি ভাবিয়ে ঢাপলি মেলিলো বি এত নাম ভৰ্তি কৰাৰ মানসেৰে।

মায়ং তিনিআলিত গৈ মোৰ দৃষ্টিত পৰিল বৰ্তমানৰ মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ Campus ৰ পশ্চিম দিশৰ PWD পথৰ কাষতে এই মায়ানগৰীখ্যাত মায়ঙৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ মায়ং আঞ্চলিক মহাবিদ্যালয়খন। মহাবিদ্যালয় বুলিবলৈ সেইদিনা মোৰ দৃষ্টিগোচৰ হৈছিল তৰ্জাবেৰেৰে আবৃত টিনপাতৰ এচলীয়া চালিৰ প্ৰায় ২০ বৰ্গাকৃতিৰ তিনিটা কোঠাযুক্ত অস্থায়ী শ্ৰেণী গৃহটো। মহাবিদ্যালয়ৰ কাৰ্যালয় বুলিবলৈ হ'লে মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৰ্তমানৰ Teachers Common room টো। এটা কোণত অতি শ্ৰদ্ধাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ টেবুলখন। সুন্দৰভাৱে অধ্যক্ষ মহোদয়ৰ টেবুলখনত আসন গ্ৰহণ কৰি থকা দেখি দূৰৰ পৰাই অন্তৰত ভক্তিভাৱ জাগিল। অধ্যাপক বুলিবলৈ বৰ্তমান কৰ্মৰত মাননীয় ড° গুণেশ্বৰ ডেকা ছাৰ, ছবিৰাণী দাস বাইদেউ (বৰ্তমান কৰ্মসূত্ৰে স্থানান্তৰ)। পাঠদানত সহায় কৰিছিল মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিজন বিষয় শিক্ষকে। তেখেতসকলৰ ভিতৰত আছিল মাননীয় লোকেন্দ্ৰ হাজৰিকা ছাৰ, সুচেন দাস ছাৰ, ভীমবৰ বৰদলৈ ছাৰ, প্ৰফুল্ল দাস ছাৰ, তিলক পাঠক ছাৰ, হৰেশ্বৰ ডেকা ছাৰ আৰু ভোগেশ্বৰ বৰা ছাৰ। পাঠদান কৰিছিল অতি নিষ্ঠা আৰু সততা আৰু নিঃস্বাৰ্থভাৱে। কাৰ্যালয়ৰ সহায়ক বুলিবলৈকে তেতিয়ালৈ নাই। কাৰ্যালয়ৰ আটাইখিনি কাম অধ্যক্ষ মহোদয়ৰ দ্বাৰা সমাপন হৈছিল। চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী বুলিবলৈ কেৱল ৰজনী কান্ত নাথ বৰ্তমানো কৰ্মৰত। সেইদিনা এই আটাইবোৰৰ মাজতে বহি আছিল মায়ংবাসীৰ অতি শ্ৰদ্ধাৰ বৰেণ্য ব্যক্তি তথা মায়ং খনিকৰ প্ৰয়াত দিপন চন্দ্ৰ নাথ ছাৰ।

মনত সংকোচ ভাৱেৰে মাননীয় অধ্যক্ষ মহোদয়ৰ কাষলৈ অগ্ৰসৰ হওঁ। মোক সুধিবলগীয়া আটাইখিনি সোধাৰ অন্তত নামভৰ্তিৰ ৰচিদখন দিলে আৰু সেইদিনাৰ পৰাই নামভৰ্তিৰ জৰিয়তে এই গৌৰৱময় অনুষ্ঠানটিৰ পৰিয়ালৰ এজন সদস্য হিচাপে পৰিগণিত হওঁ। সেইদিন ধৰি মহাবিদ্যালয়খনৰ পৰা মোৰ জীৱনৰ উচ্চ শিক্ষাৰ পাতনি মেলো। নামভৰ্তিৰ ৰচিদ বহীৰ পাতটো হাতত লোৱাৰ লগে লগে পিছফালৰ পৰা এটা গহীন মাতেৰে চাওঁ তুমি এইফালে আহাচোন বুলি কোনোবা এজন ব্যক্তিয়ে মাত দিলে ঘূৰি চাই দেখিলো শ্ৰদ্ধাৰ দিপন চন্দ্ৰ নাথ ছাৰ। তেখেতে মোক ক'লে যে তোমাক প্ৰথমতে ধন্যবাদ জনালো। তুমি এই মহাবিদ্যালয়খনত নামভৰ্তি কৰা বা জ্ঞান আহৰণ কৰাৰ লগতে এই চালুকীয়া অনুষ্ঠানটিৰ ভৱিষ্যৎ উত্তৰণত আমাৰ লগত হাত উজান দিব লাগিব বুলি আমাক প্ৰবোধ দিয়াত ময়ো নতশিৰে ছাৰৰ কথাষাৰ সাদৰে গ্ৰহণ কৰি হ'ব ছাৰ বুলি সহাৰি জনোৱাত ছাৰে যেন আনন্দ অনুভৱ কৰিলে মই ভালকৈ বুজিব পাৰিলো।

মহাবিদ্যালয়খনত নামভৰ্তিকৰা দিনাৰ পৰাই মই শিক্ষা তথা জ্ঞান আহৰণৰ সমান্তৰালভাৱে পাৰ্যমানে মহাবিদ্যালয়ৰ প্ৰতিটো দিশতে সহযোগিতা আগবঢ়াবলৈ অকণো ত্ৰুটি কৰা নাছিলো যেন লাগে। মায়ং খনিকৰ দিপন চন্দ্ৰ নাথ দেৱৰ কথা আগৰ পৰাই জানি আহিছিলো বাবে মহাবিদ্যালয়ত নামভৰ্তি হোৱাৰ

দিনাৰ পৰাই তেখেতৰ অনুপ্ৰাণিত হৈ মহাবিদ্যালয়খন এখন উচ্চ শিক্ষানুষ্ঠানেই নহয় এইখন যেন মায়ংবাসীৰ প্ৰতিজনৰে এটা নিজা সম্পত্তি তেনে ধৰণেৰে মোৰ হৃদয়স্পৰ্শী যোৱাকৈ এটা সাজ বন্ধাই থৈ যোৱা বুজনি দিলে। ময়ো ভাবিলো মহাবিদ্যালয়খনত থকা দিন কেইটাত ছাত্ৰৰ কথাষাৰ ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা অটুট ৰাখি যাম। কাৰণ হাইস্কুলীয়া জীৱনটো এখন বেচৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰি শিক্ষা গ্ৰহণ কৰাৰ লগতে বিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিত সহযোগিতা কৰাৰ অভ্যাস আছিল। যাৰ বাবে ছাৰৰ প্ৰতিটো পৰামৰ্শই সম্মান সহকাৰে কোনোধৰণৰ কুণ্ঠাবোধ নকৰাকৈ বৰং ছাৰৰ নিচিনা এজন ব্যক্তিৰ সান্নিধ্য পোৱাটো নিজকে গৌৰৱ অনুভৱহে কৰিছিলো।

জ্ঞান আহৰণৰ সমান্তৰালভাৱে মহাবিদ্যালয়খনৰ পৰিচালনা সমিতি, শিক্ষাগুৰুসকলৰ লগত মহাবিদ্যালয়খনৰ উন্নতিৰ জখলাত বগাই যোৱাত সহযোগিতা কৰাৰ বাবে অকণো কৃপণালি কৰা নাছিলো। এতিয়াও দুচকুত ভাঁহি আছে মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত পশ্চিম মায়ং অঞ্চলৰ ঢেকীয়াবাৰী, হাতীবাগৰা, কাজলিচকী, গোবৰ্ধন গাঁও কেইখনৰ প্ৰতিঘৰ কৃষকৰ পদুলিগচকী ঘৰে ঘৰে বস্তা কান্ধত লৈ বৰঙণি হিচাপে ধান তুলি ধানৰ বস্তাবোৰ প্ৰতিখন গাঁৱৰে নিৰ্দিষ্ট এঘৰ মানুহৰ বাৰাণ্ডাত নি জমা কৰা। অকল জমা কৰাই নহয় কোনোবা ব্যক্তিয়ে যদি সেইদিনা দিব নোৱাৰে অন্য দিনালৈ দিম বুলি মত প্ৰকাশ কৰে বা কোনোবা ব্যক্তিক যদি ঘৰত লগ পোৱা নাযায় সেই ব্যক্তিসকলৰ এখন তালিকা কৰি এই অধমকে লগৰ দুজনক লৈ ধান সংগ্ৰহ কৰাৰ গুৰুদায়িত্বও অৰ্পণ কৰিছিল। সাতদিনৰ ভিতৰত সম্পূৰ্ণ দায়িত্ব পালন কৰো। তাৰ পিচত আহি ধানখিনিয়েই হওক বা ধানৰ মূল্যয়ে হওক বেপাৰী লগাই লৈ যায়। এনেদৰে অতি নিষ্ঠা আৰু আগ্ৰহেৰে দায়িত্ব পালন কৰি গৈছিলো।

অকল ধান তোলাৰ অভিজ্ঞতাই নহয় মায়ং অঞ্চলৰ বৰমূৰীয়াসকলৰ লগত ঘূৰি নিজকে গৌৰৱবোধ অনুভৱ কৰিছিলো। এই ব্যক্তিসকল হ'ল বিশেষকৈ প্ৰয়াত দিপন চন্দ্ৰ নাথ, প্ৰফুল্ল ভূঞা, শিক্ষাগুৰু পূৰ্ণেশ্বৰ শইকীয়া, তৰুণ কেলেং আৰু বহুতো। জ্যেষ্ঠসকলৰ লগত ঘূৰিলে যে বহুতো নজনা কথা জানিব পাৰি তাৰে সাধাৰণ এটা মাত্ৰ উদাহৰণ দাঙি ধৰিব বিচাৰিছো।

এনেকৈয়ে ধান তুলি ঘৰে ঘৰে যাওঁতে কাৰোবাৰ বাৰিত যদি ঘন ঘন তামোলৰ গছ দেখিছে তেতিয়া এজনে ক'বলৈ পায় হে যে, ইমান ঘনকৈ তামোল বোৰ পুতিছে। তপৰাই আন এজনে এটা ফকৰাৰে তাৰ ব্যাখ্যা আগবঢ়াইছিল— বোলে "সাতত পাতল পাঁচত ঘন ছয়ত দিবা নদন বদন।" আন এজনে আকৌ তপৰাই একেটা কথাকে অন্য ধৰণৰে ব্যাখ্যা কৰিছিল বুলে 'নালাগিলে লাগে, লাগিলে নালাগে।" প্ৰথমটোৰ অৰ্থ হৈছে তামোল গছবোৰ অতি পাতল হ'লেও ফল কম ধৰে আৰু অতি ঘন হলেও ফল কম ধৰে অৰ্থাৎ ৭ হাতৰ মূৰত পাতল হয় ৫ হাতৰ মূৰত আকৌ ঘন হয় সেয়ে ৬ হাতৰ মূৰে মূৰে লগালে ফলৰ লাগন ভাল হয়। দ্বিতীয়টোৰ অৰ্থ হৈছে ইডাল তামোৰ পাত সিডাল তামোলৰ পাতৰ লগত যদি লাগি থাকে তেনেহ'লে ফল কম ধৰে আকৌ যদি পাতে পাতে নালাগে তেতিয়া আকৌ ফল ধৰে।

আকৌ আন এঘৰৰ বাৰীত যদি ভাল কল এথোক দেখে তেনে হ'লে আলোচনা হয় য়ে কলথোক বৰ ভাল হৈছে। ঠিক তেনেতে অন্য এজনৰ মুখৰ পৰা এটা ফকৰা ওলালেই বোলে কথাতে আছে 'আঠিয়াত গোবৰ, মনোহৰত জাবৰ, পুৱাত খাই, মালভোগত ছাই, তেতিয়াহে বিচৰা মতে পায়।" বাঃ কথাবোৰ শুনি ইমান অভিজ্ঞতা আৰু আনন্দ অনুভৱ কৰিছিলো। দুখ ভাগৰে অকণো ওচৰ চাপিবলৈকে পৰা নাছিল। এই ফকৰাবোৰ নিগৰিছিল বিশেষকৈ প্ৰয়াত দিপন চন্দ্ৰ ছাৰ আৰু প্ৰফুল্ল ভূঞা ডাঙৰীয়াৰ কণ্ঠৰে। এনেদৰে এই বৰেণ্য ব্যক্তিসকলৰ সান্নিধ্যত যথেষ্ট অভিজ্ঞতা আহৰণৰ লগতে সামাজিক কাম কৰাৰ কৌশল, সাহস, দক্ষতা, দায়বদ্ধতা আদি আটাইখিনিয়ে পূৰ্ণতা পাইছিলো। এই মিঠা মিঠা অনুভৱবোৰে আজিও বুকুখন ফুলাই তোলে।

মহাবিদ্যালয়ত এনেদৰে বিভিন্ন প্ৰকাৰে শিক্ষাগ্ৰহণ কৰি যোৱাৰ লগতে এদিন শ্ৰেণী কোঠাৰ বাহিৰে ভিতৰে শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী উভয়ে মহাবিদ্যালয়খনৰ এখন ছাত্ৰ একতা সভাৰ অনুভৱ কৰিছিল। তাৰবাবে মাননীয় অধ্যক্ষ মহোদয়ে হঠাতে এটা নিৰ্দেশ দিলে, আজি মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভা এখন গঠনৰ আলোচনা আগত লৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন সভা অনুষ্ঠিত কৰা হওক। তেতিয়া মহাবিদ্যালয়খনৰ বয়স মাত্ৰ ২ বছৰ অৰ্থাৎ বি এ প্ৰথম বৰ্ষ আৰু দ্বিতীয় বৰ্ষ শ্ৰেণী দুটাহে আছে। দুয়োটা বৰ্ষৰে ছাত্ৰ-ছাত্ৰী

আটাইখিনিকে লৈ এটা শ্ৰেণী কোঠাত সভাখনৰ কাম চলিল। যিহেতু তেতিয়ালৈ মহাবিদ্যালয়খনত ছাত্ৰ-একতা সভা নাছিল গতিকে মাননীয় অধ্যক্ষ মহোদয়ে সভাখনৰ গুৰি ধৰি যায়। তেখেতে কৈছিল যে আন মহাবিদ্যালয়বোৰত নিৰ্বাচনৰ জৰিয়তে অৰ্থাৎ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে ছাত্ৰ-একতা সভা গঠন হয় যদিও আমাৰ মহাবিদ্যালয়খন যিহেতু অতি চালুকীয়া পৰ্যায়ত আছে গতিকে আমি গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে গঠন নকৰি বাছনি প্ৰক্ৰিয়াৰে আগবাঢ়িলে ভাল হ'ব। যিটো পৰম্পৰা আজি ২৫ টা বছৰেও ভংগ কৰিব পৰা নাই। অধ্যক্ষ মহোদয়ৰ কথাষাৰত আটাইবোৰে হাত উজান দিলে।

এতিয়া আচল পৰ্যায়লৈ আহিল কাক বাছনি কৰিব? এনেতে অধ্যক্ষ মহোদয়ে সভাত বাৰে বাৰে এষাৰ কথা কোৱা মোৰ কাণত এতিয়াও বাজি আছে। অধ্যক্ষ মহোদয়ে পুনৰ থিয় হৈ দৃঢ়ভাৱে কৈ গ'ল এতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ দায়িত্ব, তোমালোকক মই মাত্ৰ এটা কথা কওঁ যে তোমালোকৰ মাজত মহাবিদ্যালয়খনৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব ল'ব পৰা এজন উপযুক্ত ছাত্ৰ আছে। মই পৰীক্ষা চাওঁ তোমালোকে সেই উপযুক্ত ছাত্ৰজনক বাছি উলিওৱাব পাৰানে নোৱাৰা? প্ৰায় দহ মিনিট সময় অতিবাহিত হ'ল প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে পৰস্পৰে পৰস্পৰৰ মুখলৈ চায় ৰৈ থাকিল। এই দৃশ্য তথা মুহূৰ্তবোৰ সঁচাকৈ চকুৰ সন্মুখৰ পৰা আতৰাই পঠিয়াব নোৱাৰো। মই অনুমানত এজনক প্ৰস্তাৱ কৰিম বুলি ভাবি থিয় হ'ব খোজোতে মোৰ জ্যেষ্ঠ তথা ২য় বৰ্ষৰ এজনে ঘপহকৈ থিয় হৈ সভাৰ সভাপতি মহোদয়ক সম্বোধন কৰি ক'লে যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মই শ্ৰীবীৰেশ্বৰ কেলেঙৰ নামটো প্ৰস্তাৱ কৰিলো। লগে লগে সমৰ্থন আৰু আটাইৰে হাত তালিৰে ৰজনজনাই দিলে। এই অধমে কি হ'ল তৰকিবলৈকে নোৱাৰিলো। যা হওক সহপাঠীসকলৰ মোৰ প্ৰতি থকা বিশ্বাসক মই নতশিৰে মূৰ পাতি লৈ মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা প্ৰথম গৰাকী সাধাৰণ সম্পাদক হিচাপে সেৱা কৰিবলৈ সুযোগ দিয়া বাবে আটাইলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। অধ্যক্ষ মহোদয়, ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ যে যে ছাত্ৰ-ছাত্ৰীসকলে অধ্যক্ষ মহোদয়ৰ পৰীক্ষাত সম্পূৰ্ণ ভাৱে সফলতা অৰ্জন কৰিলে।

শিক্ষাগুৰু আৰু সহপাঠী উভয়ৰে মনোনীত হিচাপে ক'ব নোৱাৰো মোৰ কাৰ্যকালত কিমানখিনি সফলতাৰে প্ৰতিনিধিত্ব কৰিব পাৰিছো এই আটাইখিনি উত্তৰ সহপাঠী আৰু শিক্ষাগুৰুসকলৰ হাতত। কিন্তু এটা কথা আজিও স্বীকাৰ কৰিব লাগিব যে মোৰ জ্যেষ্ঠ, কনিষ্ঠ আটাইখিনি সহপাঠীয়ে সেৱা কৰি যোৱাত সমানে দিহা পৰামৰ্শৰ হাত আগবঢ়াই দিছিল। তাৰবাবে পুনৰবাৰ তেওঁলোকৰ ওচৰত মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো।

এটা কথা আজিও স্বীকাৰ নকৰি থাকিব নোৱাৰিলো যে, ছাত্ৰ একতা সভাৰ এজন সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যায়খনৰ অধ্যক্ষ মহোদয়ৰ লগত যিটো নিবিড় সম্পৰ্ক ৰাখিব লাগে সেই সম্পৰ্ক অটুট ৰখাত মই নিজকে সফল বুলি বুকুত হাত থৈ ক'ব পাৰিম। মাননীয় অধ্যক্ষ মহোদয়েও এই অধমক সময়ত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক, সময়ত এজন ছাত্ৰ, সময়ত পুত্ৰৰ দৰে, সময়ত বন্ধুৰ দৰে, সময়ত ভাতৃৰ দৰে পৰিস্থিতি সাপেক্ষে উপযুক্ত পৰামৰ্শ আৰু প্ৰেৰণাৰে মোৰ কাৰ্যকালবোৰ আগবঢ়াই নিয়াত উপদেশ দি গৈছিল।

প্ৰথমবাৰৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়ে ভাবিছিলো মহাবিদ্যালয়খনৰ পৰা এটা শিক্ষামূলক ভ্ৰমণ উলিয়াব পাৰিলে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কিঞ্চিত হ'লেও ক্ষেত্ৰ ভ্ৰমণৰ পৰা জ্ঞান অৰ্জন কৰিব পাৰিলেহেতেন। আনফালে ভাবো আমি আটায়ে দুখীয়া পৰিয়ালৰ পৰা আহিছো ভ্ৰমণৰ বৰঙণি দিব পাৰিব জানো? তথাপিও মৰসাহ কৰি শিক্ষাগুৰুসকলৰ পৰামৰ্শত 'শিৱসাগৰলৈ বুলি' এটা শিক্ষামূলক ভ্ৰমণৰ প্ৰস্তুতি কৰি তেতিয়া (১৯৯৪ চনত) প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বৰঙণি ১৫০/- টকা আৰু শিক্ষাগুৰুসকলে স্ব-ইচ্ছাই ৩০০/- টকাকৈ বৰঙণি দিম বুলি কোৱাত সিদ্ধান্তটো ৰাজহুৱা কৰা হ'ল।

এইখিনিতে উল্লেখ কৰিব লাগিব যে যিহেতু মহাবিদ্যালয়খন মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদতে আছিল সেয়ে তেতিয়াৰ মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক বৰ্তমান মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° উৎপল নাথ ডাঙৰীয়াৰ লগত আলোচনা কৰি যুটীয়া প্ৰচেষ্টাত মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰথমটো শিক্ষামূলক ভ্ৰমণ সফলতাৰে পাৰ কৰিলো। ভ্ৰমণটোৰ বাবদ এখন দিবা নৈশ বাছক মুঠ ৮,০০০/- টকা আদায় দিবলগীয়া হৈছিল।

ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দৈহিক আৰু

মানসিক উৎকৰ্ষ সাধনৰ বাবে বিভিন্ন ধৰণৰ কাৰ্যসূচীৰ লগতে মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰৰ মাজত প্ৰীতি ফুটবল খেল, দুয়োখন শিক্ষানুষ্ঠানৰ শিক্ষকসকলৰ মাজত বন্ধুত্ব মূলক তথা প্ৰীতিফুটবল খেল আয়োজন কৰা আজিও মনত পৰে। এই কেইটা মাত্ৰ উদাহৰণহে।

এনেধৰণৰ দুয়োখন উচ্চ শিক্ষানুষ্ঠানে বন্ধুত্বপূৰ্ণ ভাবে দিনবোৰ এটা এটাকৈ অতিবাহিত কৰিছিল। এদিন হঠাতে ক্ষন্তেকীয়াকৈ হ'লেও মহাবিদ্যালয়খনৰ পৰা স্বাভাৱিক ভাবে দূৰত্ব বজায় ৰাখিবলগীয়া হ'ল যদিও অনুষ্ঠানটোৰ প্ৰতি থকা দৰদ কোনোদিনে কমি যোৱা নাই। এই পাৰ কৰা মিঠা মিঠা অনুভৱবোৰ সদায় চকুৰ আগৰ পৰা আঁতৰ নহৌতেই সিদিনাৰ সেই চালুকীয়া অনুষ্ঠানটি আজি ২৫ টা বৰ্ষ অতিবাহিত কৰা পূৰ্ণযৌৱন প্ৰাপ্ত এখন মহাবিদ্যালয় আজি ৰাইজৰ আগত প্ৰতিষ্ঠা কৰিবলৈ ৰাইজেই ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰাৰ আয়োজন কৰা হ'ল।

এনেবোৰ অনেক মিঠা মিঠা অনুভৱ থাকিলেও কৈ থাকিলে ওৰকে নপৰাৰ দৰে মায়ং আঞ্চলিক মহাবিদ্যালয়খন আৰু অনেক মিঠা মিঠা অনভৱ কৰলৈ ইচ্ছা থকা সত্বেও অনিচ্ছাকৃত ভাবে আজিলৈ কলম থমকাই ৰখিবলৈ বাধ্য হ'লো। শেষত মহাবিদ্যালয়খন এই পিছপৰা মায়ং অঞ্চলত প্ৰতিষ্ঠা কৰোতাত গুৰি বঠা ধৰোতা সকলৰ অন্যতম স্বনামধন্য প্ৰয়াত দিপন চন্দ্ৰ নাথ, সঘুবৰ মহাজন, মেদাৰাম নাথ, বত্নকান্ত হাজৰিকা, ৰতিকান্ত শইকীয়া, তৰুণ কেলেং আদি লোকসকলক শ্ৰদ্ধাৰে সুঁৱৰিলো। ◆ ◆

জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়

জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# সোঁৱৰণীৰ কুঁৱলি ফালি

লোকেন্দ্ৰ নাথ
প্ৰাক্তন ছাত্ৰ

অনুভৱৰ জপনাখন খুলি সোমাই গ'লো অতীতলৈ য'ত সঞ্চিত হৈ আছে জীৱনৰ মধুৰ স্মৃতিৰ ৰহঘৰা। ছাত্ৰ জীৱনৰ আটাইতকৈ ভাল লগা সময় কোনখিনি বুলি যদি প্ৰশ্ন হয় তেনেহ'লে একে আষাৰতে কব লাগিব কলেজীয়া জীৱনৰ সময়খিনি বুলি য'ত নাথাকে শিক্ষকৰ অনুশাসন, নাথাকে ছাৰ আৰু বাইদেউসকলৰ প্ৰতি কোনো লাজ, ভয়, সংকোচ; থাকে মাথো এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক। আচলতে ছাত্ৰ আৰু শিক্ষকৰ যিটো সম্বন্ধ সেইটো স্পষ্টৰূপত প্ৰকাশ পাই উঠে কলেজীয়া জীৱনতহে।

অতীতৰ সেই মধুৰ স্মৃতিৰ কথা মনলৈ আহিলে মনটোৱে এতিয়াও ব্যস্ততাপূৰ্ণ জীৱনক একাষৰীয়াকৈ এৰি থৈ দৌৰ মাৰিব খোজে কলেজখনলৈ। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ভাষাৰে "দুখীয়া হলেও নিচলা হলেও আই মোৰ মৰমৰ" বুলি কোৱাৰ দৰে অতীতৰ কলেজখন বৰ্তমানতকৈ যদিও বহু নিচলা আছিল তথাপিও আমাৰ মৰম চেনেহ মহান অনুষ্ঠানটোৰ প্ৰতি কম নাছিল আৰু সেইবাবেই হয়তো কলেজৰ প্ৰত্যেকটো অনুষ্ঠানতেই নিজকে সম্পূৰ্ণৰূপে ব্যস্ত ৰাখিছিলো। মুঠতে আমাৰ শ্ৰেণীৰ প্ৰত্যেকজন ল'ৰা আৰু ছোৱালীয়েই এনে আগ্ৰহেৰে প্ৰতিটো দায়িত্ব পালন কৰি গৈছিল যাৰ বাবে আমি ছাৰ-বাইদেউসকলৰ পৰা প্ৰশংসাও পাইছিলো। অৱশ্যে বৰ্তমানেও কলেজত একাগ্ৰতাৰে সকলো অনুষ্ঠানতে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি অনুষ্ঠানবোৰ সফল কৰি তোলা ছাত্ৰ-ছাত্ৰীৰ উদাহৰণ আজিও আছে। এইখিনিতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱে কৈ যোৱা কথাশাৰী মনলৈ আহিছে—

"তুমি নতুন পুৰুষ
তুমিটো নোহোৱা ভীৰু কাপুৰুষ
হাতে কামে আজি যদি নোহোৱা পুৰুষ
কালিলৈ হবা তুমি পুৰণি পুৰুষ।"

ক্লাছ নথকা সময়ত আমি সকলোৱে মিলি গপ কৰিছিলো আৰু কেতিয়াবা কাৰোবাৰ ফুচুৰি কথাত হাঁহি হাঁহি বাগৰি গৈছিলো। এইবোৰৰ মাজতেই যেন বিচাৰি পাইছিলো

কলেজীয়া জীৱনৰ প্ৰকৃত আনন্দ। অৱশ্যে বৰ্তমানৰ দৰে তেতিয়া নাছিল কোনো হোৱাট্‌ছআপ, ফেচবুক।

"গানে কি আনে সুৰৰ সোপানে সোপানে" কলেজীয়া জীৱনৰ মিঠা মিঠা অনুভৱে মন ৰঙীন কৰি পেলোৱাৰ মূলতে হ'ল সাংস্কৃতিক অনুষ্ঠানবোৰ। প্ৰত্যেক সাংস্কৃতিক অনুষ্ঠানৰ প্ৰস্তুতিৰ বাবে হোৱা অখৰাবোৰত ড° উৎপল নাথ ছাৰৰ তবলাৰ বোল আৰু বিপুল ছাৰৰ হাৰমণিয়ামৰ সুৰ যেন আজিও ৰোমন্থন কৰিলে কাণত বাজি উঠে, "তোৰে মোৰে আলোকৰে যাত্ৰা"ৰ পৰা আৰম্ভ কৰি "এয়ে মোৰ শেষ গান" লৈকে।

সময়ৰ সোঁতত, জীৱনৰ বাটত সৰু বৰ আলিয়েদি আহি আহি কোনোবাখিনি পালোহি যদিও তাহানিতে সমীৰ নাথ ছাৰৰ আৰ্হিৰে ৰোপন কৰি থৈ অহা বকুল ফুল জুপিৰ সজীৱ সেউজীয়া স্মৃতিৰ সাঁচ বুকুত বৈ গ'ল। এতিয়াও মাজে মাজে কলেজৰ কাষেৰে পাৰ হৈ আহোঁতে বকুল জুপিলৈ এপলক দৃষ্টিৰে চাই চাই ভাবো যেন বকুলজুপিৰ মাজতেই আবদ্ধ হৈ আছে তাহানিৰ সেই স্মৃতিবোৰ। বাটৰ মানুহক মুক্ত বায়ুৰ অভাৱ কিছু পৰিমাণে হ'লেও পূৰণ কৰিছে এই বকুল ফুল জোপাই। যি কি নহওক এই মহান অনুষ্ঠানটিত সামান্যতম শ্ৰম দান কৰি অহা অনুভূতিৰ আনন্দই আজিও মন ভৰাই তোলে।

এইখিনিতে এটা কথা কব লাগিব যে কলেজৰ প্ৰত্যেকজন ছাৰ আৰু প্ৰত্যেকগৰাকী বাইদেউৰেই মোৰ বৰ আপোন আছিল। তেওঁলোকৰ পৰা পোৱা উৎসাহ আৰু অনুপ্ৰেৰণাৰ বাবে মই তেওঁলোকৰ ওচৰত কৃতজ্ঞ। সদৌ শেষত মায়ং আঞ্চলিক কলেজৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ স্মৃতিৰ সঁফুৰা ইমানতে সামৰণি মাৰিলোঁ। ♦♦

জয়তু মায়ং আঞ্চলিক কলেজ।

# মোৰ অনুভৱ

**প্ৰকাশ মণ্ডল**
স্নাতক, তৃতীয় ষাণ্মাসিক

'মায়ং আঞ্চলিক কলেজ' হয় নাম শুনিছো আগতে, আমাৰ গাঁওখনৰ পৰা ৬ কি.মি. আঁতৰত। কলেজখন স্থাপন কৰা হৈছিল ১৯৯২ চনত। পিছপৰা অঞ্চলত থকা এই কলেজখনক লৈ সমগ্ৰ অঞ্চলবাসীয়ে গৌৰৱ অনুভৱ কৰে। মই হাইস্কুলত থকা অৱস্থাতে কলেজখনৰ অধ্যক্ষ আমাৰ স্কুললৈ প্ৰধান অতিথি হিচাপে আহি ভাষণ দিয়া শুনিছো। আন কাৰোবাৰ ভাষণ শুনো বানুশুনো তেওঁৰ ভাষণ নিশ্চয় শুনো। কাৰণ তেওঁ দিয়া ভাষণত যি ৰস পোৱা যায় সেয়া হয়তো আন কাৰো ভাষণত পোৱা নাযায়। মই আশা কৰিব পৰা নাছিলো যে এদিন এই কলেজত নাম ভৰ্তি কৰিবলৈ সক্ষম হম। হয় এদিন সচাঁকৈ এই কলেজত নাম ভৰ্তি কৰিলো। মই এই কলেজত নাম ভৰ্তি কৰিব পাই অত্যন্ত সুখ অনুভৱ কৰিছো।

প্ৰথম দিন মই কলেজলৈ গলো আৰু গোটেই কলেজৰ যি পৰিবেশ সঁচাকৈ ভাল লাগিল। কলেজৰ সন্মুখত থকা খেলপথাৰ আৰু গোটেই কলেজখনৰ যি পৰিস্কাৰ-পৰিচ্ছনতা সঁচাকৈ বৰ আকৰ্ষণীয়। প্ৰথম দিন বাবে মই গোটেই কলেজখন ঘুৰি-পকি চালো আৰু দেখিলো যে অধ্যক্ষ আৰু অধ্যাপক লগতে কৰ্মচাৰীসকলে নিজৰ নিজৰ কামত ব্যস্ত হৈ আছে আৰু দুই এজন ছাত্ৰ ইটো-সিটো কোঠাত কথা পাতি আছে। প্ৰথম দিন বাবেই হয়তো বেছি ছাত্ৰ-ছাত্ৰী অহা নাই আৰু সেইবাবেই ক্লাছো হোৱা নাই। এনেদৰে তিনি-চাৰি দিনমান পাৰ হৈ গ'ল। কিন্তু যেতিয়া গোটেই ছাত্ৰ-ছাত্ৰী আহিলে General Classৰ কোঠা ভৰি পৰিল আৰু এনেকুৱা অৱস্থা হৈ পৰিল যে অধ্যাপকজনে মাই ক্ৰ'ফোনৰ জৰিয়তহে পাঠদান কৰিব লগা হ'ল। কিন্তু মুখ্য বিষয় (অৰ্থনীতি বিজ্ঞান)ৰ ছাত্ৰ-ছাত্ৰী কম। সেয়ে General Classৰ পিছত মুখ্য বিষয়ৰ কোঠালৈ

গৈ ভাল লগা আজৰি সময়ত ছাত্ৰ-ছাত্ৰীসকলে কলেজৰ 'দীপন চন্দ্ৰ নাথ লাইব্ৰেৰী' লৈ গৈ বিভিন্ন ধৰণৰ কিতাপ পঢ়ি থাকে। আনবোৰে আকৌ তাতে থকা কেন্টিনলৈ গৈ আড্ডা মাৰে। ময়ো মাজে মাজে লাইব্ৰেৰী এৰি লগৰবোৰৰ লগত কেন্টিনলৈ গৈ আড্ডা মৰো। এনেদৰে বৰ আনন্দৰে পঢ়া-শুনাৰ মাজেৰে সময় পাৰ হৈ যাবলৈ ধৰিলে।

কলেজৰ অধ্যাপকসকলৰ কথা সদায় মনত ৰাখিবলগীয়া। কিয়নো তেওঁলোকৰ পৰা যি আশা কৰো বা বিচাৰো দিবলৈ চেষ্টা কৰে। কলেজৰ বিভিন্ন সময়ত বিভিন্ন ধৰণৰ তিথি পতা হয়। আৰু প্ৰতিটো বছৰতে নৱাগত আদৰণি সভা আৰু সাপ্তাহিক খেল-ধেমালি পতা হয়। ইয়াৰ ভিতৰত যি সাপ্তাহিক খেলধেমালি হয় ই বৰ উল্লেখনীয়। কিয়নো ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিজৰ প্ৰতিভা প্ৰকাশ কৰিবৰ সুবিধা পায়। তদুপৰি ইয়াৰ শেষৰ যি তিনিদিন সাংস্কৃতিক অনুষ্ঠান পতা হয় অতিকৈ আকৰ্ষণীয় আৰু মনোৰঞ্জনমূলক হয়। তদুপৰি মায়ং আঞ্চলিক মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা প্ৰকাশৰ বাবে প্ৰতি বছৰে একোখনকৈ আলোচনী প্ৰকাশ কৰে, য'ত নেকি ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ লিখনি সমূহ প্ৰকাশ কৰিব পাৰে। মই খুবে আনন্দিত যে ২০১৫-১৬ বৰ্ষৰ আলোচনীত মই নিজে লিখা গল্প 'মোৰ জীৱনৰ কিছু কথা প্ৰকাশ কৰিব পাৰিছো। পিছ পৰি থকা অঞ্চলত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ হাৰ উন্নতিৰ বাবে এই মহাবিদ্যালয়ে যি প্ৰচেষ্টা হাতত লৈছে সঁচাকৈ বৰ প্ৰশংসনীয়। শেষত মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ নাম আৰু জিলিকি উঠক তাৰ কামনাৰে সামৰিছোঁ। ◆◆

# মোৰ অনুভৱ

ছাদেকুল ইছলাম
স্নাতক, তৃতীয় যাণ্মাসিক

'মায়ং আঞ্চলিক মহাবিদ্যালয়' এই শব্দটো মোৰ বাবে আগতে অচিনাকী আছিল যেতিয়া মই উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়ি আছিলো। কিয়নো এইখন মোৰ ঘৰৰ পৰা অলপ আঁতৰত থকা মহাবিদ্যালয়। মোৰ এটা ভয় আছিল যে মই হয়তো উচ্চতৰ মাধ্যমিক পাছ কৰি আৰু অধ্যয়ন কৰিব নোৱাৰিম। কিয়নো মই এজন দুখীয়া পৰিয়ালৰ ল'ৰা। অইনৰ দৰে বাহিৰত পঢ়িবলৈ মোৰ আৰ্থিক ক্ষমতা নাছিল। কিন্তু যেতিয়া মই 'মায়ং আঞ্চলিক মহাবিদ্যালয়'ত বিনামূলীয়াকৈ এডমিছন পালো মোৰ মনটো আনন্দত ভৰি পৰিল আৰু মোৰ ভয়টো ভাঙিল। মই যেতিয়া মহাবিদ্যালয়লৈ যাবলৈ আৰম্ভ কৰিলো লাহে লাহে মায়ং অঞ্চলটোৰো সংস্পৰ্শলৈ আহিলো আৰু জানিলো যে মায়ং এসময়ত অৰণ্যেৰে ভৰা এই অঞ্চলটো দিনক দিনে কিমান উন্নত হৈ আহিল, যাৰ উৎস হ'ল অঞ্চলটোৰ ৰাইজৰ কঠোৰ পৰিশ্ৰম আৰু ত্যাগ। সঁচাকৈ এইটো আমাৰ বাবে মিঠা অনুভৱ যে মায়ং আজি কোনো ক্ষেত্ৰতে পিছপৰি থকা নাই। লাহে লাহে মোৰ ছাৰ-বাইদেউ সকলৰো লগত আন্তৰিকতা হ'ল। এই মহাবিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়ত্ৰী মৰমীয়াল আৰু মানৱতাময়ী। শিক্ষক-শিক্ষয়ত্ৰীসকলে ছাত্ৰ-ছাত্ৰীক নিজৰ ল'ৰা ছোৱালীৰ দৰে মৰম কৰে। মোৰ চকুত পৰাকৈ ৰাজনীতি বিষয়ৰ মুৰব্বী শিক্ষক মাননীয় ড° গুণেশ্বৰ ডেকা ছাৰক মোৰ বহুত ভাল লাগে আৰু শ্ৰদ্ধা কৰো।

গুৰু বিষয়লৈ অধ্যয়ন কৰা এজন ছাত্ৰ বা ছাত্ৰীৰ অধিক কিতাপৰ প্ৰয়োজন হয়। মহাবিদ্যালয়ত থকা 'দিপন চন্দ্ৰ নাথ পুথিভঁৰাল'টোৱে আমাৰ সেইখিনি প্ৰয়োজন পূৰণ কৰিবলৈ সক্ষম। এইটো আমাৰ বাবে মিঠা আৰু সুখৰ অনুভৱ। সঁচাকৈ মোৰ বহুত ভাল লাগে যে এসময়ৰ 'মায়ং' নামটোত লোকে ভয় কৰা অঞ্চলটো ইমান আগবাঢ়ি আহিল। বৰ্তমান মহাবিদ্যালয়ত বহুতো ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লবলৈ সক্ষম হৈছে আৰু বিভিন্ন চাকৰিত সোমাইছে লগতে মহাবিদ্যালয়খনৰ সুনাম কঢ়িয়াইছে। বহুত সুখ অনুভৱ এইবিলাক কাৰণত। মহাবিদ্যালয়খনত বিভিন্ন সময়ত বিভিন্ন উৎসৱৰ আয়োজন কৰা হয়। যেনে — সৰস্বতী পূজা, নৱাগত আদৰণি সভা, শংকৰদেৱ তিথি আদি বিভিন্ন ধৰণৰ। ইয়াৰ ভিতৰত আটাইতকৈ আকৰ্ষণীয় হ'ল নৱাগত আদৰণি সভা। য'ত নৱাগত সকলক আদৰি লোৱা হয়। এইবোৰ উৎসৱত

সঁচাকৈ বহুত আনন্দ আৰু সুখ অনুভৱ হয়।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মিলাপ্ৰীতি আৰু বন্ধুত্বপূৰ্ণ আৰু একতাৰে চলে। তাৰে এটা ঘটনা মই লেখাৰ জৰিয়তে উল্লেখ কৰিব বিচাৰিছো। মই যেতিয়া প্ৰথম মহাবিদ্যালয়ত গৈছিলো তেতিয়া দেখিছিলো এজন ল'ৰাই এটা ৪ জি এনড্ৰয়ড মোবাইল কিনিছে তাৰ উপলক্ষে সহপাঠীসকলে এটা পাৰ্টি বিচাৰিলে। কিন্তু ল'ৰাজনে কোনো আগপিছ নভৱাকৈ Of course বুলি কলে অথচ তেওঁৰ গোটেইবা ধনখিনিৰে মোবাইলটো কিনিছিল। আৰু 'জিজিনা' ৰেষ্টুৰেন্টলৈ মাতিলে। তেওঁলোকে Party অনুভৱ কৰি আছে এজনে সুধিলে তোমাৰ গোটোবা গোটেইখিনি ধনেৰে তো মোবাইল কিনিলি But Partyৰ টকা ক'ত পালি। সি কলে মোবাইলটো বেছি দিলো। তইতৰ আনন্দত মোৰ মোবাইলটো কিয় জীৱনটো দিবলৈ কুণ্ঠাবোধ নকৰো। অইন এটা ল'ৰাই কলে তই আমাৰ বাবে ইমান Secrifiese কৰিবি আৰু আমি গম নাপাম এই ল' তই বেছা মোবাইলটো আমি সকলোৱে মিলি কিনি আনিলো। এই ঘটনাটো মোৰ College Lifeৰ এটা হৃদয়স্পৰ্শী ঘটনা। গোটেই জীৱনটোৰ বাবে মনত সাঁচ হৈ থাকিব।

মই সঁচাকৈ সুখী অনুভৱ কৰো যে নিজৰ ঘৰত থাকি নিজ অঞ্চলৰ লগতে লাগি থকা মহাবিদ্যালয়ত পঢ়িবলৈ সক্ষম হৈছো। ইয়াতকৈ আমাৰ সুখ আৰু মিঠা অনুভৱ কি হ'ব পাৰে? সেয়ে মই সদায় গৰ্বিত আৰু আনন্দিত। সৰ্বশেষত মই মায়ং অঞ্চলৰ ৰাইজক ধন্যবাদ জনাইছো আমাৰ বাবে সোণালী পথ মুকলি কৰি থৈ যোৱাৰ বাবে। ◆◆

মায়ং অঞ্চলৰ উন্নতিয়ে আমাৰ উন্নতি।

জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়।

# তোমাক উদ্‌যাপন কৰা তিনিটা বসন্ত

মণিৰত্ন ডেকা
প্ৰাক্তন ছাত্ৰ

সৌভাগ্যবান যে আমি নিজৰ জন্মভূমিতেই এখন স্নাতক ডিগ্ৰীধাৰী মহাবিদ্যালয় আছে। ২০১১ চনৰ আগষ্ট মাহত মই মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে ভৰি দিছিলোঁ। মায়ং বজাৰৰ পৰা ঠিক ১ কি. মি. দূৰত্বত মায়ং আঞ্চলিক মহাবিদ্যালয়খন অৱস্থিত। তেতিয়া মহাবিদ্যালয়খন প্ৰাদেশীকৰণ হোৱা নাই। ছাৰসকলে অশেষ কষ্ট ত্যাগ কৰি বিনাবেতনত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদান কৰিছিল। মায়ং বজাৰৰ পৰা মহাবিদ্যালয়লৈ যোৱা পথটো কেচা আছিল আৰু এজাক বৰষুণতেই একেবাৰে বেয়া হৈ গৈছিল। তেতিয়াৰ মহাবিদ্যালয়ৰ আন্তঃগাঁথনিৰ ব্যৱস্থা একেবাৰে বেয়া আছিল। মহাবিদ্যালয়ৰ চৌহদত ইটাৰে গাঠা তাকো প্লাষ্টাৰ নকৰা এটাই ডাঙৰ শ্ৰেণী কোঠা আছিল। মেজৰ ক্লাচ কৰিবৰ কাৰণে তৰ্জাবেৰাৰ আৰু ওপৰত খেৰৰ চালিৰে তিনিটা সৰু সৰু শ্ৰেণী কোঠা আছিল। গৰমৰ দিনত ফেনৰ অভাৱত ক্লাচ কৰিবলৈ যথেষ্ট অসুবিধা হৈছিল। মহাবিদ্যালয়ৰ চৌহদত কেইজোপামান বৰ নিমগছ আছিল, তাৰ তলত বহি যিবোৰ আড্ডা চলিছিল। সেয়া কেতিয়াও পাহৰিব নোৱাৰো। বৰ্তমান সেই নিমগছৰ ঠাইত ডাঙৰ বিল্ডিং হ'ল। এইখিনিতে এটা সৌভাগ্যৰ কথা কবই লাগিব। আমি মহাবিদ্যালয়ত ভৰি দিয়া ২০১১ বৰ্ষতেই মায়ং বজাৰৰ পৰা মহাবিদ্যালয়লৈ যোৱা পথটো পকীকৰণৰ শুভাৰম্ভ হয়। আনহাতে ২০১১ বৰ্ষৰ আমাৰ দিনৰ পৰাই প্ৰথম ষাণ্মাসিক পদ্ধতি আৰম্ভ হয়। প্ৰথমে এই ষাণ্মাসিক পদ্ধতিত বহুত জটিলতাত পৰিছিলোঁ। পিছত যেনিবা ছাৰসকলৰ সহায়ত বুজি পোৱা হ'লো।

২০১২ চনতেই মহাবিদ্যালয়ত দুমহলীয়া অট্টালিকা শুভাৰম্ভ হৈ ২০১৪ চনত সম্পূৰ্ণ হৈ উঠে। আমি মহাবিদ্যালয়ত থকা সময়ছোৱাতেই মহাবিদ্যালয়খন প্ৰাদেশীকৰণ হয়। এখন মহাবিদ্যালয়ে ইউ জি চি ফালৰ পৰা যি সা-সুবিধা লাভ কৰি থাকে ইয়াৰ আঁৰত মহাবিদ্যালয়খনৰ বহু ধনাত্মক দিশ সাঙোৰ

খাই থাকে। এই সকলো ধৰণৰ স্থায়ী উন্নয়নমূলক কামৰ কাৰণে অধ্যক্ষ ড° ফণীভূষণ নাছ ছাৰৰ ওচৰত চিৰকৃতজ্ঞ। তেখেতৰ তৎপৰতাতেই আজি ২৫ বছৰে মহাবিদ্যালয়ৰ পৰা কোনো ধৰণৰ ঋণাত্মক বাতৰি প্ৰকাশ হোৱা নাই। তেখেতে কেৱল চাকৰিৰ হিচাপে নাভাৱি নিজৰ কৰ্তব্যখিনি কৰি গৈছিল। ছাৰে কেৱল সময়লৈ লক্ষ্য কৰা নাছিল। মাথো কাম আৰম্ভ কৰিছিল আৰু শেষ নোহোৱা পৰ্যন্ত ঘৰলৈ যোৱা নাছিল। দিনটোৰ ২৪ ঘণ্টাৰ সৰহভাগ সময়ে ছাৰে মহাবিদ্যালয়তেই কটাইছিল। আনহাতে মহাবিদ্যালয়ৰ বছৰেকীয়া অনুষ্ঠানবোৰ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত আমি ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলে নিজেই আগদিনাই খৰি ফলাকে আদি কৰি যাৱতীয় কামবোৰ নিশা ১-২ বজালৈকে হলেও কৰি সমাপ্ত কৰি থওঁ। সেই ৰাতিলৈকে আমাৰ লগত মাননীয় অধ্যক্ষ মহাশয়, ৰবিন কলিতা ছাৰ, পৱন ছাৰ, উৎপল ছাৰ, চিত্ৰদা, বিপুল দা আদি আমাৰ লগত থাকি কামসমূহ কৰাত দিহা পৰামৰ্শ দিছিল। প্ৰতিটো অনুষ্ঠানৰ সমাপ্তিৰ পিছদিনা ছাৰসকলৰ লগত প্ৰীতিভোজ খোৱাৰ মজাই বেলেগ আছিল।

মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ শিক্ষাৰ ৰিজাল্টৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰিছে। সেইয়াই নহয়, ক্ৰীড়া আৰু সাংস্কৃতিক দিশটোত আন ঠাইত গৈয়ো পুৰস্কাৰ বুটলি আনিবলৈ সক্ষম হৈছে। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ বছৰেকীয়া অনুষ্ঠানবোৰ যেনে— স্বাধীনতা দিবস, গণৰাজ্য দিবস, গান্ধী জয়ন্তী, মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস, সৰস্বতী পূজা, শংকৰদেৱৰ তিথি, নৱাগত আদৰণি সভা, মহাবিদ্যালয় সপ্তাহ আৰু শিক্ষা, পৰিবেশ, স্বাস্থ্য আদিৰ সজাগতা সভাসমূহ প্ৰতিটো অনুষ্ঠান নিয়াৰিকৈ পালন কৰি অহা হৈছিল। ছাৰসকলৰ তত্বাৱধানত কোনোটো অনুষ্ঠান বাদ পৰা নাছিল। বিশেষকৈ সাংস্কৃতিক দিশটো ছাৰসকলৰ পৰিচালনাত ছাত্ৰ-ছাত্ৰীৰ সহযোগত বৰ সুন্দৰভাৱে উদযাপিত হয়।

২০১২ চনত ছাত্ৰ একতা সভাৰ সমিতিখন গঠন হোৱাত মইয়ো এজন সদস্য হিচাপে নিৰ্বাচিত হও। আমাৰ মূল কাম আছিল মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠান সুন্দৰভাৱে পৰিচালনা কৰা আৰু মহাবিদ্যালয়ৰ চৌহদৰ কিবা অভাৱ, ছাত্ৰ-ছাত্ৰীৰ কিবা অভাৱ প্ৰয়োজনীয়তাসমূহ অধ্যক্ষ মহোদয়ক অৱগত কৰোৱা। আনহাতে এই ৰূপালী জয়ন্তীৰ প্ৰাকক্ষণতেই এটা অভিজ্ঞতা প্ৰকাশ কৰিবই লাগিব। তেতিয়া আমাৰ মহাবিদ্যালয় প্ৰাদেশীকৰণ হোৱা নাই। আমি অন্য মহাবিদ্যালয় সমূহত নিমন্ত্ৰণ মৰ্মে যাওঁ, তাত সাংস্কৃতিক অনুষ্ঠানসমূহ বিভিন্ন ধৰণে জাকত-জিলিকাকৈ অনুষ্ঠিত কৰো। সেয়েহে ২০১২ বৰ্ষতেই মই আৰু বন্ধু জ্যোতিপ্ৰসাদ, গৌতম, প্ৰাঞ্জল, অজিত আমি গৈ অধ্যক্ষ মহোদয়ক বহুত আপত্তি কৰিছিলোঁ যে সাংস্কৃতিক অনুষ্ঠান এজন বিশেষ আমন্ত্ৰিত অতিথি শিল্পী লাগে। কিন্তু ছাৰে তেতিয়া কৈছিল, 'তহতক অতিথি শিল্পী লাগে হয়, তহঁতে জানই এখন দুখীয়া কলেজ। আমি চবেই গান গাম, নাচিম হৈ যাব। মিছাতে এনেয়ে পইচাবোৰ খৰচ কৰিব নালাগে। তাৰ সলনি তহঁতে ইউনিয়ন ফাণ্ডৰ পইচাৰে কিছু স্থায়ী কাম কৰ। আগন্তুক ৰূপালী জয়ন্তীবৰ্ষত গায়কৰ কথা ভাবিম। ছাৰৰ এই কথাখিনিত বহুত সন্তুষ্টি লাভ কৰিলোঁ আৰু অনুপ্ৰাণিত হ'লো। তেতিয়া ছাৰে লগে লগে ইউনিয়নৰ ফাণ্ডৰ পৰা কিছু পইচা আমাক দিলে। আমি সেই পইচাৰে ছাত্ৰ একতা সভাৰ কোঠাত মহাবিদ্যালয়ৰ খেল আৰু মিউজিক সা-সৰঞ্জামেৰে ভৰাই থবলৈ তিনিটা আলমিৰা কিনিলো আৰু শ্ৰেণী কোঠাত লগাবৰ কাৰণে ৮ খন চিলিং ফেন কিনিলোঁ। তেনেকৈ আমি বিভিন্ন ধৰণৰ অভিজ্ঞতাৰে এঘাৰটা দিন অতিবাহিত কৰি ২০১৪ চনত মায়ং মহাবিদ্যালয়ৰ পৰা আমাৰ কলেজীয়া জীৱনৰ সমাপ্তি ঘটে। যদিও এতিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথাপি মহাবিদ্যালয়ৰ প্ৰতিটো কৰ্মসূচীত সহযোগ কৰি আহিছোঁ। এতিয়াও মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ দৰেই অনুষ্ঠান সমূহত আগভাগ লওঁ। ছাৰ-বাইদেউসকলৰ সৈতেও মৰম বিনিময়ৰ পাৰ্থক্য অলপো ঘটা নাই। তেনেকৈয়ে দিনবোৰ গৈ গৈ এই বৰ্ষত আমাৰ মহাবিদ্যালয়ৰ ২৫ টা বৰ্ষত ভৰি দিলে। অৰ্থাৎ ৰূপালী জয়ন্তী বৰ্ষ। ইটোৰ সিটোৰ মুখে মুখে শুনি আছো ৰূপালী জয়ন্তী পাতিবই বোলে। সাধাৰণ সভা এখন দিয়াৰো সিদ্ধান্তগ্ৰহণ কৰিছে। হঠাৎ এদিন প্ৰিন্সিপাল ছাৰে ফোন কৰি ক'লে " মণি, তহঁতৰ গ্ৰুপটো অহাকালি কলেজলৈ আহিবি, ৰূপালী জয়ন্তী পালেহিয়ে নহয়, অলপ আলোচনা কৰিব লাগে।" ছাৰৰ কথামতে আমি কেইজনমান ছাৰৰ ওচৰলৈ গলো আৰু ৰূপালী জয়ন্তীৰ বিষয়ে কথা পাতিলো। সেইদিনাই সাধাৰণ সভা আহ্বান কৰাৰ তাৰিখ ঠিক হ'ল। তাৰ মাজতে আমি ছাৰক ৫ বছৰ আগৰ কথা এটা মনত পেলাই দিলো যে ২০১২ চনতেই ছাৰে আগন্তুক ৰূপালী জয়ন্তীত অতিথি শিল্পীৰ কথা চিন্তা কৰাতো। সেই মৰ্মে ছাৰেও

আমাৰ কথা ৰাখিলে। বাজেট মিলাকৈ সমাজত থকা এজন গায়ক বিচাৰিব ক'লে। আমি বহুত সুখী হ'লো। সেইদিনা ৰাতি ১০-৩০ বজাত নিজৰ কপালকে ধিয়াই অসমৰ আগশাৰীৰ জনপ্ৰিয় শিল্পী নৱপ্ৰজন্মৰ হাৰ্টথ্ৰব তথা বৰ্তমানৰ সমাজকৰ্মী হিচাপে পৰিচিত 'জুবিন গাৰ্গ'ৰ কথাকে ভাবিলোঁ। তেখেতৰ মেনেজাৰৰ লগত ফোনযোগে কথা পাতিলো। অলপ বাজেটতো ইফাল-সিফাল কৰি খাটাং কৰি দিলো। যিহেতু মেনেজাৰ জন আগৰপৰাই চিনাকি, সেয়েহে তেখেতে কলে ১৩ আগষ্টৰ দিনা ৩-৩০ বজাত জুবিন গাৰ্গ শিল্পী একাদশ বনাম মায়ং আঞ্চলিক মহাবিদ্যালয় একাদশৰ মাজত এখন প্ৰীতি ফুটবল খেল অনুষ্ঠিত হ'ব। সন্ধিয়া ৫-৩০ বজাৰ পৰা জুবিন গাৰ্গ আৰু তেওঁৰ সংগীবৃন্দৰ দ্বাৰা সংগীতানুষ্ঠান আৰম্ভ কৰা হ'ব।একেদিনাই দুটাকৈ আকৰ্ষণীয় অনুষ্ঠান। আমাৰ আনন্দৰ ঠাই নাই। মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদযাপনৰ সকলো কাৰ্যসূচী 'তন্ত্ৰম'ৰ নিৰ্দিষ্ট এটা পৃষ্ঠাত প্ৰকাশ পাইছে। পঢ়ুৱৈসকলে তাৰ পৰাই জানিব পাৰিব।

সদৌ শেষত মায়ং আঞ্চলিক মহাবিদ্যালয় ছাত্ৰাবস্থাত থকা সময়ত ছাৰ বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভন্টিসকলক যদি কিবা ভুলকৈ কৈছিলো, এই পবিত্ৰ ৰূপালী জয়ন্তীৰ বৰ্ষৰ 'তন্ত্ৰম'ৰ জৰিয়তে সকলোকে ক্ষমা বিচাৰিছোঁ। আনহাতে মোৰ শ্ৰদ্ধাৰ ড° উৎপল নাথ ছাৰক অশেষ ধন্যবাদ জনাইছোঁ। বাৰে বাৰে তন্ত্ৰমত এটি অনুভৱ লিখিবলৈ বাধ্য কৰোৱাৰ বাবে। লগতে মহাবিদ্যালয়খনৰ ভৱিষ্যত দিনত সৰ্বাংগীন উন্নতি কামনা কৰি দেশৰ মহাবিদ্যালয় বিলাকৰ তালিকাত শীৰ্ষস্থান দখল কৰাৰ আশাৰে মোৰ অনুভৱ ৰোমন্থনৰ সামৰণি মাৰিলোঁ।◆◆

জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়

## মোৰ অনুভৱ

লখন দাস, ছাত্ৰ

মায়ং - যাৰ নামৰ সৈতে মোৰ এক গভীৰ সম্পৰ্ক তথা ভালপোৱা আছে। আজিৰে পৰা কেইবাবছৰ আগত অৰ্থাৎ ১৯৯২ চনৰ ১৩ আগষ্টৰ দিনাখন মায়ঙৰ ৰাইজে জন্ম দিছিল এক সুযোগ্য সন্তানক - যাৰ নাম হ'ল মায়ং আঞ্চলিক মহাবিদ্যালয়। মায়ঙৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত অন্যান্য ঠাইলৈ উচ্চশিক্ষা লাভৰ বাবে সক্ষম নহয় কাৰণ দুখীয়া ঘৰৰ ল'ৰা-ছোৱালীয়ে সেই পঢ়াৰ খৰচ বহন কৰিব নোৱাৰি হায়াৰ ছেকেণ্ডাৰী পাছ কৰাৰ পিছতেই পঢ়া সমাপ্ত কৰিবলগীয়াত পৰিছিল। কিন্তু মায়ংবাসীয়ে মায়ং আঞ্চলিক মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাত মায়ং অঞ্চলৰ বিভিন্ন জাতি-জনজাতিৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চশিক্ষা লাভৰ পথ প্ৰশস্ত হৈছিল।

মই যেতিয়া ২০১৬ বৰ্ষত মায়ং উচ্চতৰ মাধ্যমিক মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈছিলো তেতিয়া মায়ং আঞ্চলিক মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলো। মই যিদিনাখন মায়ং আঞ্চলিক মহাবিদ্যালয়ত নামভৰ্তি কৰিবলৈ গৈছিলো সেইদিনাৰ পৰাই মোৰ মনত মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰতি এক গভীৰ ভালপোৱাৰ সৃষ্টি হয়। মই আগষ্ট মাহৰ পৰা ক্লাছ কৰিবলৈ আৰম্ভ কৰিছিলো

আৰু মোৰ প্ৰথম ক্লাছটো আছিল মোৰ মুখ্য বিষয় (মেজৰ) অৰ্থনীতি বিজ্ঞানৰ ক্লাছ। সেই ক্লাছটো কৰাইছিল আমাৰ অৰ্থনীতি বিভাগৰ প্ৰবক্তা ড° উৎপল নাথ ছাৰে। মই সেইদিনাখনৰ পৰাই নাথ ছাৰৰ ক্লাছৰ প্ৰতি আগ্ৰহী হৈ পৰো আৰু নিতৌ মহাবিদ্যালয়লৈ যাবলৈ আৰম্ভ কৰিছিলোঁ। নাথ ছাৰৰ বাহিৰেও মোক আমাৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপকৰ লগতে সকলো বিভাগৰ ছাৰ-বাইদেউৰ লগতে মহাবিদ্যালয়ৰ সকলো সদস্যই মোক ভাল এজন ছাত্ৰ হিচাপেই নহয় নিজৰ সন্তানৰ দৃষ্টিৰে নানা উপদেশ আৰু মৰমো পাৰ্য্যমানে সেই উপদেশবোৰ শিৰোধাৰণ কৰি চলিবলৈ চেষ্টা কৰি আহিছোঁ। মোক মহাবিদ্যালয়ৰ সমূহ ছাৰ-বাইদেউসকলে ভালপোৱাৰ লগতে সকলো ছাত্ৰ-ছাত্ৰী তথা দাদা-বাইদেউ, বন্ধু-বান্ধৱীৰ লগতে মায়ংবাসী ৰাইজৰ পৰাও ভালপোৱাৰ লগতে অজস্ৰ উৎসাহ-উদ্দীপনাও পাইছো। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ মোৰ প্ৰতিটো বস্তু বা প্ৰতিটো বিষয়ৰ প্ৰতি ভালপোৱা আৰু শ্ৰদ্ধা আছে। ইয়াৰ ভিতৰত মোৰ অতিকৈ প্ৰিয় আৰু শ্ৰদ্ধাৰ বিষয় বা স্থান হ'ল 'দিপন চন্দ্ৰ নাথ গ্ৰন্থাগাৰটো। য'ত বহি অধ্যয়ন কৰিলে মোৰ এনেকুৱা অনুভৱ হয় যে মই যেন আগৰ জনমত কিবা ভাল কাম কৰাৰ ফলতেই এই সুবিধাখিনি আজি পাবলৈ সক্ষম হৈছোঁ। আৰু যেন মই কোনোবা স্বৰ্গৰ নন্দন কাননত বহি অধ্যয়ন কৰি আছোঁ।

যাদুৰ দেশ মায়ঙত অৱস্থিত মায়ং আঞ্চলিক মহাবিদ্যালয়খন হ'ল বিভিন্ন জাতি-জনজাতিৰ মিলনৰ এক সংগমস্থলী। য'ত বিভিন্ন জাতি-জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলে সমূহীয়াভাৱে অধ্যয়ন কৰে। য'ত মই দেখা পাইছো ভ্ৰাতৃত্বৰ ভাব, মিলনৰ সেতু আৰু একতাৰ এনাজৰি। ইয়াৰ উপৰি মায়ং আঞ্চলিক মহাবিদ্যালয়খন হ'ল এক ধৰ্মীয় তীৰ্থৰ মূৰ্তপ্ৰকাশ। মহাবিদ্যালয়খনে অতীতৰে পৰা বিভিন্ন ধৰ্মীয় উৎসৱবোৰ পালন কৰাৰ উপৰি অতীতৰ সোঁৱৰণীৰ চিহ্নস্বৰূপে বিভিন্ন সময়ত বিভিন্ন তিথি তথা দিবসবোৰ পালন কৰি অহা দেখা যায়। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ সকলো ছাৰ-বাইদেউৰ লগতে মহাবিদ্যালয়খনৰ সকলো সদস্যৰেই ভগৱানৰ প্ৰতি এক শ্ৰদ্ধা আৰু ভক্তি থকা দেখা যায়। যাদুৰ দেশ মায়ঙত অৱস্থিত মায়ং আঞ্চলিক মহাবিদ্যালয়খনে মায়ং অঞ্চলটোৰ শৈক্ষিক-সামাজিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক সকলো পিনৰ পৰাই পোহৰাই তোলাৰ উপৰি মহাবিদ্যালয়খনে প্ৰতি বছৰে জন্ম দি আহিছে সুযোগ্য সন্তানক। আৰু সেই সন্তানবোৰক পোহপাল কৰি বাহিৰা জগতৰ লগত প্ৰতিযোগিতাৰ কাৰণে প্ৰেৰণ কৰি আহিছে।

মায়ং আঞ্চলিক মহাবিদ্যালয়ত প্ৰৱেশ কৰাৰ লগে লগে মোৰ এনেকুৱা অনুভৱ হয় যে মই যেন কোনোবা এক স্বৰ্গৰ কাননতহে আছো। মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰাকৃতিক পৰিৱেশ অতি আকৰ্ষণীয়, য'ত আছে নানা প্ৰজাতিৰ ফল-ফুলৰ গছগছনি আৰু বিভিন্ন চৰাই-চিৰিকতিৰ সুৰীয়া মাত, যাৰ মাতে মোৰ কোমল অন্তৰত এক আবেগময় পৰিৱেশৰ সৃষ্টি কৰে। এনেকুৱা লাগে যেন মই যদি সেই গছ-গছনি, চৰাই-চিৰিকতিৰ লগতেই গোটেই জীৱন কটাই মায়াৰ সংসাৰৰ পৰা বিদায় ল'ব পাৰো। মায়ং মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বৰ আকৰ্ষণীয়। মহাবিদ্যালয়খনৰ সকলো ছাৰ-বাইদেউ বৰ সতৰ্ক। তেখেতসকলে দৈনন্দিন অতি নিয়মিতভাৱে ক্লাছপাতি কৰে বাবেই মহাবিদ্যালয়খনৰ পৰা প্ৰতি বছৰে ছাত্ৰ-ছাত্ৰীসকলে ভাল ফলাফল অৰ্জন কৰিবলৈ সক্ষম হয় আৰু নিজকে সফল হিচাপে প্ৰতিপন্ন কৰিব পাৰিছে। মায়ং মহাবিদ্যালয় সেয়ে মোৰ দৃষ্টিত বৰ আকৰ্ষণীয়, যাৰ তুলনা মই ত্ৰিজগতত বিচাৰি পোৱা নাই। সেয়ে মোৰ বিশ্বাস যে মায়ং মহাবিদ্যালয়খনে এদিন সমগ্ৰ বিশ্বৰ ভিতৰতেই শ্ৰেষ্ঠ শিক্ষানুষ্ঠান তথা মহাবিদ্যালয় হিচাপে স্বীকৃতি পাব আৰু নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ব। এয়েই আছিল মোৰ মহাবিদ্যালয়খনৰ প্ৰতি এক অনুভৱ।◆◆

জেঠমহীয়া প্ৰচণ্ড ৰ'দ। আজিৰ পৰা প্ৰায় ১২-১৩ বছৰমানৰ আগৰ কথা। আনৰ কি অনুভৱ নাজানো, কলেজত পঢ়াৰ আনন্দই মোক বাৰুকৈয়ে আনন্দিত কৰি তুলিছিল। জীৱনৰ এটি মিঠাসুবাসৰ সন্ধিক্ষণত কলেজীয়া জীৱনৰ প্ৰথম খোজ দিছিলো 'মায়ং আঞ্চলিক মহাবিদ্যালয়'ত। জেঠমহীয়া প্ৰচণ্ড ৰ'দকো নেওচি দেউতাৰ সৈতে ঘৰৰ পৰা ১৪-১৫ কিলোমিটাৰ বাট চাইকেল চলাই মায়ঙত জীৱনৰ পোন প্ৰথমবাৰৰ বাবে পদাৰ্পণ কৰিছিলো। কিয়নো তাহানিৰ মায়ঙৰ

ৰাস্তা-ঘাট খুবেই বেয়া আছিল। আনকি যাতায়াতৰ বাবে যথেষ্ট কষ্টকৰ বুলি ক'লেও নিশ্চয় বঢ়াই কোৱা নহ'ব। মৰিগাঁৱৰ পশ্চিমাঞ্চলৰ বাবে মায়ং আঞ্চলিক মহাবিদ্যালয়খন একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান। চাওতে চাওতে আমাৰ মৰমৰ মহাবিদ্যালয়খনে অতি গৌৰৱেৰে ২৫ বছৰত ভৰি দিছেহি। ভাবিলেই যেন সপোন সপোন লাগে। বহুজনৰ কষ্ট, শ্ৰম আৰু ত্যাগৰ বিনিময়ত আজি মহাবিদ্যালয়খনে সগৌৰৱেৰে ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিবলৈ সক্ষম হৈছে। বিশেষকৈ মহাবিদ্যালয়খনৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ লগতে ছাৰ-বাইদেউসকলৰ কঠোৰ পৰিশ্ৰমৰ কথা আমি স্বীকাৰ কৰিবই লাগিব। কিয়নো মহাবিদ্যালয়ত নামভৰ্তি কৰি শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকলৰ পৰা যিখিনি মৰম-স্নেহ পাইছিলো সেয়া হয়তো প্ৰকৃতাৰ্থত সন্তানে নিজৰ মাক-দেউতাকৰ পৰাহে পায়।

মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° ফণীভূষণ নাথ ছাৰ এগৰাকী গুণ-জ্ঞানী-পণ্ডিত তথা এগৰাকী প্ৰসিদ্ধ শিক্ষাবিদ। দেখিলেই ভক্তি ওপজা, শান্ত, গহীন-গম্ভীৰ, পিতৃতুল্য মোৰ শ্ৰদ্ধাৰ অধ্যক্ষগৰাকী হয়তো বহু পুণ্যৰ বাবেহে নিজৰ শিক্ষাগুৰু হিচাপে লগ পাইছিলো। প্ৰায় গোটেইটো জীৱন শিক্ষকতাৰে ফুলাম বাগিচাৰ নিষ্পাপ ফুলবোৰৰ দৰে হাজাৰ হাজাৰ শিক্ষাৰ্থীক শিক্ষাৰ পোহৰেৰে মানুহ হিচাপে গঢ়ি তুলিলে।

মই অসমীয়া প্ৰধান (মেজৰ) বিষয় হিচাপে বাছি লৈছিলো। অসমীয়া বিভাগত তেতিয়া মাত্ৰ আমাক তিনিজন ছাৰ-বাইদেৱে অতি সুন্দৰ আৰু মনোগ্ৰাহীকৈ আমাক শিক্ষাদান কৰিছিল, যিটো হয়তো এতিয়া ভালকৈয়ে উপলব্ধি কৰিব পাৰিছো। আমি পঢ়াৰ সময়ত মহাবিদ্যালয়খনত সৰ্বমুঠ সম্ভৱতঃ ১২০-১২৫ জন ছাত্ৰ-ছাত্ৰী আছিলো। আমাৰ ক্লাছত আমি মাত্ৰ ৩০-৩৫ জন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিছিলো। যদিও তাহানিৰ পৰাই আমাৰ মহাবিদ্যালয়খনে ১০০ শতাংশ উত্তীৰ্ণৰে এটি সুনাম অৰ্জন কৰি অঞ্চলটিলৈ শিক্ষাৰ পোহৰ বিয়পাই আছে। বৰ্তমানে কলেজখনৰ পাৰিপাৰ্শ্বিকতা তথা আন্তঃগাঁথনি

# মোৰ কিছু অনুভৱ

মঃ আবুল ফজল
প্ৰাক্তন ছাত্ৰ
সহকাৰী অধ্যাপক, লাহৰিঘাট কলেজ

আৰু যথেষ্ট ছাত্ৰ-ছাত্ৰীৰ সমাগমে কলেজখনৰ সৌষ্ঠৱ দুগুণে বৃদ্ধি কৰিবলৈ সক্ষম হৈছে।

যাতায়াতৰ অচলাৱস্থাৰ বাবেই নিয়মীয়াকৈ আমি ক্লাছ কৰাৰ পৰা বিৰত আছিলো। মোৰ লগত আছিল মোৰ সহপাঠী ইব্ৰাহিম। আমি দুয়ো অধ্যক্ষ মহোদয়ক যাতায়াতৰ অসুবিধাৰ কথা অৱগত কৰোৱাত তেখেতে অতি কম সময়ৰ ভিতৰতেই আমাৰ কলেজৰ দক্ষিণ দিশত তৰ্জা আৰু বাঁহ-বেতেৰে আমাৰ থকাৰ সুবিধাৰ্থে এটি ছাত্ৰাবাস বনাই দিছিল। দুৰ্ভাগ্যৰ বিষয় এই যে তাহানিতে কলেজখনৰ চাৰিওদিশে ডাঠ জংঘলেৰে ভৰপূৰ আছিল বাবেই আমি কিছুদিন থকাৰ পিছত আমি দুয়ো আমাৰ হোষ্টেলৰ সন্মুখতে খুব ডাঙৰ বিষাক্ত সাপ প্ৰত্যক্ষ কৰি তাৰ পৰা আমি ঘৰলৈ আহিবলগীয়াও হৈছিল। দৰাচলতে কলেজ পঢ়াৰ সময়ত আমি বহুধৰণৰ তিতা-মিঠা-কেঁহা অভিজ্ঞতা লাভ কৰিছিলা। কি যে মধুৰ দিন আছিল সেইবোৰ— যি হয়তো বৰ্ণনা কৰি যাবলৈ মোৰ কলম অক্ষম।

আজি মই সঁচাকৈয়ে গৌৰৱান্বিত যে মোৰ মৰমৰ কলেজখনে ২৫ টা বছৰ অতিক্ৰম কৰিলে। মোৰ দৰেই হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে নিজকে অভিজ্ঞ কৰি নিজে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। দিনক দিনে মহাবিদ্যালয়খনে উন্নতিৰ দিশত অগ্ৰসৰ হৈছে। এই সকলোবিলাক সম্ভৱপৰ হৈছে কেৱলমাত্ৰ শিক্ষাগুৰুসকল আৰু বৃহত্তৰ মায়ং অঞ্চলৰ ৰাইজৰ বাবেহে। মহাবিদ্যালয়খনৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা কৰ্মচাৰীসকলৰ যি উদ্যম, হয়তো আগন্তুক দিনবোৰত আমাৰ কলেজখনে আৰু অধিক দোপত দোপে আগবাঢ়ি যাব, তাত কোনো সন্দেহ নাই।

মহাবিদ্যালয়খনৰ আৰু বহু স্মৃতি মোৰ মানসপটত আজিও জিলিকি আছে। সেইবোৰ বৰ্ণনা কৰিলে হয়তো লেখনি আৰু যথেষ্ট দীঘলীয়া হ'ব। সেইবাবে সেইবোৰ এতিয়া এৰিলো, পিছলৈ সময় সুবিধা পালে নিশ্চয় স্মৃতিবোৰ পুনৰ ৰোমন্থন কৰিম। ৰূপালী জয়ন্তীৰ ৰূপালী আভাই মায়ং অঞ্চলৰ শৈক্ষিক ক্ষেত্ৰখন আৰু অধিক পোহৰাই তোলক। পৰিশেষত মোৰ মৰমৰ 'মায়ং আঞ্চলিক মহাবিদ্যালয়'খনে অসমৰ উচ্চশিক্ষাৰ ক্ষেত্ৰখনত সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰক, লগতে কলেজখনৰ সৰ্বাঙ্গীন বিকাশ তথা ভগৱানৰ ওচৰত দীৰ্ঘায়ু কামনা কৰি মোৰ চমু বৰ্ণনাৰ ইতিৰেখা টানিছো।◆◆

'জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়,
জয়তু ৰূপালী জয়ন্তী উৎসৱ।'

# অনুভৱৰ দলিছাত মোৰ কলেজীয়া জীৱন

**নিকুঞ্জ কুমাৰ নাথ**
প্ৰাক্তন ছাত্ৰ

ঐতিহ্যমণ্ডিত মায়ঙৰ মাজ মজিয়াত ৰজামায়ং গাঁওখনি আৰু এইখনেই মোৰ জন্মভূমি আৰু ইয়াতে অৱস্থিত মোৰ অতিকৈ আপোন মায়ং আঞ্চলিক মহাবিদ্যালয়খনি। মোৰ ঘৰৰ সন্মুখেৰে গৈছে মহাবিদ্যালয়ৰ মূল পথটি। এই পথেৰে গৈ মহাবিদ্যালয়খনৰ অলপ আগলৈ গৈয়ে মোৰ মামাৰ ঘৰখনি। যেতিয়া সৰুতে মাৰ হাতত ধৰি মামাৰ ঘৰলৈ যাও তেতিয়া দেখিছিলো এচলীয়া চালিৰে দুই-তিনিটা ৰুমৰ এটি ঘৰ সেই নিজান ঠাইটুকুৰাত। মাক সুধিছিলো— এইটো কি ঘৰ বুলি? তেতিয়া মায়ে কৈছিল এইখনেই আমাৰ মায়ং মহাবিদ্যালয় আৰু ডাঙৰ হ'লে ইয়াতে পঢ়িব লাগিব। মহাবিদ্যালয়ৰ জীৱন সফলতাৰে সামৰণি ঘটোৱাৰ বহু আগতেই মায়ে আমাক এৰি বহু দূৰলৈ গুচি গ'ল।

বৰ্তমান আমাৰ মহাবিদ্যালয়খনৰ দক্ষিণে যিটো ছাত্ৰী নিবাস স্থাপন কৰিছে এসময়ত সেই ঠাইতে আছিল আমাৰ ঘৰখনি কিন্তু তেতিয়া মোৰ এই পৃথিৱীত জন্ম হোৱা নাছিল। আমাৰ ওচৰে-পাজৰে আৰু কেইবাঘৰমান মানুহ আছিল। পাছত মহাবিদ্যালয়খন স্থাপনৰ হেতুকে সেই মাটি এৰি দিয়া হৈছিল বুলি মাহঁতৰ মুখৰ পৰা শুনিছিলো।

হাইস্কুলীয়া জীৱন সমাপ্ত কৰি ২০১৩ চনৰ জুন মাহত মোৰ আপোন মহাবিদ্যালয়খনত নামভৰ্তি কৰো। সেই দিনৰে পৰাই মই পঢ়া-শুনাৰ এটা নতুন জীৱন আৰম্ভ কৰিবলৈ ল'লো। মহাবিদ্যালয়খনৰ সকলো শিক্ষাগুৰুৱে অতি বন্ধুসুলভভাৱে পাঠদান কৰিছিল আৰু কথোপকথন হৈছিল। সেইবাবেই প্ৰথম অৱস্থাৰ পৰাই মহাবিদ্যালয়খনৰ প্ৰতি আপ্লুত হৈ পৰিছিলো। কেতিয়াও বহুত বেয়াকৈ কাকোৰে কোৱা মোৰ চকুত পৰা নাছিল। মহাবিদ্যালয়খনৰ সৰু-ডাঙৰ সভাবোৰত যেতিয়া ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি সেৰেঙা হৈছিল তেতিয়া আমাৰ অধ্যক্ষ ছাৰে খঙত আমাক কিছু গালি-গালাজ দিছিল কিন্তু কিছু পাছত কৈছিল— যিহেতু নহাবোৰ নাহেই অহাবোৰেই শুনিব লাগিব। তেতিয়াহে অলপ দুখ লাগিছিল। অধ্যক্ষ ছাৰে কোৱা এটা শব্দ মোৰ বৰকৈ মনত পৰে সেইটো হ'ল 'চলিহঁত'। ছাৰে সকলোকে 'চলিহঁত' বুলি কৈছিল। এই শব্দটোৱে মোৰ মনত বৰকৈ আপোনত্ব ভাৱ জগাইছিল।

ইয়াৰ পাছতে মোক মহাবিদ্যালয়খনৰ সাংস্কৃতিক সম্পাদকৰ দায়িত্বভাৰ দিয়ে। মহাবিদ্যালয়ৰ সকলোটি উৎসৱ-পাৰ্বণ বৰ উলহ-মালহেৰে পাৰ কৰিছিলো। এই সকলো উৎসৱ-পাৰ্বণতে সকলো ছাৰ-বাইদেৱে আমাৰ সৈতে সমানে সহযোগিতা কৰি অনুষ্ঠানবোৰ চলাই লৈ গৈছিল। এনেকৈয়ে দুবছৰকাল মহাবিদ্যালয়খনৰ সাংস্কৃতিক সম্পাদকৰ দায়িত্বটো পালন কৰি থাকিলো। অসমীয়া বিষয়টো মই প্ৰধান (মেজৰ)

বিষয় হিচাপে লৈছিলো। মোৰ অসমীয়া বিভাগৰ মৰমৰ আৰু শ্ৰদ্ধাৰ মিনাক্ষী বাইদেউ, অতুল ছাৰ, চাৰু বাইদেউ, বুদ্ধি বাইদেউ আৰু অভিৰাম ছাৰে একেবাৰে ঘৰুৱাভাৱে যি শিক্ষাদান কৰিছিল সেয়া কেতিয়াও পাহৰিব নোৱাৰো। আটাইতকৈ স্মৰণীয় মুহূৰ্তকেইটা হ'ল মহাবিদ্যালয়ৰ সকলো উৎসৱ-পাৰ্বণৰ শেষত কাম-কাজ কৰা বন্ধু-বান্ধৱীকেইজনৰ লগত ছাৰ-বাইদেউসকলে গধূলি খোৱা প্ৰীতিভোজৰ সময়খিনি। কলেজত পঢ়ি থকা সময়ত বহুবাৰ বনভোজলৈ গৈছিলো। তেতিয়াও ছাৰ-বাইদেউকেইজনমানক লৈ গৈছিলো। সেই সময়ছোৱাতো বহু কথা শিকাইছিল। এনেকৈয়ে ছাৰ-বাইদেউসকলৰ সৎ উপদেশ আৰু আশীৰ্বাদ শিৰত লৈ কলেজীয়া জীৱন সমাপ্ত কৰিলো।

বৰ্তমান অধ্যয়নৰত মোৰ মৰমৰ ভাই-ভনীবিলাকলৈ মোৰ বিনম্ৰ অনুৰোধ যেন তেওঁলোকেও ভালদৰে পঢ়া-শুনা কৰি মহাবিদ্যালয়খনৰ মান দুগুণ বৃদ্ধি কৰে। কেতিয়াও যেন কোনো অনৈতিক কাৰ্য কৰি মহাবিদ্যালয়খনলৈ দুৰ্নাম নানে। যিটো আজিলৈ কেতিয়াও হোৱা নাই আৰু ভৱিষ্যতলৈও কেতিয়াও নহয় যেন।

শেষত মোৰ মৰমৰ মাননীয় শিক্ষাগুৰু আৰু মৰমৰ ভাই-ভনীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাঁচিছো আৰু মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলো। ◆◆

# সজীৱ অনুভূতি

*মিত্ৰদেৱ শইকীয়া*
*প্ৰাক্তন ছাত্ৰ*

সপোনবোৰ বাস্তৱত ৰূপায়িত হ'লে মনত কেনে শিহৰণ ঘটে সকলোৱে বুজে। মা-দেউতাৰ বহু আশাৰে এটি দুখীয়া পৰিয়ালৰ পৰা আহি মায়ং কলেজত উচ্চ শিক্ষাৰ বাবে নামভৰ্ত্তি কৰিছিলো। বিভিন্ন ঠাইৰ পৰা অহা বন্ধু-বান্ধৱৰ লগত অতি কম দিনৰ ভিতৰতে বহুত আত্মীয় হৈ পৰিছিলো। বিশেষভাৱে মোৰ প্ৰিয় বন্ধু মনজিৎ ডেকাৰ কথা সদায় মনত থাকিব। ক্লাছত শিক্ষাগুৰু সকলে আমাক জীৱনৰ বাটত কেনেকৈ আগবাঢ়িব লাগে, সমস্যাৰ সৈতে মুখামুখি কেনেকৈ হ'ব লাগে আদি বহুতো কথাৰ জৰিয়তে জীৱনৰ নাওখনি আগুৱাই নিয়াত সহায় কৰিছে। শিক্ষাগুৰুৰ মহান উদ্দেশ্য ছাত্ৰৰ সকলোবোৰ ক্ষেত্ৰতে সহভাগি হ'ব পৰা গুণ। এনে গুণৰ অধিকাৰী উৎপল ছাৰ। অৰ্থনীতিৰ বিষয়ে আমাক শিকোৱাৰ লগতে সমাজৰ উন্নয়নত কেনেকৈ নিজকে প্ৰস্তুত কৰিব লাগে। সেই বিষয়ে বহুতো জ্ঞান দিছিল। কলেজৰ সকলো শিক্ষক শিক্ষয়িত্ৰীৰ আদৰ্শ তথা সপোন বাস্তৱত ৰূপায়িত কৰিবৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰিছিলো। কলেজৰ সাংস্কৃতিক অনুষ্ঠানবোৰত ভাগ লবৰ কাৰণে চেষ্টা কৰিছিলো। জীৱনত প্ৰথম বাৰৰ বাবে এইখন কলেজতে অভিনয় প্ৰদৰ্শন কৰিছিলো। সেই সময়ত কলেজ বেচৰকাৰী আছিল। প্ৰয়োজনীয় সকলোবোৰ সামগ্ৰী দিব নোৱাৰিলেও ছাত্ৰ-ছাত্ৰীৰ মনোবল অটুট ৰাখিবৰ বাবে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ে বহুত কষ্ট কৰিছিল। কলেজৰ দিনকেইটাতো নিজকে এজন সফল নাগৰিক হিচাপে গঢ় দিবৰ কাৰণে চেষ্টা কৰিছিলো। কলেজৰ নীতি আদৰ্শই সমাজৰ উন্নতিৰ কামত বাৰুকৈয়ে প্ৰভাৱ পেলায়। মায়ং কলেজৰ প্ৰতিজন শিক্ষাগুৰু আমাৰ সকলোৱে বাবে সদায় স্মৰণীয় হৈ থাকিব।

কিছু ৰঙীন মুহূৰ্তই এতিয়াও সপোনৰ পাতত জিলিকি আছে। বানপানীৰ সময়ত কলেজলৈ অহা-যোৱা বাটত পানী হয়। আমি আঁঠুৰ ওপৰলৈ কাপোৰ কোচাই চাইকেল কান্ধত তুলি লৈ কলেজৰ ছাৰৰ লগত হাতত হাত ধৰি পাৰ হৈছিলো। তেতিয়া মনত সপোন ৰচিছিলো জীৱনত যিমান বাৰতেই বাধা ৰূপে দেখা দিলেও ছাৰ সকলক যিকোনো পৰিস্থিতিতেই সহায় কৰিবলৈ আগবাঢ়ি যাম।

খেল ধেমালি সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে খুবেই প্ৰিয়। শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীৰ লগত বন্ধু সুলভ আচৰণ কৰিলে

ছাত্ৰ ছাত্ৰী সকলৰ মনত বহুত উৎসাহ জন্মে আৰু নিজৰ পাঠ্যক্ৰমত সক্ৰিয় ভাৱে অংশ লবলৈ সকাহ দিয়ে। আৰু তেনে এজন আদৰ্শ শিক্ষক আছিল টিমছিলা ছাৰ। ছাৰে কলেজৰ ক্লাছ শেষ কৰিয়েই আমাৰ লগত ক্ৰিকেট খেলিছিল। বন্ধুৰ দৰে আমাৰ লগত আচৰণ কৰিছিল।

এনেদৰে আমি কলেজত তিনিটা বছৰ বহুত ৰং ধেমালিৰে পাৰ কৰিছিলো। বিদায়ৰ মুহূৰ্ত সকলোৰে বাবে সঁচাকৈয়ে বৰ দুখদায়ক। পৰীক্ষাৰ বাবে সকলোৱে প্ৰস্তুত হবলৈ সময় আহি পৰিছিল। সময়ে কলৈকে লৈ যায়। হয়তো কোনেও নাজানে। কিন্তু প্ৰকৃতিৰ কিছু নিয়ম আছে। যিবোৰ সকলোৱে মানি চলিব লাগিব। তিনিবছৰ পাৰ কৰি সকলোৱে নিজৰ নিজৰ পথ বাছি ললে। কিন্তু স্মৰণীয় সেই দিনবোৰে সদায় আমাৰ মনত সজীৱ হৈ ৰৈ গ'ল। মায়ং কলেজৰ সকলো শিক্ষক-শিক্ষয়িত্ৰীলৈ আমাৰ সহস্ৰ প্ৰণাম সদায় থাকিব। কলেজৰ উজ্জ্বল ভৱিষ্যতৰ বাবে সদায় ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিম।◆◆

# স্মৃতিৰ ৰহঘৰাত

**মনজিৎ ডেকা**
প্ৰাক্তন ছাত্ৰ

কেতিয়াবা কেতিয়াবা কি হয় জানে ? মোৰ বিবেকে যেতিয়া মনক প্ৰশ্ন কৰে তোৰ আটাইতকৈ ভাল লগা সময় কোনখিনি? মনটো বহু সময় স্থবিৰ হৈ পৰে আৰু কিছু সময়ৰ পিছত ঘপহকৈ কৈ পেলায় কলেজীয়া জীৱনটো। সচাঁকৈয়ে বৰ ভাল লগা আছিল সেই দিনবোৰ। স্মৃতিৰ এনাজৰীৰে গাঁঠি বাখিছো সেই কলেজীয়া দিনবোৰ। প্ৰথম যিদিনা কলেজত ভৰি দিছিলো, লাজ, ভয়, সংকোচ আদিয়ে আবৰি ধৰিছিল মোক। যেই প্ৰথম Class টো পালো; Class টো শেষ কৰিয়েই পলালো। জানোছা কোনোবা Senior আহি Ragging ই কৰে। এনেদৰেই পাতনি মেলিছিল মোৰ কলেজীয়া জীৱন। ছাৰ, বাইদেউ সকলৰ বন্ধুত্বসুলভ অনুশাসন কলেজীয়া জীৱনতহে পোৱা যায়। বিশেষকৈ অৰ্থনীতি বিভাগৰ ড° উৎপল নাথ ছাৰৰ কথা পাহৰিব নোৱাৰো। ছাৰে কলেজৰ ক্লাছ কমত শিকোৱাৰ উপৰিও ঘৰলৈ মাতি নি টোকা সমূহ লিখি দিছিল। ছাৰৰ বন্ধুত্ব সুলভ ব্যৱহাৰে আমাক পাঠ্যপুথিৰ জ্ঞানৰ ওপৰিও জীৱনৰ গতি পথত আগুৱাই যাবলৈ অনুপ্ৰেৰণা দিছিল।

এইখিনিতেই কওঁ আমাৰ কলেজ খন স্থাপন হোৱাৰ দিনৰে পৰা অধ্যক্ষৰ আসন অলংকৃত কৰি অহা ড° ফণীভূষণ নাথ ছাৰ কেৱল অধ্যক্ষৰ আসন খনতেই ব্যস্ত নাথাকি কলেজ খনৰ আন্তঃগাথনি সবল কৰাৰ লগতে আমাক পাঠদানৰ ক্ষেত্ৰতো সহায় কৰিছিল।

এতিয়া কিবা কামত যদি কলেজৰ ফালে যাব লগা হয়, মনত সেই পৰে ২০০৮-১১ চনৰ সেই কলেজৰ কথা। আমাৰ দিনৰ কলেজৰ পৰিৱশ যেনেকুৱা আছিল এতিয়া সম্পূৰ্ণ বেলেগ। কলে হাঁহি উঠিব, এদিন যেতিয়া আমি শ্ৰেণী কোঠাত বহি থাকো পিছফালে দেখু কোনোবা এজনে খজুৱাই আছে। অলপ পিছতে দেখু তাৰ ওচৰে - পাজৰে থকা কেইটায়ো খজুৱাই আছে আৰু লাহে লাহে মোৰো গাটো পিৰ্ পিৰাব ধৰিছে। মানে কি হৈছিল জানেনে....? বতাহতে ক'ৰবাৰ পৰা বান্দৰ কেকোৰা উৰি আহি আমাৰ প্ৰথম বৰ্ষৰ শ্ৰেণী কোঠাত সোমাইছিলহি যাৰ কাৰনে গোটেই বোৰে খজুৱাব লগা হৈছিল। অলপ বতাহ বলিলেই ধূলি মাকতি বোৰে কলা পটলুং (পটলুং ঃ লংপেন্ট) বগা কৰি পেলায়। সেই সময়ত আন্তঃগাঠনি দুৰ্বল আছিল যদিও মায়ং অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ আমাৰ কলেজ খনৰ শৈক্ষিক পৰিৱেশটো আছিল সবল। মই ওপৰত উল্লেখ কৰা মতে ছাৰ-বাইদেউসকলৰ বন্ধুত্ব সুলভ অনুশাসনৰ লগতে শিক্ষাদানৰ ক্ষেত্ৰত কোনো গাফিলতি নাছিল। আনকি ছাত্ৰ-ছাত্ৰীক নিজে বিচাৰি হ'লেও পাঠদান কৰিছিল। ক্লাছ নথকা সময়ত আমি সকলোৱে মিলি বকুল গছ ডালৰ তলত বহি গপ কৰিছিলো আৰু কেতিয়াবা কাৰোবাৰ ফুচুৰি কথাত হাঁহি হাঁহি বাগৰি পৰিছিলো। এইবোৰৰ মাজতেই যেন বিচাৰি পাইছিলো কলেজীয়া জীৱনৰ প্ৰকৃত আনন্দ।

অৱশ্যে বৰ্তমানৰ দৰে তেতিয়া নাছিল কোনো এনৰয়ড স্মাৰ্টফোন, য'ত থাকে হোৱাটছ্‌আপ, ফেচবুক আদিকে ধৰি ক'ত যে কি। কলেজীয়া জীৱনত মই মোৰ বন্ধু মিত্ৰদেৰ শৰৈকীয়াৰ কথা পাহৰিব নোৱাৰো। কলেজত পঢ়ি থকা দিনবোৰত এনেকুৱা এটা দিনো যোৱা নাই যিটো দিনত মিত্ৰদেৱ মোৰ লগত নাই। আমাৰ দুয়োটাৰে গুৰু পাঠ্যক্ৰম(Major) আছিল অৰ্থনীতি বিজ্ঞান। সেয়েহে বেছিভাগ সময় তাৰ সৈতেই থকোঁ। আমাৰ দুটাৰ মন নাথাকিলে শ্ৰেণীকোঠাত নাযাও যাৰ কাৰণে বহুবাৰ কলিতা ছাৰৰ গালি খাব লগাও হৈছিল। এই সকলো বোৰ এতিয়া বিচাৰি পাও মাথো স্মৃতিৰ বন্দৰত।

কলেজীয়া দিনকেইটাটেই ছাত্ৰ এজনে নিজৰ লক্ষ্যত উপনীত হোৱাৰ শেষ পৰ্যায়। সেই দিন কেইটাটেই যদি অধ্যয়নত গাফিলতি কৰা যায় তেনেহ'লে সেই ছাত্ৰজনে জীৱনত আগুৱাই যাব নোৱাৰে। যত্ন কৰিলেহে ৰত্ন পাই বুলি কথা এষাৰ আছে , গতিকে ছাত্ৰ এজনে এই কলেজীয়া দিনকেইটাটেই অকণমান যত্ন কৰা উচিত। ◆◆

# মিঠা মিঠা লগনত

বৰ্ণালী দেৱী
প্ৰাক্তন ছাত্ৰী

মায়ং প্ৰাচীন কালৰে পৰা "যাদুৰ দেশ" বুলি পৰিগণিত হৈ আহিছে। মায়ঙৰ পৰিচয় যাদুৰ দেশ হিচাপেই নহয় মায়ঙত বৰ্তমানেও পৰম্পৰাগত বজা আছে। এই মায়ঙৰ বুকুতেই নৱ প্ৰজন্মক জ্ঞানৰ সৌৰভ বিলাবলৈ মায়ং অঞ্চলৰ ৰাইজৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলত ১৯৯২ চনৰ ১৩ আগষ্টত গঢ় লৈ উঠিছিল আমাৰ মৰমৰ এই "মায়ং আঞ্চলিক মহাবিদ্যালয়" খন। প্ৰতিষ্ঠা কালৰে পৰা মহাবিদ্যালয়খনে মায়ং অঞ্চলৰ শৈক্ষিক দিশত এক অনবদ্য অৱিহণা যোগাই আহিছে।

মহাবিদ্যালয়খনৰ লগত মোৰ আনুষ্ঠানিকভাবে মোৰ সম্পৰ্ক স্থাপন হয় ২০১১ বৰ্ষৰ আগষ্ট মাহত। সেই বছৰত মই বুৰঞ্জী বিভাগৰ ছাত্ৰী হিচাপে নাম ভৰ্ত্তি কৰিছিলো যদিও শিক্ষানুষ্ঠানখনৰ লগত মোৰ সম্পৰ্ক আছিল আৰু পুৰণি। মোৰ পিতৃ শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ হোৱা সুত্ৰে মাজে-সময়ে মই মহাবিদ্যালয়খনলৈ অহাৰ সুযোগ পাইছিলো।

আগতে কলেজলৈ আহোতে Uncle Aunty বুলি মতা অধ্যাপক সকলক হঠাতে ছাৰ-মেদাম বুলি মাতিব লগা হৈছিল। আজিও মনত পৰে কলেজৰ প্ৰথম নামভৰ্ত্তিৰ দিনা অনন্ত Uncle যে মোক "মাইনা" আজিৰ পৰা পিছে papa ক principal sir বুলি ক'ব লাগিব। পিছে মই অলপ দুষ্ট আছিলো papa ক sir বুলি কৈ নাপালোৱেই।

কলেজ বুলিলেই মনলৈ আহে আমাৰ অতিকে আপোন ইতিহাস বিভাগটোৰ কথা। ৰয় ছাৰ, শৰ্মা চাৰ, উৎপল ছাৰ, ৰুমী মেদাম আৰু তেওঁলোকৰ ক্লাচবোৰ। চাৰ-মেদাম সকলৰ সেই মধুৰ ক্লাচবোৰ আজিও মোৰ মনত সজীৱ হৈ আছে। এই সুযোগতে মই তেখেতসকললৈ ধন্যবাদ জ্ঞাপন কৰিলো। চাৰ বাইদেউসকল অক্লান্ত চেষ্টাতেই আমি আজি এই স্থানত উপবিষ্ট হ'ব পাৰিছো। তেখেতসকলে জ্ঞানৰ বন্তিৰ পোহৰেৰে আমাক আগুৱাই যোৱাত সহায় কৰিলে।

অৰ্থনীতি বিজ্ঞান আছিল মোৰ পাচ কোৰ্চ। অৰ্থনীতি বিজ্ঞানৰ ক্লাচবোৰৰ স্মৃতি আমি কেতিয়াও পাহৰিব নোৱাৰো। ছাৰ-বাইদেউ সকলে সাৱলীল ভাষাৰে কৰা পাঠদানৰ

মুহূৰ্তবোৰৰ স্মৃতিয়ে আজিও মোক আমনি কৰে। আজি আমনি কৰে বন্ধু-বান্ধৱীৰ সৈতে কলেজৰ ছাদত উঠি আড্ডা মাৰি সময় অতিবাহিত কৰা সেই মধুৰ মুহূৰ্তবোৰৰ কথা। যি মুহূৰ্ত আৰু কেতিয়াও ঘুৰাই নাপাও। কেতিয়াবা কেতিয়াবা এনেকৈয়ে আনকি ক্লাচ পৰ্যন্ত ক্ষতি কৰিছিলো। ইফালে ছাৰ-বাইদেউ সকলে আমাক বিচাৰি হাবাথুৰি খাই।

সেই মধুৰ মুহূৰ্তবোৰৰ মাজেৰে কেতিয়ানো ছটাকৈ চেমিষ্টাৰ শেষ কৰিলো গমেই নাপালো। তেতিয়াৰ কলেজৰ লগত জড়িত এনে কিছু তিতা-মিঠা অভিজ্ঞতাই মোক এতিয়াও আমনি কৰে যাক এই লেখাত প্ৰকাশ কৰা সম্ভৱ নহয়। শেষত আমাৰ মৰমৰ অতি শ্ৰদ্ধাৰ এই মহাবিদ্যালখনে আহি আহি আজি ২৪ টা বসন্ত অতিক্ৰমী ৰূপালী জয়ন্তীত পদাৰ্পন কৰিলে। ই আমাৰ গৌৰৱৰ বিষয়। ◆◆

জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়

# মোৰ কলেজীয়া জীৱনৰ শুভ মুহূৰ্তবোৰ

*বিদ্যুৎ বিষয়া*

*ছাত্ৰ*

কোৱা হয় যে মহাবিদ্যালয়ত অধ্যয়নৰত সময়ছোৱা জীৱনৰ অতি মধুৰতম সময়। মোৰ পক্ষেও ইয়াৰ কোনো ব্যতিক্ৰম নহয়। মহাবিদ্যালয়ত অধ্যয়ন কৰা সময়ছোৱা আছিল মোৰ জীৱনৰ অতি গুৰুত্বপূৰ্ণ আৰু মধুৰ সময়। দৈনন্দিন জীৱনত প্ৰয়োজনীয় সকলো ধৰণৰ জ্ঞান অভিজ্ঞতাই লাভ কৰিছিলোঁ, সেই সময়ছোৱাত। প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ আমাৰ কলেজৰ সৌন্দৰ্য্যই দেশী-বিদেশী সকলোকে হাত-বাউল দি মাতিছিল। নিচেই কাষতে অৱস্থিত পৃথিৱীখ্যাত এশিঙীয়া গড়ৰ ৰম্যভূমি 'পবিতৰা অভয়াৰণ্য'। য'ত শীতৰ আলহী হয় লাখ লাখ দেশী-বিদেশী পৰিভ্ৰমী চৰাই।

কলেজত অধ্যয়নৰত সময়ছোৱাত ছাৰ-বাইদেউ সকলৰ সান্নিধ্যই জীৱনত আগুৱাই নিয়াত বহু পৰিমাণে সহায় কৰিছিল। মহাবিদ্যালয়ত অধ্যয়নৰত সময়ছোৱাৰ বহু স্মৃতি মোৰ মানস পটত সজীৱ হৈ আছে। সেই স্মৃতিবোৰৰ ভিতৰত মায়ঙৰ শিক্ষাৰ ৰাজহাড় স্বৰূপ এই বিদ্যামন্দিৰটোৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক দৰে পদত মহাবিদ্যালয়খনৰ সেৱা আগবঢ়াবলৈ সুযোগ পাওঁ। তাৰ বাবে নিজকে ভাগ্যবান অনুভৱ হয়। অধ্যক্ষ মহোদয়ৰ সু-দিহা পৰামৰ্শ, ছাৰ-বাইদেউসকল নিয়মানুবৰ্তিতাই মোক আনন্দ দিছিল। ছাৰ-বাইদেউসকল এনে বন্ধুত্বসুলভ আচৰণৰ বাবে সকলো কামেই সহজতে

বিভিন্ন কাম-কাজত নিজকে জড়িত কৰিবলৈ পায় বাবেই হয়তো কলেজখনক ভালকৈ জানিবলৈ আৰু বুজিবলৈ সক্ষম হৈছিলো। ইয়াৰ লগতে আৰু বহুতো ভাল লগা অভিজ্ঞতা আছে। তাৰে আন এটা অভিজ্ঞতা হ'ল বিভিন্ন ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰতিযোগিতাত অংশ গ্ৰহণৰ বাবে

USTM লৈ যোৱা দিনটোৰ এই তিনিটা বছৰত তিতা মিঠা বহুতো অভিজ্ঞতা আছে যদিও ভাল লগা অভিজ্ঞতাই বেছি। ২৫ বছৰ গৰকা এই মহান বিদ্যামন্দিৰটোৰ এই শুভ ক্ষণত এই অনুষ্ঠানটোৰ লগত জড়িত কৰিব পায় নিজকে ভাগ্যবান অনুভৱ কৰিছো। আগন্তুক দিনত এই মহান বিদ্যামন্দিৰটোৰ অধিক গৌৰৱ কামনা কৰি ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। মোৰ আশা এই মহাবিদ্যালয় এদিন সমগ্ৰ দেশৰ ভিতৰতে উজলি উঠিব। অনুভৱ আচলতে বহুত আছে যাক প্ৰকাশ কৰিবলৈ কিছু সময়ৰ প্ৰয়োজন, শব্দৰ অভাৱ, বৰ্তমান ময়ো তেনে এক অৱস্থাকে অনুভৱ কৰিছো। আশা ৰাখিছো আগন্তুক সময়তো মহাবিদ্যালয়ৰ সকলো কাৰ্যসূচীতে নিজকে জড়িত কৰিব পাৰিম। শেষত পুনৰ মহাবিদ্যালয়খনৰ সুন্দৰ ভৱিষ্যত কামনা কৰি লগতে এই মনৰ ভাৱখিনি প্ৰকাশ কৰা সুযোগ দিয়াৰ বাবে মোৰ শ্ৰদ্ধাৰ গুৰু ড° উৎপল নাথদেৱলৈ অশেষ ধন্যবাদ থাকিল।◆◆

জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়

# তোমাৰ স'তে পাৰ কৰা তিনিটা বসন্ত

**পৰমেশ্বৰ নাথ**
প্ৰাক্তন ছাত্ৰ

সময়ৰ পৰিবৰ্তনৰ স'তে আগবাঢ়ি যাবলৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শিক্ষা গ্ৰহণৰ ব্যৱস্থা কৰাটো অসম মহাবিদ্যালয় শিক্ষা সংসদৰ এক কৰ্তব্য। জ্ঞান বিজ্ঞানৰ সকলো দিশতে যি অভূতপূৰ্ব অগ্ৰগতি হৈছে তাৰ পৰিপ্ৰেক্ষিতত আমাৰ ছাত্ৰ-ছাত্ৰীসকল যাতে সৰ্বভাৰতীয় বা সমগ্ৰ বিশ্বৰ পৰ্যায়ত পৰ্যায়ত প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব পাৰে আৰু একে ধৰণৰ জ্ঞান লাভ কৰিব পাৰে। এই উদ্দেশ্য আগত ৰাখি মায়ঙৰ গঞা ৰাইজে বহুত কষ্ট স্বীকাৰ কৰি ১৯৯২ চনত "মায়ং আঞ্চলিক মহাবিদ্যালয়" স্থাপন কৰে।

সেই একে উদ্দেশ্যৰেই মই আৰু মোৰ ভন্টি শ্ৰীগীতা দেৱীয়ে ২০০২ চনৰ পৰা ২০০৪ চনলৈ তিনি বছৰ শিক্ষা গ্ৰহণ কৰি শিক্ষাগুৰু সকলৰ পৰা অশেষ প্ৰেৰণ আৰু সহায় লাভ কৰি বি এ পাছ কৰিবলৈ সক্ষম হওঁ। এই ক্ষেত্ৰত অধ্যক্ষ মহোদয়ৰ লগতে সকলো শিক্ষা গুৰুলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। মায়ঙৰ দৰে এখন পিছপৰা ঠাইত মায়ঙত সমাজকৰ্মী লোকসকলে অশেষ কষ্ট স্বীকাৰ কৰি মায়ং আঞ্চলিক মহাবিদ্যালয় স্থাপন কৰা আৰু বহুতো দূৰ-দূৰণিৰ পৰা শিক্ষা গুৰুসকল আহি দেশৰ শিক্ষা প্ৰণালীত ভাৰতীয় দৰ্শন আৰু সংস্কৃত জড়িত কৰি উঠি নব প্ৰজন্মক একো একোজন আদৰ্শ আৰু ত্যাগী ভাৰতীয় হিচাপে সমাজত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন যাচিলোঁ। সকলো ক্ষেত্ৰতে শিক্ষা গুৰুসকলৰ পৰা সহায় পাই ক্ৰীড়া আৰু সাংস্কৃতিক দিশত আগবাঢ়িবলৈ সক্ষম হৈছোঁ।

মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ সাংস্কৃতিক আৰু ক্ৰিয়া অনুষ্ঠানত বহু আগবঢ়া আছিল। যিকোনো অনুষ্ঠানতে খবৰ পালেই ব্যক্তিগত কাম বাদ দি হলেও তেওঁলোকৰ অনুষ্ঠানত অংশ গ্ৰহণ কৰো। কিয়নো মহাবিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষাগুৰু বৰ মৰমৰ কৰিছিল। মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা সময়ত আমাৰ আৰ্থিক অৱস্থা বৰ দুৰ্বল হোৱা বাবে অধ্যক্ষ মহোদয়ৰ লগতে পৰিচালনা সমিতিয়ে আমাৰ দুজনৰ এজনক ৰেহাই দি সহায় কৰিলে। তেওঁলোকলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। তেওঁলোকে পুথিভঁৰালৰ পৰা প্ৰতিটো বিষয়ৰ পাঠ্যপুথি যোগান ধৰি যি সহায় আগবঢ়ালে তেওঁলোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

তদুপৰি সাংস্কৃতিক দিশত আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা যোগোৱা শিক্ষাগুৰু শ্ৰীপৱন বিষয়া ছাৰ আৰু খেল-ধেমালি কৰিবলৈ অনুপ্ৰেৰণা দিয়া শ্ৰীযুত ৰঞ্জন টিমচিয়া ছাৰলৈ মোৰ আন্তৰিক অভিনন্দন যাছিলোঁ।

শেষত বিদ্যাভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ আদৰ্শ গ্ৰহণ কৰি স্থাপন শিশু শিক্ষা সমিতি, অসমে ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞান দিয়া উদ্দেশ্য ভাৰতীয় ঐতিহ্য আৰু শৈক্ষিক দৰ্শনত বিশেষ গুৰুত্ব দি দেশৰ ভৱিষ্যত প্ৰজন্মক আদৰ্শ নাগৰিক হিচাপে গঢ় দিয়াত সহায় হোৱাকৈ সমিতিয়ে এটি বিশিষ্ট শিক্ষানীতি গ্ৰহণ কৰি আহিছে আৰু বিদ্যাভাৰতীৰ আধাৰভূত শিক্ষা প্ৰদানতো সচেষ্ট হৈ আহিছে, তাৰ উদ্দেশ্যৰেই আমাৰ লক্ষ্য হিচাপে এটি আদৰ্শ উল্লেখ কৰিছে। সেইটো হ'ল - "আমি এনে ধৰণৰ জাতীয় শিক্ষা প্ৰণালীৰ বিকাশ সাধন কৰিব খোজো যাৰ দ্বাৰা আমাৰ মাজত এক শ্ৰেণীৰ নতুন পুৰুষ গঢ় লৈ উঠিব, যিসকলৰ হিন্দুত্ব নিষ্ঠা আৰু ৰাষ্ট্ৰভিত্তিত ওতপ্ৰোতঃ ভাৱে জড়িত হয়, যিসকল শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক দৃষ্টিত পূৰ্ণ বিকশিত হৈ বৰ্তমান জীৱনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সমৰ্থ হয় আৰু গাঁও গিৰি, গুহাবাসী, সকলো দিনসুখী অভাৱগ্ৰস্থ বান্ধৱসকলক শোষণ আৰু অন্যায় তথা সামাজিক কু-ৰীতিবোৰৰ পৰা মুক্ত ৰাষ্ট্ৰজীৱনৰ সমভাগী কৰি সু-সংস্কৃত কৰিবলৈ সমৰ্পিত কৰা হয়। ◆◆

জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়

# মোৰ কলেজীয়া জীৱনৰ সেই সোণোৱালী দিনবোৰ ...

বন্তি মেধি শইকীয়া
প্ৰাক্তন ছাত্ৰী

ঐতিহ্যৰ সৌৰৱণ আৰু বাস্তৱৰ বিকাশৰ আধাৰত গঢ়ি উঠে একোটা সুৱৰ্ণময় সভ্যতা ........... প্ৰতিজন মানুহ /ব্যক্তি হৈ পৰে তাৰ অন্যতম অংশীদাৰ। ১৯৯২ চনৰ ১৩ আগষ্টৰ দিনটোত যাদুৰ দেশ মায়ঙত ৰোপন কৰা হৈছিল 'মায়ং আঞ্চলিক মহাবিদ্যালয়' নামৰ বটবৃক্ষৰ পুলিটো। মাটি, পানী, বায়ুৰ সঞ্জীৱনী শক্তি সুধা লৈ ৰ'দ-বতাহ, ধূলি-বালি, বৰষুণ-ধুমুহা সহন কৰি আহি আজি ই পঁচিশ বছৰ অতিক্ৰম কৰাৰ ইতিহাস গঢ়িবলৈ আগবাঢ়িছে। আজি দুহেজাৰ সোতৰ বছৰটোত মায়ং আঞ্চলিক মহাবিদ্যায়ৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ যি আয়োজন চলাইছে সি সঁচাকৈয়ে আমাৰ আনন্দৰ বিষয়।

হেজাৰ-বিজাৰ স্মৃতিৰ ছায়াচিত্ৰ চেলুলয়ডৰ ফিল্মৰ দৰে চকুৰ আগেদি বিজুলিবেগে পাৰ হৈ গৈ আছে সময়। আজি আমাৰ মাজত নাই আমাৰ শ্ৰদ্ধাৰ 'মায়ং খনিকৰ' খ্যাত দিপন চন্দ্ৰ নাথ ছাৰ। যিজনা স্বনামধন্য, অসাধাৰণ ব্যক্তিৰ নেতৃত্বত মায়ঙৰ দৰে পিছপৰা ঠাইত গঢ়ি উঠিল মায়ঙৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ "মায়ং আঞ্চলিক মহাবিদ্যালয়"। আজি এই শুভ ক্ষণত তেখেতৰ ব্যক্তিত্বক শ্ৰদ্ধাৰে সুঁৱৰিছো। আজি তেখেত আমাৰ মাজত নাই যদিও তেওঁৰ কৰ্মৰাজীয়ে আমাক বাৰে বাৰে মনত পেলাই দিয়ে।

মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ ব্যক্তিত্বক স্বীকাৰ কৰিবই লাগিব। যিজনা ব্যক্তি ভাৰতীয় বায়ুসেনাৰ ফ্লাইত ইঞ্জিনিয়াৰৰ দৰে লোভনীয় চাকৰিৰ ম্যাদ সমাপন কৰি আমাৰ এই বিদ্যামন্দিৰখনিৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হিচাপে অহোপুৰুষাৰ্থ আগবঢ়ালে। মহাবিদ্যালয়খনৰ বাবে তেওঁ কৰা ত্যাগক নব প্ৰজন্মই স্বীকাৰ কৰিবই লাগিব। আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ উজ্জ্বল ব্যক্তিত্বই আছিল আমাৰ আদৰ্শ। আমি ছাত্ৰ-ছাত্ৰীসকল আছিলো তেখেতসকলৰ সুখ-দুখৰ লগৰী। যাৰ বাবে আমাৰ মহাবিদ্যালয়খন হৈ পৰিছিল এটি পৰিয়ালৰ দৰে। ভৱিষ্যতে আমি আশা ৰাখিম, কলেজৰ গৌৰৱময় আৰু সুস্থ পৰম্পৰা যেনেদৰে আছে ভৱিষ্যতেও থাকিব। প্ৰশাসনিক দক্ষতা, কঠোৰ নিয়ম-শৃংখলা, শিক্ষাগুৰুসকলৰ নিঃস্বাৰ্থ সেৱা, ছাত্ৰ-ছাত্ৰীৰ মেধা, উন্নতমানৰ পৰীক্ষাৰ ফলাফল, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুসম্পৰ্ক আদি বৈশিষ্ট্যসমূহে আমাৰ কলেজখনক সুকীয়া মৰ্যদা প্ৰদান কৰি আছে।

মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে — ◆◆

# অনুভৱৰ এচেৰেঙা ৰ'দ

নাৰায়ণ মেধি
প্ৰাক্তন ছাত্ৰ

মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ নাম স্মৰণ কৰিলেই সোঁৱৰাই দিয়ে তাহানিৰ সেই মহাবিদ্যালয়ৰ দিনবোৰলৈ। আমাৰ পিছপৰা অঞ্চলটোৰ উন্নয়নকল্পে বহুজন দূৰদৰ্শী, চিৰনমস্য তথা সুযোগ্য মায়ং সন্তানৰ অশেষ কষ্টৰ ফলত ১৯৯২ চনৰ ১৩ আগষ্ট তাৰিখে গঢ় লৈ উঠে এই অনুষ্ঠানটো। যেতিয়া আমি অযুত সপোন লৈ মহাবিদ্যালয়ত নামভৰ্তি কৰিছিলো সেই সময়খিনি আছিল ২০০৬ বৰ্ষ। সেই সময়ত মহাবিদ্যালয়খন চৰকাৰী হোৱা নাছিল। মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি একেবাৰেই বেয়া আছিল। বেৰ বুলিবলৈ তৰ্জাৰ চাৰিবেৰ। তথাপিও যি শৈক্ষিক পৰিবেশ আৰু সন্মানীয় অধ্যাপক-অধ্যাপিকাসকলৰ বন্ধুত্বপূৰ্ণ সঁহাৰি পাইছিলো তাক আজিও মনত পৰিলে নষ্টালজিক হৈ পৰো।

অযুত আশাৰ সপোন লৈ হায়াৰ ছেকেণ্ডাৰী উত্তীৰ্ণ হৈ মায়ং আঞ্চলিক মহাবিদ্যালয়ত অৰ্থনীতি বিষয়ত অনাৰ্ছ লৈ নামভৰ্তি কৰিছিলো। প্ৰথমাৱস্থাত ভয় আৰু শংকাৰ মাজেৰে দিনবোৰ পাৰ কৰিছিলো যদিও ছাৰ-বাইদেউসকলৰ বন্ধুত্বপূৰ্ণ সহাৰি আৰু প্ৰেৰণাই যথেষ্ট অনুপ্ৰাণিত কৰিছিল। মহাবিদ্যালয়খনৰ আন্তঃগাঁথনিৰ তুলনাত ছাৰ-বাইদেউসকলৰ কষ্ট আৰু ত্যাগে আমাক যথেষ্ট আশাবাদী কৰি তুলিছিল। অধ্যক্ষ ফণীভূষণ ছাৰে আমাক যথেষ্ট উৎসাহিত কৰিছিল। চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ৰজনীদা প্ৰমুখ্যে আন আন অনাশৈক্ষিক কৰ্মচাৰীসকলৰ ব্যৱহাৰৰ ফালৰ পৰাও আমি আপ্লুত হৈ পৰিছিলো। মুঠতে আমি সম্পূৰ্ণ এক ঘৰুৱা পৰিবেশত অধ্যয়ন কৰাৰ সুবিধা পাইছিলো। মহাবিদ্যালয়খনৰ প্ৰতিটো উৎসৱ-পাৰ্বনেই উলহ-মালহেৰে অনুষ্ঠিত কৰা হৈছিল। আৰু আমি সেইবোৰ উপভোগ কৰিছিলো। সেই সময়ত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি কম হৈছিল। ছাত্ৰ একতা সভাৰ কাৰণেও কোনো নিৰ্বাচন অনুষ্ঠিত কৰা হোৱা নাছিল বৰং, ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাই সাধাৰণ সম্পাদক তথা অন্যান্য বিষয়ববীয়াসকলক মনোনীত কৰা হৈছিল। তেওঁলোকে নিস্বাৰ্থভাৱে সেৱা আগবঢ়াইছিল। তথাকথিত যুৱ উচ্ছৃংখলতাৰ প্ৰভাৱ খুব কম দেখা গৈছিল।

এইখিনিতে মোৰ নিজা অনাৰ্ছৰ শিক্ষাগুৰুসকলৰ কথা উল্লেখ নকৰিলে আধৰুৱা কৰা হ'ব। এহাতে পূজনীয় অধ্যাপক ৰবীন কলিতা ছাৰদেৱৰ অনুশাসন আৰু আনহাতে মান্যবৰ উৎপল নাথ ছাৰদেৱৰ বন্ধুত্বপূৰ্ণ সহাৰি তথা প্ৰেৰণাই আমাক যথেষ্ট উৎসাহিত কৰি তুলিছিল। তেখেতসকলে আমাক যথেষ্ট সহায় কৰিছিল। ছাৰ-বাইদেউসকল আৰু মোৰ নিজৰো বহুত সপোন আছিল যদিও আশানুৰূপ ফলাফল দেখুৱাব নোৱাৰিলো, কিন্তু তথাপিও আজি সেই শিক্ষাকেই আধাৰ হিচাপে লৈ জীৱিকা তথা সমাজসেৱা কৰিবলৈ পাই মই আনন্দিত হৈছো। ◆◆

'জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়'

# এৰা বাটৰ লেছেৰি বুটলি.....

*কমল শইকীয়া,*
*প্ৰাক্তন সাধাৰণ সম্পাদক*
*ছাত্ৰ একতা সভা*

১৯৯২ চনৰ ১৩ আগষ্টত স্থাপিত হোৱা মায়ং আঞ্চলিক মাহাবিদ্যালয়খনে বিস্তীৰ্ণ মায়ং অঞ্চলৰ ৰাইজৰ মনত আশাৰ বীজ সিঁচি উচ্চ শিক্ষাৰ মহৎ চাহিদা পুৰণৰ উদ্দেশে ৰাইজৰ গৌৰৱ, কিছুমান জিয়া জিয়া স্মৃতি আৰু উত্তৰ প্ৰজন্মৰ অজস্ৰ প্ৰতিশ্ৰুতিৰ সাক্ষী হৈ চকুৰ আগতে ২৪ টা বসন্ত অতিক্ৰমি আজি পৈণত অৱস্থা লাভ কৰিলে। মহাবিদ্যালয় খনৰ বৰভেটি নিৰ্মাণৰ অন্তৰালত থকা নিৰ্মোহ, নিস্বাৰ্থ ব্যক্তি সকলৰ আত্মত্যাগ আৰু কৰ্মস্পৃহাক আমি আজিৰ প্ৰজন্মই অন্তঃকৰণেৰে শ্ৰদ্ধাৰে ৰোমন্থন কৰিছোঁ। ৰাইজৰ হিয়াৰ আমঠু স্বৰূপ এই মহাবিদ্যালয়খনে এৰি অহা সময়ছোৱাত বহুতৰ জীৱনত জ্ঞানৰ অৰ্ঘ্য ঢালি জীৱন আলোকিত কৰি তুলিছে। মই ব্যক্তিগত ভাৱে আজীৱন মহাবিদ্যালয়ৰ ওচৰত ঋণী। ২০০৪ চনত এই মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ দিনৰে পৰা স্নাতক হোৱা পৰ্য্যন্ত গোটেই সময়ছোৱা মোৰ বাবে আছিল বিশেষভাৱে ৰোমাঞ্চকৰ। ২০০৫-০৬, ২০০৬-০৭ বৰ্ষত যিসকল সন্মানীয় শিক্ষক-ছাত্ৰ-ছাত্ৰীয়ে মোক মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ মহান দায়িত্ব দি মহাবিদ্যালয়ৰ হকে কাম কৰাৰ সুযোগ দিছিল, আজিও তেওঁলোকক মই শ্ৰদ্ধাৰে সোঁৱৰণ কৰো। মহাবিদ্যালয়ত অধ্যয়নৰত সময়ছোৱাত সকলো কামতে অকপতে নিজকে নিমগ্ন কৰিবলৈ সদায় চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত অধ্যক্ষ মহোদয় আৰু বন্ধুবৰ্গই সদায় সহায় আৰু অনুপ্ৰেৰণা যোগাইছিল। এতিয়াও তাৰে কিছু স্মৃতি মনত সজীৱ হৈ আছে।

মনত পৰে ২০০৪ চনত গৰমৰ বন্ধৰ আশে পাশে হোৱা বৰবানত কলেজখন বৰ ক্ষতিগ্ৰস্ত হৈছিল। ওচৰৰ মানুহ, জীৱ-জন্তুবোৰেও উপায়ন্তৰ হৈ একমাত্ৰ কলেজ খনকে আশ্ৰয়স্থল হিচাপে লৈছিল। পানী কমাত কলেজলৈ গৈছিলো, খবৰ লবলৈ, লগত বন্ধুবৰ উৎপল (আজিৰ বুৰঞ্জীৰ সহকাৰী-অধ্যাপক)। দেখিলো- দিপন ছাৰে ঘামি-জামি কলেজৰ দেস্ক-বেঞ্চ আদি চাফা কৰি আছে, দেখি বৰ দুখ লাগিল। লাগি গলো চাৰৰ লগতে কামত। আৰু দুই-চাৰি লগ লাগিল। সন্ধিয়ালৈ কোনোৰকম কামখিনি পাৰ লগালো লঘোনে ভোকে পিয়াহে।

মদন কামদেৱ ভ্ৰমন-২০০৫ চন। ভ্ৰমন সুকলমে শেষ কৰি উভতি আহি ৰাতি ল'ৰা-ছোৱালী ঘৰা-ঘৰি থলো। তাৰে মাজতে কেইজনীমান দুৰৈৰ ছোৱালীক লগৰ ছোৱালীৰ ঘৰত থকাৰ ব্যৱস্থা কৰি দিছিলো। পিছদিনা অভিভাৱকৰ অভিযোগ। আনকি অধ্যক্ষ মহোদয়ৰ ওচৰতো অভিযোগনামা দাখিল হ'ল। বিয়া হৈ ল'ৰা-ছোৱালীৰ মুখ দেখিলে, কিন্তু আজিকোপতি সেই কেইজনীয়ে ছোৱালী নামাতে।

২০০৬ চনত ছহিদ বেদি স্থাপনৰ উদ্দেশে ল'ৰা-ছোৱালী পৰা কিছু টকা উঠালো। অলপ মান এন,এছ,ইউ,অইয়েও সহায় কৰিলে। সতীভেটিৰ হৰনাথ শইকীয়াৰ ট্ৰাকখন লৈ ইটা আনিলো গৈ ধানখুন্দাৰ পৰা। কেনেবাকৈ যোৰা টাপলি মাৰি ছহিদ বেদীৰ ভেঁটিটোহে বনালো, বাকী কাম সম্পূৰ্ণ ন'হল, ধনৰ নাটনি। বাকীথকা ইটাখিনি বহুদিন অনাদৰে পৰি থকাত অধ্যক্ষ মহোদয়ে কলেজৰে আন কামত লগালে। অৱশ্যে পৰবৰ্তী সময়ত পিছৰ সকলে কামটো প্ৰায় সম্পূৰ্ণ কৰা বৰ্তমান পৰিলক্ষিত হৈছে।

২০০৭ চনত সেই সময়ৰ ন-বিধায়ক আহিছিল কলেজলৈ এখন সভাত। অভিযোগ কৰিছিলো ছাত্ৰ-ছাত্ৰীৰ তৰফৰ পৰা যে, কুৰি শতিকাতো আমি মুকলি আকাশৰ তলত শৌচ, পেচাব কৰো বুলি। দাবী কৰিছিলো, কলেজত লেটিন-পেচাব ঘৰ লাগে। বিধায়কে কথা দিলে এক লাখ টকা দিম বুলি। অৱশ্যে পৰবৰ্তী সময়ত কলেজ কতৃপক্ষৰে যোগাযোগত কি হ'ল গম নাপাও; আমিও কলেজ এৰিলো।

এনে আৰু বহুতো স্মৃতি আছে যিয়ে আজিও মনটো কেতিয়াবা গধুৰ কৰি তোলে। বহু কথা পাহৰণিৰ গৰ্ভত বিলীনো হৈছে। কলেজৰ সময়ছোৱাত বিভিন্ন জনৰ পৰা পোৱা সহায়, সুদোপদেশ, প্ৰেৰণা, আশীৰ্বাদ আদি ভৱিষ্যত জীৱনৰ বাবে সদায় এক এৰাব নোৱাৰা সঙ্গী হৈ ৰব। ◆◆

শ্ৰদ্ধাৰে সুঁৱৰো...
।। জয়তু মায়ং আঞ্চলিক মহাবিদ্যালয়।।

বিষয়

সাক্ষাৎকার